www.epaper.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❒ PRGI REGD. NO. (Title) : ASSASS01389

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৫৩ ❒ মঙলবাৰ ❒ ১৫ জুলাই, ২০২৫ চন ❒ ৩০ আহাৰ, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 153 ❒ Tuesday ❒ 15th July, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

‘ সকলোতকৈ খৰকৈ সেইজন মানুহেই আগবাঢ়ি যাব পাৰে, যিয়ে অকলে খোজ দিয়ে।
---- ৰুডিয়াড কিপলিং ---- ’

## আজিৰ কলম

### বৃক্ষৰোপণৰ বিকল্প চিন্তা-পৰিকল্পনা



শৰৎ চন্দ্ৰ চিৰিংফুকন

পৃথিৱীৰ তাপ-উষ্ণতাৰ সমতা ৰক্ষাৰ বাবে গছ-বিৰিখৰ প্ৰয়োজনীয়তা অপৰিসীম। গছ-গছনি মানে উদ্ভিদ প্ৰজাতি। পৃথিৱীৰ জীৱজগত আৰু সেউজী প্ৰকৃতিৰ মাজত এক এৰাব-নোৱাৰা সম্পৰ্ক আছে, সম্বন্ধ আছে। জীৱকুলক জীয়াই ৰাখিবলৈ অম্লজান ▸▸৬ পৃষ্ঠাত

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰৰ ৱেবছাইটত পাকিস্তানী বাৰ্তা প্ৰকাশ

# পাকিস্তানী হেকাৰৰ কবলত বিশ্ববিদ্যালয়ৰ ৱেবছাইট

### দুধ মাঙ্গোগে ত ক্ষীৰ দেঙ্গে, কাশ্মীৰ মাঙ্গোগে ত চীৰ দেঙ্গে

অসম বাৰ্তা, গুৱাহাটী, ১৪ জুলাই ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ ৱেবছাইটত দেওবাৰে নিশা পাকিস্তানৰ হেকাৰৰ দ্বাৰা চাইবাৰ আক্ৰমণৰ ঘটনা সংঘটিত হৈছে। এই চাইবাৰ আক্ৰমণৰ ফলত ছাত্ৰ-ছাত্ৰীৰ বাবে গুৰুত্বপূৰ্ণ ই-ৰিছাৰ্চ যেনে অনলাইন জাৰ্নেল, ডাটাবেছ আৰু ই-বুকৰ প্ৰৱেশ সম্পূৰ্ণৰূপে ব্যাহত হৈছে। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ মতে, পাকিস্তানী হেকাৰে গ্ৰন্থাগাৰৰ ''ৰিম'ট লগইন'' ছিষ্টেমত অনাধিকাৰ প্ৰৱেশ কৰি ৱেবছাইটটোত প্ৰ' পাকিস্তানী বাৰ্তা প্ৰকাশ কৰিছিল। হেকাৰসকলে ৱেবছাইটত "দুধ মাঙ্গোগে ত ক্ষীৰ দেঙ্গে, কাশ্মীৰ মাঙ্গোগে ত চীৰ দেঙ্গে" (গাখীৰ বিচাৰিলে ক্ষীৰ দিম, কাশ্মীৰ বিচাৰিলে ফালি পেলাম)ৰ দৰে ঞ্জউচতনিমূলক বাৰ্তাৰ লগতে "পাকিস্তান ▸▸৬ পৃষ্ঠাত





■ শিক্ষক হৈ দালালৰ দৰে ৰাজনীতি নকৰিবলৈ শিক্ষকক আহ্বান হাগ্ৰামা ■

### বিটিচি নিৰ্বাচনত ইউপিপিএল জি'ৰো হ'ব!



অসম বাৰ্তা, বিজনী, ১৪ জুলাই ঃ আগন্তুক বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে চিৰাং জিলাৰ বিজনী চহৰৰ বিজনী জিলা বিপিএফৰ কাৰ্যালয়ত আজি জিলা বিপিএফৰ অন্তৰ্গত সুভাইঝাৰ, থুৰিবাৰী আৰু মানাহ চেৰফাং তিনিটা ব্লক কমিটিৰ বিষয়ববীয়াৰ সৈতে এক বৈঠকত মিলিত ▸▸৬ পৃষ্ঠাত

### চৰাইদেউত আলফা স্বাধীনৰ বিৰুদ্ধে অভিযান, ১০জন লিংকমেনক গ্ৰেপ্তাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৪ জুলাই ঃ চৰাইদেউ জিলা আৰক্ষীয়ে আলফা স্বাধীনৰ বিৰুদ্ধে অভিযান চলাই যোৱা দুদিনত ১০জন লিংকমেনক গ্ৰেপ্তাৰ কৰিছে। পূৰ্বে আটকাধীন আলফাৰ ▸▸৬ পৃষ্ঠাত



লবিকেন্দ্ৰীক ৰাজনীতিৰ বহিৰ্প্ৰকাশত কুৰুক্ষেত্ৰ সদৃশ পৰিৱেশ

### গণৰোষৰ বল বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ

অসম বাৰ্তা, ভুৰাগাঁও, ১৪ জুলাই ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটত দীৰ্ঘদিনৰ পৰা সাংসদ প্ৰদ্যুত বৰদলৈ আৰু বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰ মাজত চলা লবিকেন্দ্ৰীক ৰাজনীতিয়ে লাহৰীঘাট কংগ্ৰেছৰ ভিতৰ চৰা অস্থিৰ কৰি ৰখাৰ সময়তে আজি লাহৰীঘাট সমষ্টিত বিধায়ক ডাঃআছিফ মহম্মদ নাজাৰে সন্মুখীন ▸▸৬ পৃষ্ঠাত



### দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰীৰ মৃতদেহ যমুনা নদীত উদ্ধাৰ

অসম বাৰ্তা, অনলাইন ডেস্ক, ১৪ জুলাই ঃ দিল্লী বিশ্ববিদ্যালয়ৰ ১৯ বছৰীয়া ছাত্ৰী স্নেহা দেৱনাথ, যি বিগত ছয় দিন ধৰি নিৰুদ্দেশ হৈ আছিল, তেওঁৰ মৃতদেহ দেওবাৰে সন্ধিয়া ▸▸৬ পৃষ্ঠাত



দিবাং ভেলীত এসপ্তাহৰ ভিতৰত দ্বিতীয়টো হত্যাৰ ঘটনা

### ৰইঙত অসমৰ শ্ৰমিকক হত্যা

অসম বাৰ্তা, ইটানগৰ, ১৪ জুলাই ঃ অৰুণাচল প্ৰদেশৰ ল'ৱাৰ দিবাং ভেলী জিলাত এজন অসমৰ নিৰ্মাণ শ্ৰমিকৰ মূৰত গুলীৰ আঘাতত মৃত্যু হৈছে। ঘটনাটো ধনৰ বিষয়ত হোৱা এখন বিবাদৰ পৰিপ্ৰেক্ষিতত ▸▸৬ পৃষ্ঠাত

### বিশাখাপট্টনম বন্দৰত ২৭৬ কোটি টকাৰো অধিক মূল্যৰ আঁচনি শুভাৰম্ভ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

অসম বাৰ্তা, অনলাইন ডেস্ক, ১৪ জুলাই ঃ কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি বিশাখাপট্টনম বন্দৰত ২৭৬ কোটি টকাৰো অধিক মূল্যৰ একাধিক সামৰ্থ্য্য বৃদ্ধিৰ পদক্ষেপৰ শুভাৰম্ভ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিশাখাপট্টনম বন্দৰৰ বাবে নতুন সামৰ্থ্য্য সৃষ্টিৰ লক্ষ্যৰে মুঠ ১১৬ কোটি টকাৰো অধিক বিনিয়োগৰ ছয়টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মুখ্য পদক্ষেপসমূহৰ ভিতৰত আছে বন্দৰ এলেকাত এটা বি-ৰেম্প নিৰ্মাণ (৩৩.৪৯ কোটি টকা) আৰু মীনপালন বন্দৰত নতুন ফিংগাৰ জেটী আৰু হোৱাৰ্ফ নিৰ্মাণ (৩২.৬১ কোটি টকা), যিয়ে সামগ্ৰীৰ সঞ্চালন বৃদ্ধি কৰিব আৰু স্থানীয় মীন পালন সম্প্ৰদায়ক উপকৃত কৰিব। কাৰ্যকৰী দক্ষতা বৃদ্ধিৰ বাবে বন্দৰটোৰও এছ টি টিত দুটা অতিৰিক্ত ব্ৰেষ্টিং ডলফিন (২০.৮৭ কোটি টকা) ▸▸৬ পৃষ্ঠাত





### নগাঁও পৌৰসভাৰ জাৱৰ নিষ্কাষণস্থলীত মেটেৰিয়েল ৰিক'ভাৰী ফেচিলিটি প্ৰকল্পৰ উদ্বোধন মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ



অসম বাৰ্তা, নগাঁও, ১৪ জুলাই ঃ স্বচ্ছ ভাৰত অভিযান (নগৰাঞ্চল)ৰ অনুমোদিত পুঁজিৰে নগাঁও পৌৰসভাই চহৰখনৰ কাটিমাৰীস্থিত জাৱৰ নিষ্কাষণস্থলীত নিৰ্মাণ কৰা "মেটেৰীয়েল ৰিকভাৰী ফেচিলিটি (MRF) প্ৰকল্পটিৰ আজি শুভ উদ্বোধন কৰে অসম চৰকাৰৰ গৃহ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা ডাঙৰীয়াই। উল্লেখযোগ্য যে, এই প্ৰকল্পৰ স্থাপনৰ মূল লক্ষ্য হৈছে পৃথক্কৰণ, আৱৰ্জনাৰ পৰা পচন সাৰ প্ৰস্তুত আৰু নিৰাপদ নিষ্কাষণৰ জৰিয়তে বহনক্ষম অৱৰ্জনাৰ ব্যৱস্থাপনা ▸▸৬ পৃষ্ঠাত

## গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে আশুতোষ কুমাৰক নিযুক্তি

### ৰাষ্ট্ৰপতি মুৰ্মুৰ ৫খন ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ নিযুক্তি



অসম বাৰ্তা, গুৱাহাটী, ১৪ জুলাই ঃ আজি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৫খনকৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ নিযুক্তি দিয়ে। কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰালয়ে জাৰি কৰা অধিসূচনা অনুসৰি মধ্যপ্ৰদেশ ▸▸৬ পৃষ্ঠাত

### টীম ৰুদ্ৰ'ৰ সৈতে মাজুলীত উপস্থিত হৈ চুপাৰ ষ্টাৰ ৰবি শৰ্মা

অসম বাৰ্তা, উজনী মাজুলী, ১৪ জুলাই ঃ অসমীয়া চলচ্চিত্ৰ জগতৰ সুদৰ্শন অভিনেতা তথা চুপাৰ ষ্টাৰ ৰবি শৰ্মা আজি মাজুলীত উপস্থিত হয়। তেওঁৰ সদ্য মুক্তি প্ৰাপ্ত চিনেমা 'ৰুদ্ৰ'ৰ পৰিয়ালৰ ▸▸৬ পৃষ্ঠাত



সংবাদমেল সম্বোধন কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ চৰণ সিং চপ্ৰাৰ

### নিৰ্বাচন আয়োগক শাসকীয় দলৰ 'পুতলা' আখ্যা কংগ্ৰেছৰ

অসম বাৰ্তা, গুৱাহাটী, ১৪ জুলাই ঃ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকা পুনৰীক্ষণৰ নামত অসমৰ নিৰ্বাচনী তালিকাৰ পৰা বিৰোধী সমৰ্থকৰ নাম বাদ দিয়াৰ ▸▸৬ পৃষ্ঠাত

### হাজোৰ খাৰুৱা তেল চুৰি কৰাৰ উদ্দেশ্যে তেল পৰিবাহী পাইপ ফুটালে দুৰ্বৃত্তই

অসম বাৰ্তা, হাজো, ১৪ জুলাই ঃ কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত গেৰুৱাৰ খেতি পথাৰত খাৰুৱা তেল পৰিবাহী পাইপ ফুটা কৰি তেল চুৰি কাৰ্য সংঘটিত হোৱা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ভাৰতীয় তেল নিগমৰ অধীনত গুৱাহাটীৰ পৰা বঙাইগাঁৱলৈ সংস্থাপিত তেল পৰিবাহী পাইপত নিশা কোনো দুৰ্বৃত্তই পাইপত ফুটা কৰাৰ ফলত হাজাৰ হাজাৰ লিটাৰ খাৰুৱা তেলে নিৰ্গমন হয়। ফলত অঞ্চলটোৰ খেতি পথাৰ উপচি পৰে খাৰুৱা তেলেৰে। আনহাতে পুৱাৰ ভাগতে ▸▸৬ পৃষ্ঠাত

### মানকাচৰত নৈশবাছৰ পৰা জব্দ ১০ কোটি টকা মূল্যৰ নিচাজাতীয় টেবলেট

অসম বাৰ্তা, মানকাচৰ, ১৪ জুলাই ঃ বাংলাদেশ সীমান্তৱৰ্তী নামনি অসমৰ দক্ষিণ শালমাৰা-মানকাচৰ জিলাত আৰক্ষীৰ ড্ৰাগছবিৰোধী অভিযান অব্যাহত আছে। সোমবাৰে পুৱা প্ৰায় ৫.৩০ বজাত মানকাচৰ আৰক্ষীয়ে গুৱাহাটী-মানকাচৰ নৈশবাছৰ পৰা ১০ কোটি টকাৰ নিচাজাতীয় টেবলেট সহ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। উল্লেখযোগ্য যে, জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাব ▸▸৬ পৃষ্ঠাত

### ইনভাৰ্টাৰ অফ কৰিবলৈ গৈ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু শিক্ষয়িত্ৰীৰ

অসম বাৰ্তা, অভয়াপুৰী, ১৪ জুলাই ঃ অভয়াপুৰীৰ অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষয়িত্ৰী তথা আমগুৰি প্ৰথম খণ্ডৰ বাসিন্দা আল্পনা মণ্ডলৰ বিদ্যুত স্পৃষ্ট হৈ বিয়োগ হোৱাৰ বাতৰিয়ে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত শোকৰ ছাঁ পৰিছে। প্ৰাপ্ত বাতৰি মতে শিক্ষয়িত্ৰী আল্পনা মণ্ডল (২৮) য়ে বতৰ বেয়া হোৱা তথা আকাশত বিজুলী ঢেৰেকনি হোৱাৰ সময়ত ▸▸৬ পৃষ্ঠাত

### হিংসাৰ জৰিয়তে কোনো সমস্যাৰ সমাধান নহয় ঃ অনুপ চেতিয়া



নিউজ ডেস্ক, গুৱাহাটী, ১৪ জুলাই ঃ দেওবাৰে ম্যানমাৰত সংযুক্ত মুক্তি বাহিনী অসম (স্বাধীন)ৰ শিবিৰত আক্ৰমণৰ পিছতে মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ লগত প্ৰাক্তন সতীৰ্থ অনুপ চেতিয়াৰ এক গুৰুত্বপূৰ্ণ বাৰ্তালাপ হয়। উল্লেখ্য যে দেওবাৰে ম্যানমাৰস্থিত অসমৰ নিষিদ্ধঘোষিত উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম (স্বাধীন) গোটৰ শিবিৰত সংঘটিত অভিযানৰ কাৰণ ▸▸৬ পৃষ্ঠাত



চৰকাৰী আবাসৰ চতুৰ্থ মহলাৰ পৰা জাপ দি আত্মহত্যাৰ চেষ্টা কৰিছিল ত্ৰিদীপে

### মৃত্যুক আঁকোৱালি ল'লে এডিচি ত্ৰিদীপ কোঁৱৰে

অসম বাৰ্তা, গুৱাহাটী, ১৪ জুলাই ঃ কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত (ADC) ত্ৰিদীপ কুমাৰ কোঁৱৰৰ মৃত্যুৰ ঘটনাই গুৱাহাটীত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ত্ৰিদীপ কোঁৱৰে ১০ জুলাইত গুৱাহাটী ক্লাবৰ ওচৰৰ মেজিষ্ট্ৰেট কলনীত ▸▸৬ পৃষ্ঠাত

### ধেমাজিৰ ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ তিনি কোটি টকাৰ কেলেংকাৰী

মূল অভিযুক্ত বেংক মিত্ৰ কল্পনা চেতিয়া বৰ্মনক গ্ৰেপ্তাৰ



নিউজ ডেস্ক, ধেমাজি, ১৪ জুলাই ঃ ধেমাজিৰ ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ কাৰ্যালয়ৰ সৈতে জড়িত তিনি কোটি টকাৰ কেলেংকাৰীৰ ঘটনাই এতিয়া ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। সোমবাৰে ধেমাজি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিতোপন নেওগৰ উপস্থিতিত ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ খণ্ড প্ৰকল্প পৰিচালক প্ৰণৱজ্যোতি দলে আৰু জিলা প্ৰকল্প পৰিচালক জয়ন্ত বৰাই এই বিষয়ে সাংবাদিকসকলৰ আগত গুৰুত্বপূৰ্ণ তথ্য প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে ▸▸৬ পৃষ্ঠাত



# পুৰণিগুদামত অসম নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ জুলাইঃ** অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি আজি পুৰণিগুদামস্থিত নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাংগনত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়।কাৰ্যসূচী অনুসৰি আজি পুৱা ৯-১৫ বজাত নাট্য সন্মিলনৰ পতাকা উত্তোলন কৰে পুৰণিগুদাম শাখাৰ সভাপতি ৰঞ্জন তামুলীয়ে।দ্বিতীয় কাৰ্যসূচী মৰ্মে পুৱা ৯-৪৫ বজাত অসম নাট্য সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি, কলাগুৰু বিষুওপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছৱিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পনেৰে শিল্পী পেঞ্চনাৰ কানু গোস্বামী শ্ৰদ্ধা নিবেদন কৰাৰ লগতে উপস্থিত শাখাৰ কৰ্মকৰ্তা সকলেও তেওঁৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি প্ৰদান কৰে।পৰৱৰ্তী সময়ত অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখনি অনুষ্ঠিত হৈ যায়।অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখাৰ সাধাৰণ সম্পাদক ৰাণা ভূএগ্ৰাই আঁট ধৰা আৰু শাখাৰ স্থায়ী সভাপতি ৰঞ্জন তামুলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাধাৰণ সভাখনত বিশিষ্ট নাট্যশিল্পী তথা শিল্পী পেঞ্চনাৰ কাণু গোস্বামী,পুৰণিগুদাম জিলা পৰিষদৰ সদস্য মিন্টু শৰ্মা অসম নাট্য সন্মিলন,নগাঁও জিলাৰ সভাপতি মনোজ বৰদলৈ আৰু অসম নাট্য সন্মিলন কেন্দ্ৰীয় কমিটিৰ সহঃসম্পাদক সুৰুজ কুমাৰ শইকীয়া উপস্থিত থাকে। আজিৰ সভাতে দুবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰে সম্পাদক ৰাণা ভূএগ্ৰাই।

## নগাঁও জিলাৰ গ্ৰীষ্মকালীন কৰ্মশালাত আয়ুক্ত দেৱাশীষ শৰ্মাৰ অভিনৱ পদক্ষেপ

# ১৫ মিনিটতে ইংৰাজী গীত শিকিলে ছাত্ৰ-ছাত্ৰীয়ে

**অসম বাৰ্তা, মৈৰাবাৰী, ১৪ জুলাই ঃ** নগাঁও জিলাৰ এখন গ্ৰীষ্মকালীন কৰ্মশালা সম্প্ৰতি এক অনন্য সাফল্যৰ কাহিনীৰে চৰ্চালৈ আহিছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এই কৰ্মশালাত অংশগ্ৰহণ কৰি কণ কণ ছাত্ৰ-ছাত্ৰীসকলক মাত্ৰ ১৫ মিনিটৰ ভিতৰত হাতত গীটাৰ লৈ এটি ইংৰাজী গীত গাবলৈ শিকাই সকলোকে আচৰিত কৰি তুলিছে। এই কৰ্মশালাৰ মূল উদ্দেশ্য আছিল শিক্ষাৰ্থীসকলৰ মাজত সাংস্কৃতিক আৰু সৃজনশীল দক্ষতা বিকাশৰ লগতে তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰা। নগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণত এই গ্ৰীষ্মকালীন কৰ্মশালা আয়োজিত হৈছিল। কৰ্মশালাৰ বিষয়বস্তুৰ ভিতৰত সংগীত, নৃত্য, অভিনয়ৰ লগতে বিভিন্ন সৃজনশীল কাৰ্যকলাপ অন্তৰ্ভুক্ত আছিল। কিন্তু এই কৰ্মশালাৰ শ্ব'ষ্টপাৰ হৈ পৰিল আয়ুক্ত দেৱাশীষ শৰ্মাৰ সংগীতৰ বিশেষ ক্লাছ, য'ত তেওঁ সংগীতৰ প্ৰতি থকা নিজৰ প্ৰতিভা আৰু আবেগৰ জৰিয়তে শিক্ষাৰ্থীসকলক উৎসাহিত কৰিলে। দেৱাশীষ শৰ্মাই তেওঁৰ ক্লাছত গীটাৰৰ মৌলিক সুৰ আৰু তালৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰাই দিলে। তেওঁ এটি সৰল ইংৰাজী গীত বাছি লৈছিল, যিটো শিক্ষাৰ্থীসকলৰ বাবে সহজে শিকিব পৰা আৰু মজাৰ হ'ব। তেওঁৰ শিক্ষণ পদ্ধতি আছিল অত্যন্ত সৰল অথচ ফলপ্ৰসূ—প্ৰথমে তেওঁ গীটাৰৰ কেইটামান মৌলিক 'ক'ৰ্ড' শিকাইছিল, তাৰ পিছত গীতটোৰ ছন্দ আৰু সুৰৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচিত কৰাই ছিল। মাত্ৰ ১৫ মিনিটৰ ভিতৰত শিক্ষাৰ্থীসকলৰ এটি দল গীটাৰৰ সংগত গীতটো গাবলৈ সক্ষম হৈছিল। এই প্ৰক্ৰিয়াৰ বিষয়ে কথা পাতি আয়ুক্ত শৰ্মাই ক'লে, "সংগীত এটা সৰ্বজনীন ভাষা, যিয়ে মানুহৰ মন আৰু আত্মাক সংযোগ কৰে। মোৰ উদ্দেশ্য আছিল শিশুসকলক দেখুৱাব যে সঠিক নিৰ্দেশনা আৰু উৎসাহৰ সৈতে তেওঁলোক অতি কম সময়ৰ ভিতৰত অসাধাৰণ কাম কৰিব পাৰে।" তেওঁৰ এই উদ্ভাৱনীমূলক পদ্ধতিয়ে শিক্ষাৰ্থীসকলৰ মাজত আত্মবিশ্বাসৰ সঞ্চাৰ কৰাৰ লগতে তেওঁলোকৰ সৃজনশীল সম্ভাৱনাকো উদঘাটিত কৰিলে। কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে এই অভিজ্ঞতাক অবিস্মৰণীয় বুলি বৰ্ণনা কৰিছে। ৫ম শ্ৰেণীৰ ছাত্ৰী এগৰাকী ক'লে, "মই কেতিয়াও ভবা নাছিলোঁ যে গীটাৰ বজোৱা ইমান সহজ হ'ব পাৰে। আয়ুক্ত চাৰে আমাক এনেকৈ শিকাইছিল যে আমি নিজেই আচৰিত হৈছিলোঁ যে ১৫ মিনিটৰ ভিতৰত গীত গাব পাৰিছোঁ।" আন এজন ছাত্ৰই ক'লে, "এই অভিজ্ঞতাই মোক সংগীতৰ প্ৰতি আৰু অধিক আগ্ৰহী কৰি তুলিছে। মই এতিয়া নিয়মীয়াকৈ গীটাৰ শিকিব বিচাৰো।" এই গ্ৰীষ্মকালীন কৰ্মশালাৰ জৰিয়তে নগাঁও জিলা প্ৰশাসনে শিক্ষাৰ্থীসকলৰ মাজত শিক্ষাৰ পৰিৱেশক আৰু জীৱন্ত কৰি তুলিবলৈ চেষ্টা কৰিছে। আয়ুক্ত দেৱাশীষ শৰ্মাৰ এই উদ্যোগে কেৱল শিক্ষাৰ্থীসকলৰ মাজত সৃজনশীলতাক উৎসাহিত কৰাই নহয়, তেওঁলোকৰ মাজত নতুন দক্ষতা শিক্ষাৰ প্ৰতি আগ্ৰহও জগাই তুলিছে। জিলা প্ৰশাসনৰ তৰফৰ পৰা জানিব পৰা গৈছে যে ভৱিষ্যতে এনেধৰণৰ আৰু কৰ্মশালা আয়োজনৰ পৰিকল্পনা কৰা হৈছে, য'ত শিক্ষাৰ্থীসকলৰ বাবে সংগীত, শিল্পকলা আৰু অন্যান্য সৃজনশীল ক্ষেত্ৰত প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰা হ'ব। এই কৰ্মশালাসমূহৰ লক্ষ্য হৈছে শিক্ষাৰ্থীসকলক তেওঁলোকৰ স্কুলীয়া শিক্ষাৰ বাহিৰেও ব্যক্তিগত বিকাশৰ সুযোগ প্ৰদান কৰা।নগাঁও জিলা অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বৰদোৱাৰ দৰে ঐতিহাসিক স্থানৰ বাবে বিখ্যাত এই জিলাৰ সাংস্কৃতিক পৰিৱেশে এনে কৰ্মশালাসমূহৰ বাবে এক উৎকৃষ্ট পটভূমি প্ৰদান কৰে। আয়ুক্ত শৰ্মাৰ এই পদক্ষেপে জিলাৰ সাংস্কৃতিক সমৃদ্ধিৰ সৈতে আধুনিক শিক্ষণ পদ্ধতিৰ সংযোগ ঘটাইছে, যিয়ে শিক্ষাৰ্থীসকলক পৰম্পৰাগত আৰু সমসাময়িক কলাৰ মাজত সেতুবন্ধন গঢ়ি তুলিবলৈ সহায় কৰিছে। নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাৰ এই উদ্যোগে শিক্ষাৰ্থীসকলৰ মাজত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। তেওঁৰ এই অভিনৱ শিক্ষণ পদ্ধতিৰ জৰিয়তে কণ কণ শিক্ষাৰ্থীয়ে কেৱল গীটাৰ বজোৱা আৰু গীত গোৱাই শিকা নাই, তেওঁলোকে নিজৰ সৃজনশীলতা আৰু আত্মবিশ্বাসৰ নতুন মাত্ৰা আৱিষ্কাৰ কৰিছে। এই কৰ্মশালাৰ সাফল্যই নগাঁও জিলাৰ শিক্ষা আৰু সাংস্কৃতিক পৰিৱেশত এক নতুন অধ্যায়ৰ সূচনা কৰিছে, যিয়ে ভৱিষ্যত প্ৰজন্মৰ বাবে প্ৰেৰণাৰ উৎস হৈ থাকিব।

# অখিল ভাৰতীয় সাহিত্য পৰিষদ ডিব্ৰুগড় জিলা শাখাৰ উদ্যোগত গুৰু পূৰ্ণিমা তিথি পালন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৪ জুলাই ঃ** অখিল ভাৰতীয় সাহিত্য পৰিষদ ডিব্ৰুগড় জিলা শাখাৰ উদ্যোগত ডিব্ৰুগড়স্হিত মৌৰ্য হোটেলত গুৰু (ব্যাস) পূৰ্ণিমা তিথি পালন কৰা হয়। গুৰু (ব্যাস) পূৰ্ণিমা ,আহাৰ মাহৰ পূৰ্ণিমাৰ তিথি, ভাৰতীয় সংস্কৃতিৰ এক পৱিত্ৰ তিথি হিচাপে পালন কৰা হয়।অখিল ভাৰতীয় সাহিত্য পৰিষদ ডিব্ৰুগড় জিলা শাখাৰ স্থায়ী সভাপতি ধনীৰাম বৰুৱাৰ সভাপতিত্বত মুখ্য অতিথি হিচাপে সুলেখক, শিশু সাহিত্যক ডাঃ বিপিন চন্দ্ৰ কাকতিয়ে ব্যাস পূৰ্ণিমাৰ তিথিৰ মাহাত্ম্য আৰু ব্যাসদেৱৰ জীৱনৰ ওপৰত বহুলভাৱে আলোকপাত কৰি এক গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়।ইয়াৰ পিছতেই সভাত উপস্থিত ক্ৰমে ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত কৃতী শিক্ষক সু-লেখক, সাহিত্যিক গন্ধেশ্বৰ শইকীয়া , শিশু সাহিত্য সমাজ অসম'ৰ ৰ সভাপতি প্ৰসেনজিৎ কুমাৰ গোস্বামী ,শিশু সাহিত্যিক সু-লেখক কিৰণ মেচ, বিশিষ্ট কবি, সাহিত্যিক ৰুদ্ৰ গগৈ, শাখাৰ সংৰক্ষক মনোহৰ বাৰ্মা , লুইতপৰীয়া সাহিত্য সভাৰ সভাপতি সুৰেশ আগৰৱালা, শ্ৰদ্ধাৰ পুস্পা বকুলচৰীয়া, বিনোদ দাস আৰু, টিকেন্দ্ৰজিৎ গগৈয়ে মহৰ্ষি ব্যাস দেৱৰ ওপৰত বক্তব্য আগবঢ়ায় । সভাত আজীৱন সদস্য মায়া সন্দিকৈ ,কাঞ্চন বৰুৱা ,সুমন শৰ্মা, সন্দীপ আগৰৱালা আৰু যথেষ্ট সংখ্যক অতিথি আৰু সদস্য উপস্থিত থাকে। উক্ত অনুষ্ঠানত গন্ধেশ্বৰ শইকীয়াক এখনি ফুলাম গামোচা, চেলেং চাদৰ আৰু সম্বৰ্দ্ধনা পত্ৰ প্ৰদান কৰি সন্মানীত কৰে।অনুষ্ঠানত অনিমা বৰা সোণোৱাল, জিনুমণি ভূএগ্ৰা আৰু প্ৰীতিৰেখা বৰুৱা বৰগোহাঁইয়ে গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

## ভূৰাগাঁৱত অসম জাতিয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলা সমিতিৰ বৰ্ধিত কাৰ্যনিবাহক

# দিঘলিআটিৰ গৰাখহনীয়া অঞ্চল পৰিদৰ্শন কেন্দ্ৰীয় নেতৃত্বৰ ৰিং বান্ধ নিৰ্মাণৰ দাবী

**অসম বাৰ্তা, ভূৰাগাঁও, ১৪ জুলাই ঃ** আজি মৰিগাঁও জিলাৰ ভূৰাগাঁও হৰিচৰণ সৰকাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত হয় অসম জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদ মৰিগাঁও জিলা সমিতিৰ বৰ্ধিত কাৰ্যনিবাহক সভা। সংগঠন টোৰ মৰিগাঁও জিলাৰ ভূৰাগাঁও আঞ্চলিকৰ আতিথ্যত জিলা সভাপতি মিৰ্জা আৰিফ আলমৰ সভাপতিত্বত অনুষ্ঠিত বৰ্ধিত কাৰ্যনিবাহক সভাখনত উপস্হিত থাকে অসম জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দীয় সমিতিৰ সম্পাদক বিজন বায়ন, কেন্দ্ৰীয় কাৰ্যনিবাহক ৰোহিত শৰ্মা, লক্ষেশ্বৰ



দাস, জিলা সাধাৰণ সম্পাদক মাধুৰ্য ময়ুৰ বৰা, উপদেষ্টা জ্যোতিৰ্ময় গোস্বামী, মমিন দাস, আৰু বিশেষ অতিথি হিছাবে অসম ৰাজ্যিক সাংবাদিক সন্হাৰ সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকাকে প্ৰমোখ্য কৰি সংগঠন টোৰ আৰু বহুকেইজন নেতৃস্থানীয় লোক উপস্হিত থাকে। বৰ্ধিত কাৰ্যনিবাহক সভাখনত সংগঠন টোৰ সাংগঠনিক দিশ সম্পৰ্কে আলোচনা কৰাৰ সমান্তৰালকৈ ভূৰাগাঁও অঞ্চলৰ কেবাটাও জলন্ত সমস্যা সমাধানৰ দাবীত এখন স্মাৰক পত্ৰ প্ৰস্তুত কৰি মুখ্যমন্ত্ৰীলৈ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত স্মাৰক পত্ৰ খনত উল্লেখিত দাবী সমূহ ক্ৰমে ভূৰাগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ভূৰাগাঁও মহাবিদ্যালয়ত বানিজ্য আৰু বিজ্ঞান শাখাৰ ব্যৱস্হা কৰা, ভূৰাগাঁও চিকিৎসালয় খন ১০০ খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নিত কৰা, ভূৰাগাঁৱত পথলৈ ৰূপান্তৰ কৰা নৱনিৰ্মিত মাথাউৰী পকিকৰণৰ তাৎক্ষনিক ব্যৱস্হা কৰা, ভূৰাগাঁৱত নৱনিৰ্মিত মাথাউৰীৰ বাহিৰত পৰা ১০-১২টা শিক্ষানুষ্ঠান, চিকিৎসালয়কে প্ৰমোখ্য কৰি প্ৰায় ৫০০ পৰিয়ালক বানৰ কবলৰ পৰা সকাহ দিবৰ বাবে পুৰণা মাথাউৰীৰ সৈতে নতুন মাথাউৰীক সংযোগ কৰি দিঘলিআটিৰ পৰা নতুন মাথাউৰীলৈ এটি ৰিং বান্ধ নিৰ্মাণ কৰাকে প্ৰমোখ্য কৰি ভালেকেইটা দাবী উত্থাপন কৰা হয়। কাৰ্যনিবাহক সভাৰ অন্তত অসম জাতিয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক বিজন বায়নৰ নেতৃত্বত প্ৰায় ৫০ জনীয়া এটি সজাতি দলে ভূৰাগাঁৱৰ দিঘলিআটিৰ পুৰণা ভগ্ন মাথাউৰীটো পৰিদৰ্শন কৰে আৰু স্হানীয় লোক সকলৰ পৰিস্হিতিৰ বুজ লয়। বায়নে অঞ্চল টো পৰিদৰ্শন কৰি কয় যে - জলসম্পদ বিভাগে নদীৰ পৰা দুৰত্ব ৰক্ষা কৰি এডিবিৰ পুঁজিৰে যিটো মাথাউৰী নিৰ্মাণ কৰিছে সেই মাথাউৰী টোৱে জিলা খনক বানৰ কবলৰ পৰা বহু পৰিমানে ৰক্ষা কৰিছে। তাৰ বাবে আমি জলসম্পদ বিভাগক কৃতজ্ঞতা জনাই ছো। কিন্তু মাথাউৰীৰ বাহিৰত প্ৰায় পাছশতাধিক পৰিয়ালৰ বাসগৃহৰ লগতে বহু শিক্ষানুষ্ঠান, চিকিৎসালয় আদি আছে। সেইবাবে সেই লোক সকলক ৰক্ষা কৰিবৰ বাবে এটা ৰিং বান্ধৰ অতি প্ৰয়োজন আছে। চৰকাৰে তথা জলসম্পদ বিভাগে এটা ৰিং বান্ধ অনতিবলম্বে নিৰ্মাণ কৰি সেইসকল লোকৰ লগতে অনুষ্ঠান সমূহক বানৰ কবলৰ পৰা ৰক্ষা কৰিবৰ বাবে আমি দাবী জনাইছো। এনেদৰে কয় কেন্দ্ৰীয় সম্পাদক বিজন বায়নে।

# ঐতিহাসিক নিমাটিঘাট ব্ৰহ্মপুত্ৰৰ চাপৰিত ক্ষেত্ৰ অধ্যয়নেৰে সামৰণি দুদিনীয়া সাংবাদিক কৰ্মশালা

## বানপানীৰ সমস্যা মথাউৰি বান্ধি সমাধান কৰা সম্ভৱ নহয় ঃ কেশৱ কৃষ্ণ ছত্ৰধৰা

**অসম বাৰ্তা, নিমাতীঘাট, ১৪ জুলাই ঃ** ঐতিহাসিক নিমাটিঘাট আৰু ব্ৰহ্মপুত্ৰৰ চাপৰিত ক্ষেত্ৰ অধ্যয়নেৰে আজি সামৰণি পৰে সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতি আৰু সাংবাদিক কল্যাণ নিধিৰ উদ্যোগত আয়োজিত দুদিনীয়া সাংবাদিক কৰ্মশালা। উল্লেখ্য যে কালি নগৰৰ হোটেল নিউ পাৰ্কত আৰম্ভ হোৱা গোলকীয় উষ্ণতা বৃদ্ধি আৰু জীৱ বৈচিত্ৰ্যলৈ ভাবুকি শীৰ্ষক কৰ্মশালাৰ আজি অন্তিম দিনা নিমাতি ঘাটৰ চাংপ' ৰিভাৰ ক্ৰুজত কৰ্মশালাৰ চতুৰ্থ তথা অন্তিম সত্ৰত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে বিশিষ্ট পৰিৱেশ কৰ্মী তথা নদী-গৱেষক কেশৱ কৃষ্ণ ছত্ৰধৰাই। জলবায়ু পৰিবৰ্তন: সহাৰস্থানৰ দৃষ্টিৰে নদী, পানী আৰু আমি শীৰ্ষক বক্তব্য আগবঢ়াই ছত্ৰধৰাই কয় : নদীক আমি আজিও বুজি পোৱা নাই। নদীয়ে ধেমালি কৰে, খেলে আৰু খং কৰে। নদীক প্ৰাকৃতিকভাৱে মুক্ত হৈ থাকিবলৈ দিব লাগে। বাধা দি নদীক ৰাখিব নোৱাৰি। বানপানীৰ সমস্যা মথাউৰি বান্ধি সমাধান কৰা সম্ভৱ নহয়। যদি সম সম্ভৱ হল হেতেন, ইমান দিনে অসমতে হওক বা আন আন উন্নত দেশত কাহানিবাই বান পানীৰ সমস্যা সমাধান হল হেতেন। এতিয়া সেই কথা বুজি উঠি আনকি বহু উন্নত দেশত মথাউৰিবোৰ ভাঙি দি নদীক মুক্ত ভাৱে বৈ যাবলৈ দিছে। এইদৰে নিজৰ বক্তব্য আগবঢ়াই তেওঁ আৰু কয় যে নদীয়ে জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতাত প্ৰভাৱ পেলায়। বায়ু পৰিৱৰ্তনৰ ফলত ঠায়ে-ঠায়ে হোৱা বৰষুণ আৰু জীৱ-বৈচিত্ৰ্যলৈ হোৱা ভাবুকিৰ সন্দৰ্ভত ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰি লাভ কৰা অভিজ্ঞতা ব্যাখ্যা কৰি কয়, জল আৰু বায়ু পৰিৱৰ্তনৰ কাৰণ ঠায়ে-ঠায়ে অধ্যয়ন কৰি সেই স্থানত বসবাস কৰি থকা লোকসকলক হৃদয়ংগম কৰালেহে সমস্যাটোৰ সমাধান হ'ব। এই ক্ষেত্ৰত সাংবাদিকসকলৰ যথেষ্ট কৰণীয় আছে। কিয়নো, জল আৰু বায়ু পৰিৱৰ্তন তথা উষ্ণতা বৃদ্ধি আৰু জীৱ-বৈচিত্ৰ্যলৈ ভাবুকি আনিছে কেৱল মানুহে। মানুহক বুজোৱা লোকৰ সংখ্যা একেবাৰে সীমিত। সেয়ে পৃথিৱীখনৰ আজি এনে অৱস্থা হৈছে। গাঁও ভিত্তিত অথবা এলেকা ভিত্তিত সমস্যা সমাধানৰ বাবে প্ৰথমে নিজে উদ্যোগ লৈ কাম কৰাৰ লগতে প্ৰচাৰ কৰিলে হাতে-কামে কৰা দেখি মানুহে বুজিব আৰু আদৰ্শ গ্ৰহণ কৰিব। তেতিয়াই সমস্যাটোৰ সমাধান হ'ব। এই কাম কৰাৰ সময় সমাগত। কৰ্মশালাৰ মুখ্য আহ্বায়ক নৱজ্যোতি বৰুৱা, আজু যোৰহাট জিলা সমিতিৰ সভাপতি যোগেশ ওজাই আঁতধৰা সামৰণি অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকীকে একোখনকৈ মানপত্ৰ আজু যোৰহাট জিলা সমিতিৰ সৈতে জড়িতসকলে প্ৰদান কৰে। তাৰ পাছতে প্ৰশিক্ষাৰ্থীসকলক লৈ এখন জাহাজেৰে ব্ৰহ্মপুত্ৰৰ বুকুলৈ লৈ যোৱা হয়। এই যাত্ৰাকালতে সমল ব্যক্তি ছত্ৰধৰা আৰু স্থানীয় নদী পৰ্যটন-উদ্যোগী মানস দিহিঙীয়াই নিমাটিৰ গৰা খহনীয়া, নদীখনৰ গতি-প্ৰকৃতি, নিমাতিৰ সমীপৱৰ্তী চাপৰিসমূহৰ বৰ্তমানৰ অৱস্থা, তাত বসবাস কৰা জীৱ-জন্তুসমূহৰ গতি-প্ৰকৃতিসমূহৰ বিষয়ে বৰ্ণনা কৰে আৰু কৰ্মশালাত অংশগ্ৰহণ কৰা সাংবাদিক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। সম্পূৰ্ণ ব্যতিক্ৰমী পৰিৱেশত অনুষ্ঠিত এই কৰ্মশালা তথা ক্ষেত্ৰ অধ্যয়নত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ অৰ্ধ শতাধিক সাংবাদিক আৰু গণ মাধ্যম আৰু সাংবাদিকতা বিভাগৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে চাংপ' ৰিভাৰ ক্ৰুজত অংশ গ্ৰহণকাৰী সকলে একোটাকৈ গছপুলিও ৰোপণ কৰে।

# ডেকা গাঁৱত গছপুলি ৰোপণ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৪ জুলাই ঃ** লাচিত কৃষ্টি বিকাশ কেন্দ্ৰ ডেকাগাঁওৰ উদ্যোগত গ্ৰীষ্মকালীন শিবিৰৰ লগত সংগতি ৰাখি আজি গছপুলি ৰোপণ কৰা হয়। লাচিত কৃষ্টি বিকাশ কেন্দ্ৰ, গ্ৰাম্য পুথিভঁৰালৰ সভাপতি ডাঃ ৰানা সন্দিকৈৰ নেতৃত্বত গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে হৰকান্ত হাতিবৰুৱা, শুভদ্ৰা বৰুৱা, লখিমী হাতিবৰুৱা, মালতী গগৈ।

# ৰূপাই চাইডিঙৰ ধৰ্মপ্ৰাণ মহিলা ইলা শৰ্মাৰ মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৪ জুলাই :** ডুমডুমাৰ ৰূপাই চাইডিং লাচিত নগৰ নিবাসী সৰবৰহী ধৰ্মপ্ৰাণ মহিলা ইলা শৰ্মা (৮২)ৰ আজি পুৱা ৪-৩০ মান বজাত পৰলোকপ্ৰাপ্তি ঘটে ।এলেকাটোৰ ধৰ্মীয় অনুষ্ঠানৰ লগতে সামাজিক সংগঠনৰ লগতো জড়িত হৈ থকা ইলা শৰ্মা কিছুদিন পূৰ্বে হৃদৰোগত আক্ৰান্ত হৈ ৰূপাই চাইডিঙৰ ডাঃ ডি. চি. বৰা নাৰ্চিং হোমত চিকিৎসাধীন হৈ আছিল ।আজি পুৱা চিকিৎসাধীন অৱস্থাত তেখেতৰ মৃত্যু হয় ।তেখেত বিশিষ্ট ক্ৰীড়াবিদ, ফুটবল ৰেফাৰী, সমাজকৰ্মী, ক্ৰীড়া পেঞ্চনাৰ প্ৰয়াত যাদৱ শৰ্মাৰ সহধৰ্মিনী আছিল ।আজি ডুমডুমা ৰাজহুৱা শ্মশানঘাটত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত তেখেতৰ শেষকৃত্য সম্পন্ন কৰা হয় ।তেখেতে এজন পুত্ৰ আৰু এগৰাকী কন্যা সহ বহু আত্মীয়ক ইহ সংসাৰত এৰি থৈ গৈছে। তেখেতৰ মৃত্যুত অসম হেণ্ডবল সন্থাৰ নব-নিৰ্বাচিত সাধাৰণ সম্পাদক সৌৰভ ভগত, ৰূপাই বহুমুখী সংঘ, লাচিত নগৰ নামঘৰ, ঐক্যম, ডুমডুমা ক্ৰীড়া সন্থা , ৰূপাই শাখা সাহিত্য সভা, ডুমডুমা শাখা সাহিত্য সভা, ডুমডুমা শঙ্কৰী কলা কৃষ্টি বিকাশ মঞ্চ, ডুমডুমা শিৱ মন্দিৰ সমিতি, আদি অনুষ্ঠান প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।

## ৰাইজৰ ৰোষত আৰক্ষী বিষয়া, ঘটনাস্থলীত আৰক্ষীৰ শীৰ্ষ বিষয়া উপস্থিত

# বাঘবৰৰ শিলোচী পাথাৰত আৰক্ষীৰ বাহনৰ খুন্দাত গুৰুতৰভাৱে আহত স্কুলীয়া শিশু

**অসম বাৰ্তা, বাঘবৰ, ১৪ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ আৰক্ষী থানাৰ অন্তৰ্গত শিলোচী পাথাৰত আৰক্ষীৰ বাহনৰ খুন্দাত এগৰাকী শিশু গুৰুতৰভাৱে আহত হোৱা ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত হৈ পৰে পৰিস্থিতি। জানিব পৰা মতে, বাঘবৰ আৰক্ষী থানাৰ এ এছ-৩০-৯২১৪ নম্বৰৰ তীব্ৰবেগী বাহনখনৰ খুন্দাত গাঁৱখনৰ নবজেশ আলীৰ পুত্ৰ শ্বাকিবুল ইছলাম (৮) নামৰ শিশুটি গুৰুতৰভাৱে আহত হয় । স্থানীয় লোকে ব্যক্ত কৰা মতে, মিলিজুলিস্থিত 'এ'লৈ ইংলিশ একাডেমী'ৰ পৰীক্ষা দি ছাত্ৰ শ্বাকিবুল ইছলাম ঘৰৰ পদুলিমুখত থিয় হৈ থকা অৱস্থাতে বৰপেটাৰ পৰা বাঘবৰ থানা অভিমুখে গৈ থকা বাহনখনে খুন্দিয়ায় শিশুটিক ।লগে লগে শিশুটিক স্থানীয় লোকে মন্দিয়া আদৰ্শ চিকিৎসালয়লৈ নি ভৰ্ত্তি কৰায় যদিও শিশুটিক সংকটজনক অৱস্থাত উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। ইপিনে ঘটনাক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনাৰ সৃষ্টি হয় বৃহত্তৰ বাঘবৰ অঞ্চলটোত ।একাংশ লোকে অভিযোগ কৰা মতে, দুৰ্ঘটনা সংঘটিত কৰা গাড়ীখন আৰক্ষীৰ লোকৰ পৰিৱৰ্তে থানাত থকা ৰকিবুল ইছলাম নামৰ এজন স্থানীয় যুৱকে চলাইছিল আৰু যুৱকজন সুৰামত্ত অৱস্থাত আছিল বুলি অভিযোগ তুলিছে । অভিযোগ অনুসৰি গাড়ীখনত চাৰিজন আৰক্ষীৰ লোক থকাৰ উপৰিও বাঘবৰ থানাৰ দালাল শ্ৰেণীৰ বিশেষ লোক এজন উপস্থিত আছিল । এই দালাল সকলৰ জৰিয়তে বাঘবৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উজ্জ্বল পেগুৱে বিভিন্ন কাম কৰাৰ অভিযোগ উত্থাপন কৰি তীব্ৰ ক্ষোভ ব্যক্ত কৰিছে অঞ্চলবাসীয়ে। ঘটনাস্থলীত গাড়ীৰ ভিতৰত এই দালাল কেইজনক দেখি অধিক উত্তপ্ত হৈ পৰে পৰিস্থিতি। পৰবৰ্তী সময়ত চিকিৎসালয়ৰ সন্মুখত উত্তেজিত ৰাইজৰ ৰোষত পৰে বাঘবৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উজ্জ্বল পেগু।চালক ৰকিবুল ইছলাম চিকিৎসালয়ৰ ভিতৰত লুকুৱাই আছিল চালক জন । পিছত চালক ৰকিবুল ইছলামক দেখি উত্তেজিত ৰাইজে উত্তম মাধ্যম দিয়া অৱস্থাত কোনোমতে ৰক্ষা কৰে আৰক্ষীয়ে । আৰক্ষী বিষয়া উজ্জ্বল পেগুৰ এনে দায়িত্বহীনতাৰ বিৰুদ্ধে উত্তেজিত একাংশ লোকে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে ।উত্তেজিত জনতাই অসম পুলিচ হায় হায়, চালক ৰফিকুল ইছলামক গ্ৰেপ্তাৰ কৰক, দালাল মিজানুৰ ৰহমানক গ্ৰেপ্তাৰ কৰক,দালাল আবুল কালাম আজাদক গ্ৰেপ্তাৰ কৰক, দালাল আফজালুৰ ৰহমানক গ্ৰেপ্তাৰ কৰক, আমাক ন্যায় লাগে... আদি শ্ল'গান দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে চিকিৎসালয় চৌহদতে। ঘটনাৰ খবৰ পাই ঘটনাস্থলীত বৰপেটা আৰক্ষীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মামনি হাজৰিকা আৰু উপ-আৰক্ষী অধীক্ষক জীতেশ বৰ্মন উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে । আৰক্ষী অহাৰ আগতেই ঘটনা স্থলীৰ পৰা দালাল মিজানুৰ ৰহমান পলায়ন কৰে বুলি অভিযোগ উত্থাপিত হৈছে। উক্ত স্থানৰ পৰা গাড়ী চালক ৰকিবুল ইছলামক গ্ৰেপ্তাৰ কৰে বৰপেটা আৰক্ষীয়ে। ইপিনে মন্দিয়া মণ্ডল বিজেপিৰ সভাপতিয়ে আৰক্ষী বিষয়া উজ্জ্বল পেগুৰ বিৰুদ্ধে উত্থাপন কৰিছে আন এক গুৰুতৰ অভিযোগ । বিজেপি নেতা গৰাকীৰ অভিযোগ মতে, বাঘবৰ গাঁও পঞ্চায়ত গঠণৰ ক্ষেত্ৰত বিজেপিৰ সমৰ্থনত থকা ছয়জন ৱাৰ্ড সদস্যৰ ভিতৰত তিনিজন সদস্যক পূৰ্ব পৰিকল্পিতভাৱে আটক কৰি পঞ্চায়ত গঠণৰ নিৰ্ধাৰিত সময় পাৰ কৰিব বিচাৰিছিল আৰক্ষীয়ে । জানিব পৰা মতে বাঘবৰ থানাত দীৰ্ঘদিন ধৰি দালাল ৰাজ চলি থকাৰ সঘনাই গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বাঘবৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উজ্জ্বল পেগুৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ লগতে বাঘবৰ আৰক্ষী থানাত গিজগিজাই থকা বিশেষ দালাল আবুল কালাম আজাদ, মিজানুৰ ৰহমান উপৰিও সকলো দালাৰ বিৰুদ্ধেও ব্যৱস্থা লবলৈ জিলা আৰক্ষী অধীক্ষকৰ লগতে মুখ্যমন্ত্ৰী দাবী জনাইছে ৰাইজে।



# খেজুৰিতলত চিত্ৰাংকণ কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, জাঁজী, ১৪ জুলাই ঃ** শিৱসাগৰ জিলাৰ পিয়লি ফুকন শাখা সাহিত্য সভাৰ উদ্যোগত খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠৰ সহযোগত ৭ জুলাইৰ পৰা ১৪ জুলাইলৈকে আয়োজন কৰা চিত্ৰাংকণ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। শাখাৰ প্ৰাক্তন সভাপতি তথা শিৱসাগৰ জিলা সাহিত্য সভাৰ কবি সন্মিলন উপ-সমিতিৰ সভাপতি দেৱযানী মহন্তই বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা সভাখনিত উদ্দেশ্য ব্যাখ্যা কৰে শাখাৰ সম্পাদক মনীষা শইকীয়াই ।শাখাৰ সদস্যসকলে এটি সমবেত সঙ্গীত পৰিৱেশন কৰাৰ পাছতেই শাখাৰ সভাপতি মল্লিকা বেগমে আদৰণী ভাষণ আগবঢ়াই । ইয়াৰ পাছতেই চিত্ৰ ভাস্কৰ্যৰ প্ৰদৰ্শনী দ্বাৰ মুকলি কৰে শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক মনোজ কুমাৰ গগৈয়ে । প্ৰশিক্ষণত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা সুন্দৰ চিত্ৰ ভাস্কৰ্য প্ৰদৰ্শনীয়ে সকলোকে মুগ্ধ কৰে ।ইয়াৰ পাছতেই স্থানীয় অৱসৰপ্ৰাপ্ত শিক্ষক, সু-লেখক হাছান আলী,নামতি প্ৰেছ ক্লাৱৰ সম্পাদক জিয়াৰুদ্দিন আহমেদ,শিৱসাগৰ জিলা সাহিত্য সভাৰ সহকাৰী সাধাৰণ সম্পাদক দেৱযানী শইকীয়া গগৈ আদিয়ে বক্তব্য আগবঢ়াই ।সভাত শিৱসাগৰ জিলা সাহিত্য সভাৰ সাংস্কৃতিক উপ-সমিতিৰ সহ আহ্বায়ক শিখা বুঢ়াগোহাঁই, গেলেকী ন-পুখুৰী শাখা সাহিত্য সভাৰ সম্পাদক দিপালী ৰাধিকা দুৱৰা, শাখাৰ উপদেষ্টা দুৰ্লভ শইকীয়া,হেমন্ত গগৈ শাখাৰ বিষয়ববীয়া ক্ৰমে ডিম্পী চেতিয়া,সঙ্গীতা গগৈ,মল্লিকা চেতিয়া, ডিম্পী দেৱী শইকীয়া,বিশ্বজিৎ আৰন্ধৰা, মৌচুমী চুতীয়া,দীপ্তি চুতীয়া, জিনুমণি আৰন্ধৰা আদিৰ উপৰিও ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী অভিভাৱক উপস্থিত থাকে ।প্ৰশিক্ষণটিত সুন্দৰকৈ প্ৰশিক্ষণ দিয়া চিত্ৰশিল্পী শ্ৰীমন্তবিজয় আৰন্ধৰাক শাখাৰ তৰফৰ পৰা এখনি সম্বৰ্ধনাপত্ৰ আৰু মাননি প্ৰদান কৰা লগতে ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ প্ৰদান কৰা হয় ।দুটা শাখাত আয়োজিত প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা হয় ।নামতি অঞ্চলত প্ৰথমবাৰৰ বাবে এনে চিত্ৰ ভাস্কৰ্যৰ প্ৰদৰ্শনী অনুষ্ঠান আয়োজন কৰাৰ বাবে অভিভাৱকসকলে সন্তুষ্টি প্ৰকাশ কৰে ।

# আজিৰে পৰা বাহনা কলেজত হীৰক জয়ন্তীৰ শুভাৰম্ভণী

**অসম বাৰ্তা, বাহানা, ১৪ জুলাই ঃ** ১৯৬৬ চনৰ ১৫ জুলাইত প্ৰতিষ্ঠা হোৱা বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী কাইলৈৰ পৰা আৰম্ভ হ'ব। বহুজন শিক্ষাসদী আৰু ৰাইজৰ সহযোগত প্ৰতিষ্ঠা হোৱা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'ব লগীয়া হীৰক জয়ন্তীৰ পুৱা পতাকা উত্তোলন কৰিব অধ্যক্ষ চুম্বিত চলিহা,উদযাপন সমিতিৰ সভাপতি অনন্ত কুমাৰ বৰুৱাই আৰু স্মৃতি তৰ্পণ কৰিব মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডঃ মুনীন্দ্ৰ কোঁৱৰ,অৱসৰপ্ৰাপ্ত অধ্যাপক ক্ৰমে ৰঞ্জিতা ভট্টাচাৰ্য, নীতি পাত্ৰ,বিজয় কৃষ্ণ মহন্তই। দিনৰ ১০-৩০ বজাৰ পৰা হ'ব লগীয়া মূল সভাত প্ৰতিষ্ঠা দিৱসৰ বক্তৃতা প্ৰদান কৰিব অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামীয়ে। অৱসৰপ্ৰাপ্ত অধ্যাপক তথা লেখক নীৰেন বৰুৱাই হীৰক জয়ন্তী বৰ্ষৰ কাৰ্যসূচী উদ্বোধন কৰিব লগীয়া অনুষ্ঠানত মহাবিদ্যালয় প্ৰতিষ্ঠা কালৰ পৰা জৰিত গুৰুমহীয়ান বিনীত বৰাক সম্বৰ্ধনা জনোৱাৰ লগতে পদ্মশ্ৰী তথা প্ৰাক্তন ছাত্ৰী লখিমী বৰুৱা,অসম গৌৰৱ,প্ৰাক্তন ছাত্ৰ বিশ্বজিৎ বৰাক অভিনন্দন জনাব।

# ডুমডুমাৰ ৰূপাই চাইডিঙত পুখুৰীত পৰি এটি দেৱশিশুৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৪ জুলাই ঃ** কালি সন্ধিয়া ডুমডুমাৰ ৰূপাই চাইডিঙৰ বিজয় নগৰত এটি দেৱশিশু পুখুৰীত পৰি কৰুণ মৃত্যুক সাৱটি লোৱা এক হৃদয়বিদাৰক ঘটনাই এলেকাটোত গভীৰ শোকৰ ছাঁ পেলায়। ৰূপাই চাইডিঙৰ বিজয় নগৰৰ ৰুক্মিণী পথৰ বাসিন্দা গোবিন্দ মাহাত্বৰ আঢ়ৈ বছৰীয়া পুত্ৰ ধ্ৰুৱজ্যোতি মাহাত্বৰ নিজ ঘৰৰে পুখুৰীত পৰি কালি সন্ধিয়া কৰুণ মৃত্যু হয়। জানিব পৰা মতে কালি বিয়লি কণমানি ধ্ৰুৱজ্যোতিয়ে ঘৰৰ আগফালে খেলি আছিল । কিছু সময়ৰ পাছত কণমানি ধ্ৰুৱজ্যোতিক নেদেখি পৰিয়ালৰ লোক ব্যাকুল হৈ পৰে। ইফালে সিফালে বিচাৰিয়ো কণমানিক নেদেখি উপায়ন্তৰ হৈ ডুমডুমা আৰক্ষী থানাত অৱগত কৰে। শেষত কণমানিটোৰ নিঠৰ দেহ ঘৰৰ পিছফালৰ পুখুৰীত উদ্ধাৰ হয়। ডুমডুমা আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ শিশুটিৰ মৃতদেহটো চমজি লৈ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি পৰিয়ালক চমজাই দিয়ে।

## সম্পাদকীয়

# প্ৰশাসনিক উদাসীনতা আৰু জনতাৰ যন্ত্ৰণা

স্মাৰ্ট চিটি গুৱাহাটীৰ পথত ঘণ্টা ঘণ্টা আৱদ্ধ হৈ থাকোঁতে মনত পৰে— কিয় এজাক বৰষুণতে মহানগৰৰ অৱস্থা এনে হৈ পৰে? কিয় ৰাস্তাৰ বেয়া অৱস্থা, নলা-নৰ্দমাৰ জাবৰ আৰু ইয়াৰ মাজত প্ৰশাসনৰ নিষ্ক্ৰিয়তাৰ একেখন ছবি বাৰে বাৰে দেখিবলৈ পোৱা যায়? বিগত বৰ্ষত যি ঠাইত গাড়ীবোৰ পানীত বুৰ গৈছিল, সেই একেখন ছবি আকৌ বাতৰি কাকতত প্ৰকাশ পাইছে। প্ৰশ্ন হ'ল—এই ছবি আগন্তুক বছৰতো দেখিবলৈ পাব নেকি? কাৰণ প্ৰশাসন আৰু নাগৰিক সুবিধাৰ দায়িত্বত থকা ব্যক্তিসকলে এই সমস্যালৈ আওকাণ কৰে, আৰু মাধ্যমবোৰেও কেইদিনমানৰ আলোচনাৰ পিছত এই বিষয় পাহৰি যায়। ৰাজ্যৰ বহুতো দলং বিপদজনক অৱস্থাত আছে, কিন্তু এই ঘটনাবোৰৰ পিছত দায়ী বিষয়াবোৰৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা হৈছে নেকি? উত্তৰ—নাই। কাৰণ গৱেষণা আৰু ন্যায় প্ৰণালী ইমান মন্থৰ যে, যেতিয়া সিদ্ধান্ত ওলায়, তেতিয়ালৈকে জনসাধাৰণৰ স্মৃতিও লোপ পায়। এই বিশৃংখলতাৰ আটাইতকৈ বেয়া প্ৰভাৱ সমাজৰ আটাইতকৈ দুখীয়া আৰু উপেক্ষিত শ্ৰেণীৰ ওপৰত পৰে। যোৱা সপ্তাহত, দিল্লীত দুজন পৰিচ্ছন্নতা কৰ্মীয়ে নৰ্দমা পৰিষ্কাৰ কৰোঁতে প্ৰাণ হেৰুৱালে। কাৰণ? তেওঁলোকক নিৰাপদ সঁজুলি প্ৰদান কৰা হোৱা নাছিল। ভাৰতত প্ৰতি বছৰে ৬০ৰ পৰা ৮০জন পৰিচ্ছন্নতা কৰ্মীয়ে নৰ্দমা পৰিষ্কাৰ কৰোঁতে মৃত্যুবৰণ কৰে। এনে ঘটনা নহ'বলৈ আইন আছে, কিন্তু কাৰ্যকৰী হোৱা নাই। ঠিকাদাৰ আৰু প্ৰশাসনৰ উদাসীনতাৰ বাবে এই মানুহবোৰ মৰি থাকে। যোৱা মাহত আমেৰিকাৰ টেক্সাছ ৰাজ্যত প্ৰায় ২০জন ভাৰতীয় নাগৰিকৰ মৃত্যু হৈছিল কিয়নো হঠাৎ বৰষুণৰ বাবে বানপানী হৈছিল। এই ঘটনাৰ পিছত ৰাজ্যপাল আৰু উচ্চপদস্থ বিষয়াসকল সাংবাদিকসকলৰ সন্মুখীন হ'ব লগা হৈছিল আৰু তেওঁলোকক জবাবদিহি কৰা হৈছিল। উন্নত দেশত এনেকুৱা হয় যাতে এনে দুৰ্ঘটনা বাৰে বাৰে নঘটে। কিন্তু আমাৰ দেশত উচ্চপদস্থ বিষয়াসকলে কেৱল নিজৰ পিঠিত চাপৰি মাৰি সন্তুষ্ট হয়। দুৰ্ঘটনাৰ পিছত তেওঁলোক উপস্থিত হয়, নহ'লে সাধাৰণ কথাৰে পৰিস্থিতি সামৰি লয়। এই সমস্যাৰ মূলত আছে প্ৰশাসনিক উদাসীনতা, দুৰ্নীতি আৰু দায়িত্বহীনতা। সাধাৰণ মানুহে এই পৰিস্থিতিৰ মাজত জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হয়। বৰষুণৰ পিছত যেতিয়া ৰাস্তাবোৰ পানীৰে ভৰি পৰে, গাড়ীবোৰ আৱদ্ধ হয়, তেতিয়া আমাৰ মনত পৰে—এই সমস্যাৰ সমাধান কিয় নহয়?

আধুনিক নাটকৰ লগত সংলগ্ন হৈ থকা শব্দ এটা হৈছে 'থিয়েটাৰ'। 'থিয়েটাৰ' (theater)ৰ উৎপত্তি হৈছে গ্ৰীক শব্দ 'theatron'ৰ পৰা। যাৰ অৰ্থ হৈছে, এক স্থান, য'ত জীৱন্ত বা বাণীবদ্ধ কৰ্ম প্ৰদৰ্শন কৰা হয় (location, where live or recorded performances occur.)। Theatron-ত বহি প্ৰাচীন গ্ৰীক নাগৰিকে অনুষ্ঠান উপভোগ কৰিছিল। প্ৰায় ৬৬০ খ্ৰীষ্টপূৰ্বত গ্ৰীছত 'ডাইঅ'নিছীয়' নামৰ উৎসৱ পালন কৰা হৈছিল। সেই উৎসৱৰ মাধ্যমত গ্ৰীছত নাট্যকলাৰ বিকাশ আৰম্ভ হৈছিল আৰু ৫৩৪ খ্ৰীষ্টপূৰ্বত এথেন্সত প্ৰথমবাৰৰ বাবে নাট মহোৎসৱ অনুষ্ঠিত হৈছিল বুলি জনা যায়।

# নাট্যশাস্ত্ৰৰ পৰা যাত্ৰা পাৰ্টিৰ বাটেৰে ভ্ৰাম্যমাণলৈ

ড° আৰ কে বেজবৰুৱা

সাহিত্য, সংগীত আৰু নৃত্যৰ নান্দনিক চেতনাক মানুহৰ মন-মগজুত আলোকিত কৰা পৰিৱেশ্য কলাক নাটক হিচাপে নামাংকিত কৰা হৈছিল ভাৰতত প্ৰচীন কালতেই। কোনো ভাৰত নামৰ মণিষী এগৰাকীয়ে খ্ৰীষ্টজন্মৰ ২০০ বছৰৰ পৰা যীশুখ্ৰীষ্টৰ জন্মৰ পিছৰ ২০০ বছৰৰ ভিতৰত সংস্কৃতত 'নাট্যশাস্ত্ৰ' নামৰ গ্ৰন্থ ৰচনা কৰা হৈছিল। গ্ৰন্থকাৰৰ নাম ভাৰত মুণি বুলি পোৱা যায়। ই এখন নাট্য বিষয়ৰ প্ৰাচীন বিশ্বকোষ। নাট ৰচনা, পৰিচালনা, অভিনয়, শব্দ প্ৰক্ষেপ, সাজ-পোচাক, মঞ্চসজ্জা, বাদ্যযন্ত্ৰ প্ৰয়োগ, সংগীতৰ সমাবেশ, শৰীৰ সঞ্চালন আদি অনেক কথা নাট্যশাস্ত্ৰত সন্নিৱিষ্ট কৰা হৈছে। অকল সেয়াই নহয়, নাটকৰ উদ্দেশ্য আৰু লক্ষ্য, দৰ্শকৰ মনত ৰসাস্বাদন, নৈতিক আৰু আধ্যাত্মিক চেতনাৰ উন্মেষ, শিল্পীৰ পাৰদৰ্শিতা আদি নাট্য শাস্ত্ৰৰ বিষয়বস্তু। নাটক সম্বন্ধে এনে এক উৎকৃষ্ট নিয়ম-নিৰ্দেশনা পৃথিৱীৰ কোনো স্থানত পোৱা নাযাব। তদুপৰি ভাৰত মুণিৰ নাট্যশাস্ত্ৰ ওপৰত অভিনৱ গুপ্তই 'অভিনৱভাৰতী' নামৰ টিকা ভাষ্য প্ৰস্তুত কৰি নাট্য শাস্ত্ৰৰ মহত্ব প্ৰতিপন্ন কৰি থৈ গৈছে। সেই টীকাত অভিনৱ গুপ্তই নাটকৰ ৰস, ধ্বনি আৰু ভাৰতীয় নন্দনতত্ত্বৰ সৰল ব্যাখ্যা আগবঢ়াইছে। পৰৱৰ্তী কালত অভিজ্ঞানম শকুন্তলম, সেতু বন্ধ, মৃচ্ছকটিকম, মুদ্ৰাৰাক্ষস আদি নাটকে ভাৰতীয় নাট্য সাহিত্যক শ্ৰেষ্ঠতম কলা ৰূপে প্ৰতিষ্ঠিত কৰিছে।

তুলনামূলক ভাৱে ইংৰাজ সমাজ বা ইংৰাজী সাহিত্যত নাটকৰ সৃষ্টি হয় ১৮৯৬ চনমানৰ পৰা। ইংৰাজ কবি তথা নাট্যকাৰ উইলিয়াম শ্বেইকছপীয়েৰে পাশ্চাত্যত নাটকৰ মুখ্য ধাৰাটো প্ৰৱৰ্তন কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত সকলোবোৰ নাটকৰ শাৰীলৈ উত্তীৰ্ণ হোৱা নাছিল যদিয়ো সেইবোৰ আছিল প্ৰধানতঃ প্ৰেম-প্ৰীতি, যুদ্ধ, ক্ষমতা কেন্দ্ৰীক বিশ্বাস ঘাটকতা আৰু তাৰ পৰিণতিৰ প্ৰদৰ্শন। শ্বেইকছপীয়েৰৰ নাটকৰ পৰাই ট্ৰেজেডী-কমেডীৰ দুটা পৃথক ধাৰা আৰম্ভ হৈছিল। কিন্তু ভাৰতীয় নাটকত ট্ৰেজেডী-কমেডীৰ স্থান নাছিল।

আধুনিক নাটকৰ লগত সংলগ্ন হৈ থকা শব্দ এটা হৈছে 'থিয়েটাৰ'। 'থিয়েটাৰ' (theater)ৰ উৎপত্তি হৈছে গ্ৰীক শব্দ 'theatron'ৰ পৰা। যাৰ অৰ্থ হৈছে, এক স্থান, য'ত জীৱন্ত বা বাণীবদ্ধ কৰ্ম প্ৰদৰ্শন কৰা হয় (location, where live or recorded performances occur.)। Theatron-ত বহি প্ৰাচীন গ্ৰীক নাগৰিকে অনুষ্ঠান উপভোগ কৰিছিল। প্ৰায় ৬৬০ খ্ৰীষ্টপূৰ্বত গ্ৰীছত 'ডাইঅ'নিছীয়' নামৰ উৎসৱ পালন কৰা হৈছিল। সেই উৎসৱৰ মাধ্যমত গ্ৰীছত নাট্যকলাৰ বিকাশ আৰম্ভ হৈছিল আৰু ৫৩৪ খ্ৰীষ্টপূৰ্বত এথেন্সত প্ৰথমবাৰৰ বাবে নাট মহোৎসৱ অনুষ্ঠিত হৈছিল বুলি জনা যায়।

প্ৰাচীন গ্ৰীচৰ আৰ্হিত বিভিন্ন দেশত বিভিন্ন নাট্যানুষ্ঠানৰ উৎপত্তি হৈছিল। তাৰ বহুত আগতেই ধ্ৰুপদীয় ভাৰতীয় নাটকসমূহ বৈদিক কাহিনীৰ আধাৰত নৃত্য আৰু সংলাপৰ সামঞ্জস্যত অভিনীত হৈছিল, যাৰ বাবে দৰ্শকে বীৰত্ব প্ৰদৰ্শনৰ বাবে সততে উদ্বুদ্ধ হৈ উঠিছিল। সেই নাটসমূহৰ অনুপ্ৰেৰণাত নিজ দেশ, গাঁও বা নিজৰ মানুহৰ বাবে মানুহে জীৱন বলি দিবলৈয়ো ভয় কৰা নাছিল।

চীনতো জিংজাই (Jingxi) নামৰ এক থিয়েটাৰ শৈলীৰ জন্ম হৈছিল। সেই থিয়েটাৰত এক্ৰ'বেটিক বা জিমনাষ্টিক শৈলীত নাট পৰিৱেশন কৰা হৈছিল। জাপানত Noh theater আৰু সোতৰ শতিকাত সংগীত আৰু নৃত্য সংযোজিত বুনৰাকু (Bunraku) নামৰ পুতলা নাটেৰে কাহিনী ব্যাখ্যা কৰি লোক ৰঞ্জন কৰা হৈছিল। তদুপৰি 'কাবুকি থিয়েটাৰ'ত কাহিনীতকৈ অভিনেতাৰ অভিনয়ত বেছি প্ৰাধান্য দিয়া হৈছিল।

অসমত বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তনৰ কালখণ্ডত জগৎ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে অঙ্কীয়া নাটৰ ধাৰাবাহিকতা ৰক্ষা কৰি গীত-মাত-নৃত্যৰ মাজেৰে ধৰ্মৰ প্ৰতি মানুহৰ আকৰ্ষণ বৃদ্ধি কৰিছিল। সমসাময়িকভাৱে নামনি অসমতো কিছুমান যাত্ৰা পাৰ্টিৰ আবিৰ্ভাৱ ঘটিছিল। পুৰাণ, মহাভাৰত আৰু ৰামায়ণৰ বিভিন্ন কাহিনী লৈ যাত্ৰা পাৰ্টিৰ কলাকুশলীয়ে মানুহৰ



মনোৰঞ্জন কৰিছিল। এই যাত্ৰা পাৰ্টিসমূহৰ উদ্দেশ্য আছিল লোকৰঞ্জন আৰু অভিনয় কৌশলেৰে শিল্পীৰ আত্ম সন্তুষ্টি।

বৃটিছ পৰাধীনতাৰ শেষ চোৱাত বংগত নাট্যাভিনয়ৰ অনুশীলনৰ আৰম্ভণি ঘটিছিল। নাট অভিনয়ৰ ধাৰাটো বঙালী বাবুসকলে অসমলৈ আনিছিল। সেই সময়ত প্ৰদৰ্শিত বঙালী নাটসমূহ মূলতঃ শ্বেই'পীয়েৰৰ নাটৰ অনুবাদ আছিল। তাৰ আৰ্হিত অসমতো শ্বেইক্সপীয়েৰৰ নাটৰ অনুবাদ মঞ্চস্থ কৰা হৈছিল। 'ভ্ৰমৰঙ্গ' আছিল তেনেকুৱা এখন বিখ্যাত মঞ্চস্থ নাটক।

জনামতে, তিথিৰাম বায়ন নামৰ নৃত্য-বাদ্যত ব্যুৎপত্তি থকা ব্যক্ত এজনে ১৮৬০ চনত বৰপেটাত কেইজনমান কলা-কুশলী লৈ পোন প্ৰথমে যাত্ৰাদল এটা গঠন কৰিছিল। সেই যাত্ৰাদলে অসমৰ বিভিন্ন স্থানত নাট প্ৰদৰ্শন কৰি ফুৰিছিল। নাটকসমূহ কোনো বাকৰি নাইবা নামঘৰ-মন্দিৰৰ চোতালত অভিনীত হৈছিল আৰু তিনিফাল বা ঘূৰণীয়াকৈ বহি দৰ্শকে নাটক উপভোগ কৰিছিল। তাক 'খুলা পাৰ্টি' বা 'যাত্ৰা পাৰ্টি' বোলা হৈছিল। তিথিৰাম বায়নে গোবিন্দৰাম চৌধুৰীৰ দ্বাৰা ৰচিত 'ৰাম বনবাস' আৰু 'ৰাধিকাৰ মান ভঞ্জন' নাট প্ৰদৰ্শন কৰিছিল (গোবিন্দৰাম চৌধুৰী আছিল প্ৰসন্নলাল চৌধুৰীৰ ককাদেউতাক)। তাৰ লগতে বঙালী নাট্যকাৰৰ আন এখন নাট 'দুৰ্য্যোধনৰ উৰু-ভংগ'ও আছিল। তাৰ অনুকৰণত ১৮৬০ চনৰ পৰা ১৯৩০ চনমানলৈ অবিভক্ত কামৰূপ আৰু গোৱালপাৰা জিলাত কেবাটাও যাত্ৰা পাৰ্টিৰ দলৰ জন্ম হৈছিল। সৰুকালত ময়ো এনেকুৱা 'যাত্ৰা পাৰ্টি' বা 'খুলা পাৰ্টি' চোৱাৰ কথা মনৰ পৰা মচ খোৱা নাই।

'খুলা পাৰ্টি'ক নতুন ৰূপ দিয়াৰ কথা হয়তো বহুতেই ভাবিছিল। তাক আকাৰ দিবলৈ আগবাঢ়ি আহিছিল পাঠশালাৰ নাট্যকাৰ আৰু অভিনেতা সন্তৰাম চৌধুৰীয়ে। ১৯১০ চনত সন্তৰাম চৌধুৰীয়ে গঠন কৰিছিল 'পাঠশালা থিয়েটাৰ পাৰ্টি'। তেখেতে মঞ্চ সাজি অভিনয় কৰিব পৰাকৈ সা-সঁজুলি তৈয়াৰ কৰি লৈছিল। সেইবোৰ এখন ঠাইৰ পৰা আন এঠাইলৈ কঢ়িয়াই লৈ যোৱাৰ ব্যৱস্থা কৰি যাত্ৰা পাৰ্টিক এক নতুন দিগন্ত প্ৰদান কৰিলে।

পাঠশালাৰ ওচৰৰ শিলা গাঁৱৰ ব্ৰজনাথ শৰ্মাই প্ৰথম বিশ্বযুদ্ধত সেনা-বাহিনীত যোগ দি ১৯১৭ চনৰ পৰা ১৯২১ চনলৈ তেওঁ বছেৰাত কটাইছিল। সেই সময়ছোৱাত জৰ্জ নামৰ ইংৰাজ এজনৰ প্ৰভাৱত 'ৰৈষ্ট-বেংগল ড্ৰামাটিক ক্লাব'ত নাটকৰ অভিনয় কৰাৰ সুযোগ পাইছিল। ১৯২১ চনত ব্ৰজ শৰ্মা ঘৰলৈ উভতি আহি বঙালী যাত্ৰা নাটকৰ আৰ্হিত নিজৰ গাঁৱত 'শিল্প ('শিলা?) কালিকা অপেৰা পাৰ্টি' নামৰে অভিনয় দল এটা গঠন কৰিলে। ১৯২৪ চনত তেওঁ সেই দলটো ভাঙি দিয়ে আৰু 'গণকবাৰী অপেৰা পাৰ্টি' গঠন কৰে।

'গণকবাৰী অপেৰা পাৰ্টি'য়ে পাঁচ বছৰ বিভিন্ন ঠাইত যাত্ৰাভিনয় কৰাৰ পিছত ব্ৰজ শৰ্মাই সেই দলটোও ভাঙি দিয়ে। তেওঁৰ নতুন পৰিকল্পনাত এইবাৰ জন্ম লভে ভ্ৰাম্যমাণ থিয়েটাৰৰ মাতৃস্বৰূপ 'কহিনুৰ অপেৰা পাৰ্টি'ৰ। ১৯৩০ চনত ব্ৰজ শৰ্মাই গঢ়ি তোলা 'কহিনুৰ অপেৰা পাৰ্টি'ৰ জনপ্ৰিয়তা দিনে দিনে বৃদ্ধি পাই গৈ থাকিল। অসমৰ বিভিন্ন স্থানত 'কহিনুৰ অপেৰা'ই নাট প্ৰদৰ্শন কৰি সমগ্ৰ অসমতে জনপ্ৰিয়তা বুটলিবলৈ সক্ষম হ'ল। এয়াই আছিল আৰম্ভণি। কহিনুৰ অপেৰাই ভ্ৰমণকাৰী নাট্যানুষ্ঠানৰ শিলান্যাস কৰিলে। ভৱিষ্যতত নাটকৰ পেছাদাৰী জগত এখন বা উদ্যোগ এটা গঢ়ি তোলাত 'কহিনুৰ অপেৰা পাৰ্টী' মাইলৰ খুটি হিচাপে চিহ্নিত হৈ ৰ'ল। 'কহিনুৰ অপেৰা পাৰ্টি'ৰ আৰ্হি লৈ সেই সময়ত নামনি অসমত আৰু কিছুমান অপেৰা পাৰ্টিৰ জন্ম হৈছিল। তাৰ ভিতৰত বিশেষ ভাৱে উল্লিখিত আছিল' নটৰাজ অপেৰা'। অবিভক্ত কামৰূপ জিলাৰ বজালী ১৯৫৯ চনত সদানন্দ লহকৰে 'নটৰাজ অপেৰা' গঠন কৰিছিল। পিছলৈ সদানন্দ লহকৰৰ জেষ্ঠ্য ভাতৃ অচ্যুত লহকৰে 'নটৰাজ অপেৰা'ক নতুন ৰূপত প্ৰতিষ্ঠিত কৰি তোলে আৰু সিয়েই পৰৱৰ্তী কালত অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ ৰূপত উদ্ভাষিত হৈ উঠে।

পাঠশালা নামৰ তেতিয়াৰ সৰু নগৰখনত থকা হৰিমন্দিৰৰ চোতালত অস্থায়ী প্ৰেক্ষাগৃহ স্থাপন কৰা হৈছিল আৰু তাতেই প্ৰথম বাৰৰ বাবে ১৯৬৩ চনৰ ২ অ'ক্টোবৰত নটসূৰ্য ফনী শৰ্মা ৰচিত ভ্ৰাম্যমাণৰ নাটক 'ভোগজৰা' মঞ্চায়ন কৰা হৈছিল। তেতিয়াও ভ্ৰাম্যমাণৰ লগত 'থিয়েটাৰ' শব্দটো সংযোগ কৰা হোৱা নাছিল। সেই বছৰতে প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাই গুৱাহাটী টাউন ক্লাবৰ সাহায্যাৰ্থে নটৰাজ অপেৰাক নাট প্ৰদৰ্শনৰ বাবে গুৱাহাটীলৈ নিমন্ত্ৰণ কৰিছিল। সেই সন্দৰ্ভত বাতৰি কাকতত ডাঙৰ হৰফেৰে বিজ্ঞাপন প্ৰচাৰ কৰিছিল 'বিশ্বৰ সৰ্বপ্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ' বুলি। তাৰ পিছৰে পৰাই অপেৰা পাৰ্টীয়ে 'ভ্ৰাম্যমাণ থিয়েটাৰ' বুলি পৰিচিত হৈ পৰে। যদিয়ো ব্ৰজনাথ শৰ্মাই ভ্ৰাম্যমাণ অপেৰা পাৰ্টীৰ আৰম্ভণি কৰিছিল, তাৰ আধুনিক ৰূপ আৰু মৌলিক গঠন দিয়া বাবে অচ্যুত লহকৰক ভ্ৰাম্যমাণ থিয়েটাৰৰ পিতৃ বুলি অভিহিত কৰা হয়।

প্ৰথম অৱস্থাত ভ্ৰাম্যমাণ থিয়েটাৰত একেখন মঞ্চতে দুটা ছেটৰ দ্বাৰা নাট প্ৰদৰ্শন কৰা হৈছিল। আছিল। এখন মঞ্চাভিনয়ৰ দৃশ্যৰ পৰিবৰ্তনৰ লগে লগে উপস্থিত কৰিব পৰাকৈ আনখন ছেট সাজু কৰি ৰখা হৈছিল। পিছলৈ আধুনিক কৌশল প্ৰয়োগ কৰি দুখন বা তিনিখন মঞ্চ সাজু কৰি ৰখা হৈছিল। মঞ্চৰূপা থিয়েটাৰত পোন প্ৰথমে 'টু ডাইমেনছন ষ্টেজ' বা 'স্থিতিশীল যুৰীয়া মঞ্চ' ব্যৱহাৰ কৰা হৈছিল। মঞ্চৰ পৰিকল্পনা কৰিছিল প্ৰখ্যাত অভিনেতা মহানন্দ শৰ্মা আৰু ভবেন বৰুৱাই। ১৯৭০-৭১ চনৰ নাট্য বৰ্ষত সুৰদেৱী থিয়েটাৰত 'থ্ৰি ডাইমেনছন ষ্টেজ' (Three dimension stage) ব্যৱহাৰ কৰিছিল। সেই পদ্ধতি উদ্ভাৱন কৰা ব্যক্তিজন আছিল সুৰদেৱী থিয়েটাৰৰ কলা নিৰ্দেশক গোবিন্দ চৌধুৰী। 'থ্ৰি ডাইমেনছন ষ্টেজ'ত আঁৰ কাপোৰ নোহোৱাকৈয়ে কথাছবিৰ গতিৰ দৰে দৰ্শকে অভিনয় চাব পাৰে।

নলবাৰীৰ ধ্ৰুৱণী বৰ্মনে চামতাত ৰাছিয়ান থিয়েটাৰৰ অনুকৰণেৰে ১৯৬৪ চনৰ ৯ ছেপ্তেম্বৰ 'সুৰদেৱী নাট্য সংঘ'ৰ শুভাৰম্ভ কৰিছিল। ১৯৬৬ চনত 'সুৰদেৱী নাট্য সংঘ'ৰ নাম সলনি কৰি তাক 'সুৰদেৱী থিয়েটাৰ' কৰিলে। তেৱেঁই পোন প্ৰথমে পিছফাল বন্ধ মঞ্চৰ ব্যৱস্থাপনা কৰে। ধ্ৰুৱণী বৰ্মনে সুৰদেৱী থিয়েটাৰত ১৯৭০-৭১ চনৰ নাট্যবৰ্ষত বিশেষ ধৰণৰ মঞ্চ, বিজুলীৰ পোহৰৰ ব্যৱস্থা, পোন্ধৰ শ দৰ্শক বহিব পৰা তমবুৰ পেক্ষাগৃহ আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দ্বাৰা নাট পৰিচালনাৰে ভ্ৰাম্যমাণ থিয়েটাৰক নব্য ৰূপত প্ৰতিষ্ঠা কৰিছিল।

আজি ভ্ৰাম্যমাণ থিয়েটাৰ নিজেই এক স্বতন্ত্ৰ উদ্যোগ। এটা নাট্য বিপ্লৱ। এই উদ্যোগে সৃষ্টি কৰিছে হাজাৰ হাজাৰ নাট্য সাহিত্য আৰু নাট্যকাৰ, য'ত ফণী শৰ্মা, অতুল চন্দ্ৰ হাজৰিকা, ভৱেন্দ্ৰ নাথ শইকীয়া আদিৰ দৰে বিখ্যাত মনিষীয়ে বহুতো উৎকৃষ্ট নাটকৰ অৱদান আগবঢ়াই গৈছে। পৰৱৰ্তী সময় থিয়েটাৰৰ তাগিদাত ৰচিত হৈছে বহুতো উল্লেখযোগ্য নাটক। নটসূৰ্য ফণী শৰ্মা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, গজেন বৰুৱা, আদ্য শৰ্মা, ত্ৰৈলোক্য দত্তৰ দৰে শিল্পীয়ে অভিনয় কৰা মঞ্চত সৃষ্টি হৈছে আৰু অনেক নামজ্বলা শিল্পীৰ। কাৰিকৰী-কৌশল, পোহৰ নিয়ন্ত্ৰণ, গীত-নৃত্য, বাদ্য, পৰিবহণ ব্যৱস্থা আদিৰ সৈতে জড়িত হৈ থকা অনেক লোকক ভ্ৰাম্যমাণ থিয়েটাৰে আৰ্থিক দিশত নিৰাপত্তা প্ৰদান কৰিছে। তাৰ লগতে জড়িত হৈ আছে এশ-দেৰশ মানুহৰ খাদ্য ব্যৱস্থা, পোছাক-পৰিচ্ছদ, থিয়েটাৰ প্ৰদৰ্শন স্থানবোৰত দুই-তিনি দিনৰ বাবে অস্থায়ী ব্যৱসায় আদি। বিভিন্ন ঠাইত পৰিভ্ৰমণ কৰি কলা, সংস্কৃতি, সাহিত্য, অভিনয় আদিৰ প্ৰসাৰ সাধন কৰা অনুষ্ঠান অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বাহিৰে এতিয়ালৈকে পৃথিৱীৰ অন্য কোনো ঠাইত নাই বুলি কোৱা হয়।

ভ্ৰাম্যমাণ থিয়েটাৰৰ এখন প্ৰযোজনা কৰিবলৈ লাগে বৃহৎ পৰিমাণৰ অৰ্থ। লাগে বৃহৎ সংখ্যক দৰ্শক। ভ্ৰাম্যমাণ থিয়েটাৰৰ নেপথ্যতো আছে অনেক সংগ্ৰাম আৰু সংঘাত। শিল্পীৰ বাস্তৱিক জীৱনৰ চকু পানী, প্ৰযোজকৰ আৰ্থিক সংকট। সেইবোৰ কথা লিখিবলৈ মন থাকিলেও স্থানাভাৱত বাদ দিয়া হ'ল।

# ৰাজ্যত অৱনমিত মহিলাৰ সুৰক্ষাৰ স্থিতি



মানসী মিশ্ৰ

চকুৰ পলকতে সৌ সিদিনা আৰম্ভ হোৱা বছৰটোৰ কেবামাহো পাৰ হ'ল। বহু ভাল-বেয়া, সফলতা- বিফলতাৰ ঘটনা ঘটিল পাৰ হৈ যোৱা সময়খিনিত। আমি চলিত বছৰটোৰ ভিতৰতে আন্তৰ্জাতিক নাৰী দিৱস আয়োজন কৰিলোঁ, বিশ্ব মাতৃ দিৱস অনুষ্ঠিত কৰিলোঁ। এই দিৱস সমূহৰ দিনটোত ডাঙৰ ডাঙৰ মঞ্চ সাজি মহিলাৰ অধিকাৰ ৰক্ষাৰ কথা, মহিলাৰ সুৰক্ষা প্ৰদান নিশ্চিত কৰাৰ কথা আলোচনা কৰিলোঁ। কিন্তু মাতৃ দিৱসৰ পিছদিনাই পুত্ৰই মাতৃক হত্যা কৰাৰ বাতৰি, শাৰীৰিকভাৱে আঘাত প্ৰাপ্ত কৰি মুমূৰ্ষ অৱস্থাত পেলাই থৈ যোৱাৰ কাহিনী বাতৰি কাকতৰ পৃষ্ঠাত আৰু টি.ভিৰ নিউজ চেনেল সমূহত দেখিবলৈ পালোঁ। দিনক দিনে ৰাজ্যখন উন্নয়নৰ জখলাৰে কিমানদূৰ আগবাঢ়িছে সেই বাতৰি প্ৰকাশ হৈ থাকে। এটা কথা ঠিক যে ৰাজ্যখনৰ আন্তঃগাঁথনি নিৰ্মাণ আৰু উন্নয়নৰ ক্ষেত্ৰত বিগত কেইটামান বছৰত সফলতা কিছু পৰিমাণে লক্ষ্য কৰা হৈছে কিন্তু ইয়াৰ বিপৰীতে আমি ৰাজ্যত মহিলাৰ সুৰক্ষাৰ বিষয়টো যদি ভালদৰে মন কৰোঁ তেন্তে মহিলাৰ সুৰক্ষাৰ দিশটো যথেষ্ট অৱনমিত হৈছে। মহিলা হিংসাৰ ক্ষেত্ৰত ৰাজ্যখনে গ্ৰাফ ডালত দেশৰ ভিতৰতে শীৰ্ষ স্থানলৈ উঠিছে। আমি যদি কিছুমান ঘটনা, পৰিঘটনা সূক্ষ্ম ভাৱে পৰ্য্যালোচনা কৰি চাওঁ তেন্তে আমাৰ চকুত স্পষ্ট হৈ ধৰা দিয়ে যে আমাৰ ৰাজ্যখনত এটি এবছৰীয় কন্যা সন্তানৰ নিৰাপত্তাৰ একেবাৰে অভাৱ আৰু ঠিক একেদৰে সত্তৰ বছৰীয়া মহিলা এগৰাকীৰো নিৰাপত্তাৰ যথেষ্ট অভাৱ। কিশোৰী, যুৱতী, আদহীয়া মহিলাৰ সুৰক্ষাৰ ক্ষেত্ৰতো এই একেখনেই প্ৰতিচ্ছবি। কেতিয়াবা কেতিয়াবা এনেহেন লাগে যে মাতৃগৰ্ভৰ পৰা ভূমিষ্ঠ হোৱাৰ লগে লগেই কন্যা শিশুটি অসুৰক্ষিত হৈ পৰে। নহলেনো ছয়মহীয়া, নমহীয়া দেৱকন্যা শিশু এটি চল্লিছ, পঞ্চাশ বছৰীয়া একোগৰাকী লম্পট পুৰুষৰ পাশৱিক কামনাৰ বলি হ'বলগীয়া হয় জানো। ঠিক একেদৰে ষাঠী, সত্তৰ বছৰ বয়সীয়া মহিলা নিজৰ পুত্ৰ সম বয়সৰ ল'ৰাৰ হাতত বলাংকাৰৰ বলি হ'বলগীয়া হয়। ভাবিবলৈ, চিন্তা কৰিবলৈ ভয় লাগে যে এনে এটা দিন হয়তো নাথাকে যিটো দিনত আমি ৰাজ্যৰ ভিন্ন প্ৰান্তত মহিলাৰ ধৰ্ষণ, বলাংকাৰ, মহিলাৰ ওপৰত যৌন নিৰ্যাতন, অন্যান্য কাৰণত মহিলাক হত্যা কৰা বাতৰি আমি বিভিন্ন সংবাদ মাধ্যম যোগে আমি নোপোৱাকৈ থাকোঁ। কিছুদিনৰ আগতে শিৱসাগৰ জিলাত এগৰাকী নৱবিবাহিত বোৱাৰীৰ চাঞ্চল্যকৰ হত্যাকাণ্ডৰ ঘটনা সংঘটিত হৈছিল। স্বামী বৃত্তিত শিক্ষক। প্ৰেমৰ সূত্ৰে বিবাহ বান্ধোনত বান্ধ খাই ওৰেটো জীৱন ছাঁৰ দৰে থাকিম বুলি প্ৰতিশ্ৰুতি দিয়া তেওঁ আছিল এগৰাকী ভণ্ড স্বামী। বিয়া কৰোৱাৰ পূৰ্বৰে পৰা তেওঁৰ আনকেইবাগৰাকী যুৱতীৰ সতেও প্ৰেমৰ নাটক ৰচনা কৰি সম্পৰ্ক স্থাপন কৰিছিল। বিবাহৰ পিছত তেওঁৰ প্ৰেমিকা পত্নীয়ে এই কথা জানিব পাৰি ইয়াৰ প্ৰতিবাদ সাব্যস্ত কৰাত স্বামীয়ে বহু মৰম আৰু প্ৰতিশ্ৰুতিৰে নিজৰ কৰি লোৱা পত্নীগৰাকীক শত্ৰুৰ দৰে ব্যৱহাৰ কৰিবলৈ লৈছিল। নিজ স্বাৰ্থৰ বাবে শিক্ষক স্বামীয়ে পত্নীক অতি বৰ্বৰভাৱে হত্যা কৰিছিল আৰু নিজকে নিৰ্দোষী সজাবৰ বাবে এই বৰ্বৰ হত্যাৰ ঘটনাটোক আত্মহত্যাৰ ঘটনাৰ ৰূপ দিছিল। আনকি ঘটনাটোৰ নাটকীয় কাহিনীভাগ পোহৰলৈ অহাৰ পিছতে বোৱাৰীগৰাকীৰ শাহুৱেকেও এখন নাটক ৰচনা কৰি সকলোবোৰ দোষ বোৱাৰীগৰাকীৰ গাত জাপি দিছিল। তেওঁৰ উদ্দেশ্যই আছিল নিজ পুত্ৰক যেনে তেনে দোষ মুক্ত কৰিব লাগে। আটাইতকৈ দুখৰ কথাটো হ'ল হত্যাকাৰীজন পেছাত এগৰাকী হাইস্কুলৰ শিক্ষক। এই হত্যাকাৰী শিক্ষকগৰাকীয়ে ইমান দিনে নিজৰ ছাত্ৰ-ছাত্ৰীসকলক কি জ্ঞান বিলাই আছিল। মাথোঁ ছয়মাহ আগতে বিবাহপাশত আৱদ্ধ হৈ স্বামীক সঁচা অন্তৰেৰে ভাল পাব বিচৰা বোৱাৰী গৰাকী নিজেই পঢ়ি থকা অৱস্থাত এগৰাকী নামজ্বলা কলেজৰ সহকাৰী সাধাৰণ সম্পাদক আছিল। নিজে এখন কলেজৰ ছাত্ৰসংস্থাৰ নেতৃত্ব দিয়া এগৰাকী ছোৱালীয়ে যদি বিবাহৰ ছমাহৰ পিছতে এনে কৰুণ মৃত্যুক সাৱটি ল'বলগীয়া হয় তেন্তে অন্যান্য সৰ্বসাধাৰণ ছোৱালী, মহিলাৰ জীৱনৰ নিৰাপত্তা ক'ত থাকিব। সমগ্ৰ শিক্ষিত সমাজে এই ঘটনাৰ তীব্ৰ প্ৰতিবাদ হৈছে। এই ঘটনাৰ উত্তাল প্ৰতিবাদ মাৰ নৌ যাওঁতেই ধেমাজি জিলাতো বোৱাৰী হত্যাৰ ঘটনা সংঘটিত হৈছে। ইয়াৰ পিছতে এনেই মহিলাক অসৎ প্ৰস্তাৱ দি অশালীন ব্যৱহাৰ কৰাৰ কথা পোহৰলৈ আহিছে। সৌ সিদিনা গোৱালপাৰা জিলাৰ দুধনৈত বৈশাগী উৎসৱৰ সাংস্কৃতিক কাৰ্য্যসূচী উপভোগ কৰি ঘৰলৈ ওভোতাৰ পথত লম্পটৰ এটা দলে দুগৰাকী কিশোৰীক ধৰ্ষণ কৰে। ভাতৃয়ে কিশোৰী দুগৰাকীৰ জীৱন বচাবলৈ চেষ্টা কৰাত তেওঁক চোকা অস্ত্ৰৰে গুৰুতৰভাৱে আঘাত কৰে। উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয় যদিও চিকিৎসকৰ চেষ্টা, যত্নৰ পিছতো যুৱকজনক বচাই তুলিব পৰা নগ'ল। তেওঁ মৃত্যুক আঁকোৱালি ল'বলগীয়া হ'ল অতি কৰুণভাৱে। আনৰ জিঘাংসাৰ বলি হৈ এজন সৰল, সুঠাম যুৱক চিৰদিনৰ বাবে হেৰাই গ'ল। এতিয়া ধৰ্ষণ-বলাংকাৰ, যৌন নিৰ্যাতন এচামৰ বাবে ভাতৰ লগত পানী খোৱা কথাৰ দৰে হৈছে। যোৱাটো বৰ্ষত গোৱালপাৰা জিলাত এটি প্ৰভৱাশালী ৰাজনৈতিক দলৰ নেত্ৰী এগৰাকীক তেওঁৰ সতে বহু বছৰ ধৰি বন্ধু, প্ৰেমিকৰ অভিনয় কৰা এগৰাকী ব্যক্তিয়ে ফুৰিব নিয়াৰ চলেৰে নৃশংসভাৱে হত্যা কৰি ৰাজপথতে পেলাই থৈ গৈছিল। ইয়াৰ কেইটামান মাহ পিছত একেটা দলৰে প্ৰভাৱশালী নেত্ৰী এগৰাকীয়ে আত্মহত্যাৰ পথ বাচি লৈছিল। বহু তদন্ত, সোধা পোছাৰ পিছত পোহৰলৈ আহিছিল যে মহিলাগৰাকী বহুদিনৰ পৰা ৰাজনৈতিক দলটোৰ পুৰুষ কৰ্মী এজনৰ যৌন নিৰ্যাতনৰ বলি হৈ আহিছিল। পিছলৈ বহু অভ্যন্তৰীণ খেলি মেলিৰ বাবে তেওঁৰ কথা সমূহ সদৰি হৈ পৰাৰ ভয় আৰু গ্লানিত আত্মহত্যা কৰিছিল। প্ৰতিদিনপ্ৰতিনিয়ত এনেধৰণৰ ঘটনা অথবা ইয়াতকৈ ভয়াবহ ঘটনা আমাৰ চৌপাশে ঘটি আছে। ইয়াৰ কিছুসংখ্যক ঘটনাহে সত্য ৰূপত ওলাই আহে। বহুতেই নিজে মুখ খুলি কবলৈ লাজ অথবা ভয় কৰে আৰু বহুসংখ্যকে পৰিয়ালৰ বদনাম হ'ব বুলি এনেধৰণৰ ঘটনাবোৰক বাহিৰত প্ৰকাশ নকৰে। লগতে এটা অতি গুৰুত্বপূৰ্ণ কথা যে কন্যাশিশু, কিশোৰী, যুৱতী, মহিলাৰ সমাজত অতি দ্ৰুত হাৰত বৃদ্ধি পাবলৈ ধৰা যৌন উৎপীড়ণ, অত্যাচাৰ ইমান দ্ৰুত হাৰত বাঢ়িছে যে ইয়াৰ সকলোখিনি ঘটনাই প্ৰকাশ নহয়। লগতে এটা উল্লেখযোগ্য কথা যে আমাৰ সমাজত সঘনাই ঘটি থকা মহিলা, যুৱতীৰ হত্যা, উৎপীড়ণ এই ঘটনাসমূহ যে সমাজত অকল বাহিৰা মানুহ, অচিনাকি মানুহৰ দ্বাৰাই সংঘটিত হৈ আছে এনে নহয় ইয়াৰ বহু সংখ্যক ঘটনা নিজৰ পৰিয়ালৰ মানুহৰ দ্বাৰাই সংঘটিত হৈ আছে। যোৱা দুই/তিনিটা বৰ্ষৰ পৰা বৰ্তমানলৈ যি সমূহ বোৱাৰী হত্যাৰ ঘটনা আমাৰ ৰাজ্যখনত সংঘটিত হৈ আছে এইসমূহত নিজৰ স্বামীয়ে প্ৰত্যক্ষভাৱে জড়িত হৈ থকাৰ লগতে স্বামীৰ পৰিয়ালৰ সদস্য কিছুমান পৰোক্ষভাৱে জড়িত হৈ আছে। কিছুসংখ্যক ঘটনাত আকৌ নিজৰ প্ৰেমিক বুলি মৰম চেনেহ দেখুৱাই অহা লোকৰ দ্বাৰা সংঘটিত হৈছে। ইয়াৰ মাজৰে কিছুসংখ্যক ঘটনা অচিনাক ব্যক্তিৰ দ্বাৰাও সংঘটিত হৈছে।

বিগত কেইটামান বছৰত যিমানবোৰ মহিলা হত্যা, মহিলাৰ ওপৰত নিৰ্যাতনৰ ঘটনা ঘটি গৈছে ইয়াৰ বেছি সংখ্যক ঘটনা নিজৰ পৰিয়ালত নিজৰ পৰিয়ালৰ মানুহৰ দ্বাৰাই সংঘটিত হৈছে। অৱেশ্যে বলাংকাৰ অথবা ধৰ্ষণ, কন্যাশিশু অথবা মহিলাৰ ওপৰত হোৱা যৌন উৎপীড়ণ, যুৱতী, মহিলাৰ অপহৰণ, সৰবৰাহ ইত্যাদিত অন্য ব্যক্তি জড়িত হৈ থাকে। সমাজত এনে ধৰণৰ সমস্যা অতিভয়াবহ হাৰত বাঢ়িছে। ৰাজ্যৰ পৰা কামৰ প্ৰলোভন দেখুৱাই বৰ্হিঃ ৰাজ্যলৈ সৰবৰাহ কৰা ঘটনাও পোহৰলৈ আহিছে। আমাৰ নিশ্চয় বহুতৰে মনত আছে যে চলিত বছৰৰ সৰস্বতী পূজাৰ দিনাখনেই একেলগে তিনিগৰাকী ছাত্ৰীক অপহৰণ কৰি সৰবাহৰ বাবে লৈ যোৱা হৈছিল। পিছত কিছুসংখ্যক সচেতন ব্যক্তি আৰু ৰে'ল আৰক্ষীৰ তৎপৰতাত উদ্ধাৰ কৰা হয় এই কিশোৰী যুবতীক। হঠাতে আমাৰ সমাজত মহিলা, যুৱতী, কিশোৰী সকলৰ মাজত ইমান উদ্বেগজনক ঘটনা বৃদ্ধি পোৱাৰ মূলতে হৈছে আমাৰ হাতত থকা স্মাৰ্ট মবাইল ফোনটোৰ অপব্যৱহাৰ। ফেচবুকৰ মাধ্যমেৰে বহু অচিনাকি ব্যক্তিৰ সৈতে বন্ধুত্ব গঢ়ি উঠে আৰু সেই বন্ধুত্ব হঠাতে ইমান দূৰ পৰ্য্যন্ত আগবাঢ়ি যায় যে এটা পক্ষই কিবা বেয়া কাম কৰিলেও আনটো পক্ষই একো প্ৰতিবাদ কৰিব নোৱাৰে। যদিহে ব্যক্তিগৰাকী দুষ্ট বা অতিবেয়া মানসিকতাৰ হয় তেন্তে সেই ব্যক্তিজনে এই ফেচবুকৰ চিনাকিৰ মাধ্যমেৰে যুৱতী, মহিলাসকলক বেয়া কাম কৰিবলৈ, বেয়া পথত ভৰি দিবলৈ বাধ্য কৰায়। ইয়াকে নকৰিলে ব্লেক মেইলিঙৰ ভাবুকি প্ৰদান কৰে। ইয়াৰ যোগেদি সমাজত পৰকীয়া প্ৰেমৰ ঘটনাও বহু বৃদ্ধি পাইছে আৰু ইয়াৰ মেৰপেচত সোমাই বহু পৰিয়াল ধ্বংসৰ মুখলৈ আগবাঢ়ি গৈছে। অপ্ৰিয় হ'লেও সত্য যে সমাজত ঘটি থকা বহু হত্যা, আত্মহত্যাৰ অন্যতম মূল কাৰণটোৱে হৈছে পৰকীয়া প্ৰেম। গতিকে বৰ্তমান সময় আৰু পৰিস্থিতিত প্ৰতিগৰাকী মহিলা, যুৱতীয়ে সতৰ্ক আৰু সাৱধান হ'ব লাগে যে নিজক কেনেকৈ সুৰক্ষিত কৰি ৰাখিব পাৰি। আচনাকি মানুহৰ সতে বন্ধুত্ব কৰাৰ আগতে বহুবাৰ চিন্তা কৰক আৰু এইসমূহৰ পৰা নিজকে আঁতৰত ৰাখক। আমাৰ সমাজত অতি ভয়াবহ হাৰত বৃদ্ধি পাই অহা মহিলা ওপৰত হোৱা হত্যা হিংসা ৰোধ কৰিবলৈ প্ৰতিগৰাকী মহিলা, যুৱতী নিজৰ মনৰ ভিতৰৰ পৰা সাহসী আৰু সৱল হ'ব লাগিব। নিজকে সুৰক্ষিত কৰি ৰাখিবলৈ নিজে সজাগ হ'ব লাগিব।

# জলবায়ু ভাৰসাম্যতা আৰু জীৱকুল প্ৰাণীলৈ ভয়াৱহতা

কনমনি নাথ

সম্প্ৰতি প্ৰকৃতিয়ে জলবায়ুৰ ভাৰসাম্যতা সম্পুৰ্ণ সাল সলনি হৈ জীৱকুল প্ৰাণীলৈ ভয়াৱহতা কঢ়িয়াই আনিছে। জীৱকুল প্ৰাণী আজি অসহায় হৈ পৰিছে, চোকা ৰ'দ, বহুদিন ধৰি বৰষুণ নাই! পৃথিৱীৰ উপৰিভাগত যিটো সময়ত চৌপাশ পানীৰে উপচি খেতি পথাৰ সেইজময় পৰিৱেশেৰে জীপাল থাকিব লাগিছিল তেনে ক্ষেত্ৰত বৰ্তমান চাৰিয়োফালে মাথোঁ শুকান, ধূলিৰে উপচি শান্ত পৰিৱেশ অশান্ত কৰি তুলিছে। এইয়া আমাৰ কাৰণে শুভ লক্ষণ নহয় যেন অনুভৱ হৈছে। জলবায়ুৰ অধিক উষ্ণতাই পৰিৱেশ অস্থিৰ কৰি তুলিছে! প্ৰকৃতিয়ে বাৰু এনেকুৱা ৰূপ কিয় ধাৰণ কৰিছে? আমাৰ প্ৰত্যেকেৰে মনলৈ প্ৰশ্নৰ উদয় হোৱা তেনেই স্বাভাৱিক। প্ৰকৃতিয়ে জলবায়ু ভাৰসাম্যতা হেৰুৱাৰ মূলতে কিন্তু আমি মানৱ জাতিৰ ভুল বা দোষৰ কাৰণে এনেকুৱা পৰিৱৰ্তন হোৱা বুলি অভিহিত কৰিব বিচাৰিছো। কিয়নো জীৱ শ্ৰেষ্ঠ মানৱ জীৱনৰ কাৰ্য-ক্ৰমণিকা সমূহ বৰ্তমান সময়ত সঠিক অপব্যৱহাৰ। সত্যৰ ঠাইত অসত্যই অধিক প্ৰাধান্য পায় আহিছে, সঁচাবোৰ যেতিয়া মিছা আৰু মিছা বোৰ যেতিয়া সঁচা হ'বলৈ লৈছে তেতিয়া জানো মানৱীয়তা থকা বুলি কব পাৰিনে?

বৰ্তমানৰ একাংশই নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে কোনো সংকোচ নকৰাকৈ অধে-মধে বৃহৎ বৃহৎ গছ কাটি তহিলং কৰাৰ ফলস্বৰূপে জলবায়ু ভাৰসাম্যতা হেৰুৱাই জীৱকুল প্ৰাণীলৈ ভাবুকি কঢ়িয়াই আনিছে। গছ-গছনি কটাৰ ফলত পৃথিৱীৰ উপৰিভাগত অধিক উষ্ণতা বৃদ্ধি পাবলৈ ধৰিছে। এনেবোৰ পৰিপ্ৰেক্ষিতত প্ৰকৃতিয়ে আজি অস্থিৰ, ভাৰসাম্যতা হেৰুৱাই জীৱকুল প্ৰাণীলৈ ভাবুকি কঢ়িয়াই পঅস্থিৰ কৰি তুলিছে। আগতে মানুহৰ জীৱন নিৰ্বাহৰ কাৰ্য- ক্ৰমনিকা সমূহ সহজ সৰল স্বভাৱৰ আছিল। মানুহৰ প্ৰতি মানৱীয়তা গুণ সমূহ সুন্দৰ ভাৱে বৰ্তি আছিল। সৰুৱে ডাঙৰক সন্মান, ডাঙৰে সৰুক মৰম, স্নেহৰ মাজেৰে সুন্দৰকৈ অতিবাহিত কৰিছিল বাবে আগতে এনেকুৱা জলবায়ুৰ তাৰতময ঘটা নাছিল। সুন্দৰভাৱে পৃথিৱীৰ উপৰিভাগত প্ৰকৃতিৰ নীয়ম অনুসৰি বৰ্তি আছিল।

সময়ৰ সোঁতত মানুহৰ মাজত অত্যধিক আধুনিকীকৰণৰ প্ৰসাৰ হোৱাৰ লগে লগে যিবোৰ দিশত অধিক উন্নয়ন, চিন্তা, ধাৰণা, হব লাগিছিল তাৰ পৰিৱৰ্তে সহজ সৰল মানসিকতাৰ পৰিৱৰ্তন হবলৈ লোৱাত মানুহৰ মাজত অধিক হিংসা, ধৰ্মৰ প্ৰতি ব্যৱসায়, মানুহৰ মিলা প্ৰীতি, আপায় অমংগল কু-প্ৰভাৱে পৃথিৱীক অধিক অস্থিৰ কৰি তোলাৰ ফলস্বৰূপে জীৱকুল প্ৰাণীলৈ ভাবুকি আহিছে। বহুদিন ধৰি বৰষুণ নহোৱাৰ ফলস্বৰূপে ঠাই বিশেষে নৈ, খাল, বিল, পুখুৰী, খেতি পথাৰ শুকাই গৈছে। কৃষকে হায় হায় কৰিব লগা হৈছে। খেতি পথাৰত বৃহৎ বৃহৎ ফাত মেলি মাথোঁ ধূলিময় হৈ পৰিছে। বৰষুণৰ অপেক্ষাত কৃষকে মুৰে কপালে হাত দিবলগীয়া হৈছে। কষ্ট আৰু নানা যত্ন কৰি সিচা ধানৰ বীজ সমূহ পানীৰ অভাৱত পথাৰতে নষ্ট হবলৈ ধৰিছে। কোনো কোনো ঠাইত কঠীয়া বোৰ শুকাই ৰঙচুৱা হৈ জ্বলি যোৱাৰ দিছে গতি কৰি আছে। সেয়েহে খেতিয়ক সকল আজি বিপাঙত। পানীৰ অভাৱত যদি উপযুক্ত সময়ত বীজ বা শস্য ৰোপণ কৰিব নোৱাৰে তেতিয়া অনাগত সময়ত কৃষকৰ লগতে মানৱ জীৱনলৈ এক বৃহৎ প্ৰত্যাহ্বান আহিব বুলি সঙ্কা হৈছে। খাদ্য সামগ্ৰীৰ যোগান হ্ৰাস হৈ অত্যধিক দাম বৃদ্ধিয়ে জনসাধাৰণক জুৰুলা কৰি জীৱন নিৰ্বাহ কৰাৰ ক্ষেত্ৰত বিপদৰ সন্মুখীন কৰিব। যদি প্ৰকৃতিয়ে এই গতিত ৰূপ ধাৰণ কৰি থাকে তেতিয়া এমুঠি অন্ন খোৱাৰ বাবে মানৱ বা জীৱকুল প্ৰাণীক হাহাকাৰ কৰি নিঃশেষ হ'বলৈ বেছি সময় নালগিব।

সেয়েহে আমি আমাৰ মানসিকতা পৰিৱৰ্তন কৰিবৰ হ'ল। যধে-মধে গছ নাকাটি অধিক ৰোপণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা উচিত আৰু মানৱ জাতি যিহেতু জীৱ শ্ৰেষ্ঠ সেয়েহে অখুৰ বা দানৱৰূপী কাৰ্য কালাপ সমূহৰ পৰা বিৰত থাকি মানুহক সন্মান আৰু শ্ৰদ্ধা, ভক্তি আৰু আপোনা সকলক মৰম স্নেহ- কৰাৰ প্ৰৱণতা আনিবৰ হ'ল। জীৱৰ শ্ৰেষ্ঠ মানৱ হিচাপে মানৱীয় তাৎপৰ্যপূৰ্ণ দিশ সমূহ সঠিক আৰু শুদ্ধ ভাৱে পৰিচলনা কৰাৰ উপযুক্ত সময় আহি পৰিছে নহলে পৃথিৱী আৰু অধিক অস্থিৰ হৈ ধ্বংসৰ দিশে অগ্ৰসৰ হোৱাত বেছি সময় নালাগিব।

## Heritage trees of Assam নামৰ গ্ৰন্থ খনত প্ৰকাশ এই তথ্য

# অসমৰ আটাইতকৈ পুৰণি গছজোপা আছে গোলাঘাটত



**অসম বাৰ্তা, গোলাঘাট, ১৪ জুলাই ঃ** অসমৰ আটাইতকৈ পুৰণি গছ জোপাৰ বয়স ৬০০ বছৰ। এই পুৰণি গছ জোপা আছে গোলাঘাট নগৰৰ মাজ মজিয়াৰ হজৰত লঙ্গৰশ্বাহ আউলিয়া দৰগাহ শ্বৰীফ মাজাৰত। ফ্ৰেব্ৰুৱাৰী মাহত অসম চৰকাৰৰ Environment and Forest Department দ্বাৰা উলিওৱা Heritage trees of Assam নামৰ গ্ৰন্থ খনত প্ৰকাশ কৰিছে এই তথ্য। উল্লেখযোগ্য যে,বিভাগটোৱে অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ঐতিহাসিক এশ জোপা গছক চৰকাৰী স্বীকৃতি প্ৰদান কৰিছিল। গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, শিৱসাগৰ, তিনিচুকীয়া, মাজুলী, চৰাইদেউ ,শোণিতপুৰ, লক্ষীমপুৰ, কামৰূপ মেট্ৰো, কামৰূপ ৰোয়েল, বজালী, বৰপেটা, বিশ্বনাথ চাৰিআলি, নলবাৰী, চিৰাং, নগাঁও, ওদালগুৰি, মৰিগাঁও, আদি জিলা সমূহক সামৰি প্ৰস্তুত কৰা Haritage Trees of Assam নামৰ প্ৰথম সংস্কৰণ ফ্ৰেব্ৰুৱাৰী মাহত প্ৰকাশ কৰা হৈছিল। এই গ্ৰন্থখনত এশ বছৰ অতিক্ৰম কৰা গছ সমূহৰ বিতংকৈ তথ্য দাঙি ধৰিছে বিভাগে। গোলাঘাটৰ হজৰত লঙ্গৰশ্বাহ আউলিয়া দৰগাহ শ্বৰীফ মাজাৰত থকা অসমৰ আটাইতকৈ পুৰণি গিলা গছ জোপাৰ কথা উল্লেখ কৰিছে । গ্ৰন্থ খনত এই লতা জাতীয় গিলা গছ জোপাৰ বয়স ৬০০ বুলি উল্লেখ আছে ইয়াৰ উপৰিও বৰপেটা জিলাৰ পাটবাউসী সত্ৰৰ ৫০০ বছৰীয়া এজোপা আহত গছ, ডিব্ৰুগড় জিলাৰ কেন্দুগুৰী জয়পুৰৰ ৫০০ বছৰ বয়সৰ এজোপা কেন্দু গছ, শোণিতপুৰ জিলাৰ সীতাজুলী সত্ৰৰ ৫০০ বছৰীয়া আহত গছ, যোৰহাট জিলাৰ ঢেকীয়াখোৱা বৰ নামঘৰৰ ৪৯৮ বছৰীয়া বৰ গছ, শিৱসাগৰ জিলাৰ কেন্দুগুৰী বেতবাৰীৰ ৪৭২ বছৰীয়া কেন্দু গছ, বজালী জিলাৰ ৪০০ বছৰীয়া বকুল গছ, চিৰাং জিলাৰ ৪০০ বছৰীয়া এজোপা কৰাই গছ , এনেদৰে বিভিন্ন জিলাৰ প্ৰায় এশ জোপা গছৰ যাৰ বয়স ১০০ বছৰ বয়সৰ ওপৰত থকা গছৰ নাম বয়স উল্লেখ কৰা হয় এই Heritage trees of Assam নামৰ গ্ৰন্থ খনত। আনহাতে এই গ্ৰন্থ খনত অসমৰ আটাইতকৈ পুৰণি গছ জোপাৰ বয়স আৰু নাম উল্লেখ কৰা হয়। এই গছ জোপা আছে গোলাঘাট নগৰৰ মাজমজিয়াৰ হজৰত লঙ্গৰশ্বাহ আউলিয়া দৰগাহ শ্বৰীফ মাজাৰত। এই সম্পৰ্কে মাজাৰ পৰিচালনা সমিতিৰ এজন বিষয়ববীয়া আব্দুল কাছিমে কয় অসম চৰকাৰৰ Cilvicultiurist Department য়ে অসমৰ বিভিন্ন গছ Heritage trees of Assam নামেৰে স্বীকৃতি দিয়ে তাৰ ভিতৰত গোলাঘাটৰ এই হজৰত লঙ্গৰশ্বাহ আউলিয়া দৰগাহ শ্বৰীফ মাজাৰত থকা এই গিলা গছ জোপাক ৬০০ বছৰ পুৰণি গছ বুলি স্বীকৃতি প্ৰদান কৰিছে। মাজাৰৰ তত্ত্বাৱধানত থকা এই গছ জোপা কেইবা পুৰুষৰ আগতে ৰোপণ কৰা হৈছিল আৰু এই গছ জোপা স্বীকৃতি লাভ কৰাত মাজাৰ কৰ্তৃপক্ষই সন্তুষ্টি প্ৰকাশ কৰিছে। গোলাঘাট জিলাৰ আঠ জোপা গছক চিনাক্তকৰণ কৰিলে তাৰ ভিতৰত প্ৰথমতে আছে হজৰত লঙ্গৰশ্বাহ আউলিয়া দৰগাহ শ্বৰীফ মাজাৰত থকা এই গিলা গছ জোপা । এই গিলা গছ জোপাৰ এটা বৈশিষ্ট হৈছে গোটেই মাজাৰৰ প্ৰায় ৭ বিঘা মাটি আগুৰি আছে ।আনহাতে গোলাঘাট নগৰৰ এজোপা গুলচ গছ এই গ্ৰন্থখনত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। নগৰৰ মাজমজিয়াৰ প্ৰয়াত সুৰেন্দ্ৰ নাথ শইকীয়াৰ বাসগৃহৰ চৌহদত থকা এই গুলচ গছ জোপা বয়স ১৫০ বছৰ বুলি উল্লেখ কৰা হৈছে। এই গছ জোপা পথ বহলীকৰণ কৰাৰ সময়ত কাটিবলৈ যো যা কৰিছিল কিন্তু গোলাঘাটৰ সচেতন ব্যক্তিৰ প্ৰতিবাদ সাব্যস্ত কৰাত সেই সিদ্ধান্ত বাতিল কৰে। এই সম্পৰ্কে প্ৰয়াত সুৰেন্দ্ৰ নাথ শইকীয়াৰ কণ্যা প্ৰিয়ংকা শইকীয়া দাসে কয় "আমি খুব সুখী অনুভৱ কৰিছোঁ ইতিমধ্যে অসম চৰকাৰৰ অধীনত Heritage trees of Assam নামৰ এখন গ্ৰন্থত আমাৰ চৌহদত থকা এই এই জোপা গুলচ গছ জোপাৰ নাম অন্তৰ্ভুক্ত হৈছে"। এই গছ জোপাৰ এক সুকীয়া পৰিচয় আছে নিজৰ এটা সৌন্দৰ্য আছে। অনুমান কৰা মতে গছ জোপাৰ বয়স ১৫০ বছৰ হ'ব। আনহাতে গোলাঘাট জিলা খনৰ আৰু ছয় জোপা গছে এই স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। জিলা খনৰ নেঘেৰিটিং শিৱদৌল চৌহদত থকা দুজোপা কঠাল গছ এজোপা বেল গছ গোলাঘাটৰ মিছন কম্পাউণ্ডৰ এজোপা আম গছ আৰু এজোপা তেতেলী গছ কমাৰগাওৰ এজোপা আম গছ Heritage trees of Assam নামৰ গ্ৰন্থ খনত স্থান লাভ কৰিছে।

# বকোত আজিৰে পৰা পাঁচদিনীয়াকৈ সত্ৰীয়া নৃত্যৰ কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, বকো ১৪ জুলাই ঃ** কামৰূপ জিলাৰ বকোত আজিৰে পৰা পাঁচ দিনীয়াকৈ আৰম্ভ হৈছে সত্ৰীয়া নৃত্যৰ কৰ্মশালা । ২৮নং বকো-ছয়গাঁও বিধান সভা সমষ্টি অন্তৰ্গত বকোৰ বন্দাপাৰাস্থিত জনতা সংঘৰ প্ৰেক্ষাগৃহত অহা ১৮ জুলাইলৈ আয়োজন কৰা কৰ্মশালাতৰ সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষক হিচাপে ভোগপুৰ সত্ৰৰ অধ্যাপক হৰিপ্ৰসাদ শইকীয়াই বৰবায়নে অংশগ্ৰহণ কৰিছে। কৰ্মশালাত মুঠ পাঁচখন সত্ৰীয়া নৃত্যৰ শিক্ষানুষ্ঠানৰ ৬০ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে ।বন্দাপাৰ আঞ্চলিক সংগীত বিদ্যালয়ত অধ্যক্ষা বীনাপাণি ৰাভা বসুমতাৰীৰ তত্ত্বাৱধানত আৰম্ভ হোৱা সত্ৰীয়া নৃত্য কৰ্মশালাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৱানী প্ৰসাদ দাসে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে । আজিৰ শুভাৰম্ভণি অনুষ্ঠানত আয়োজক সকলে কৰ্মশালাত জনতা সংঘৰ সম্পাদক বিজয় বড়ো আৰু গোৱালপাৰা জিলাৰ দুধনৈৰ সত্ৰীয়া নৃত্যৰ শিক্ষানুষ্ঠান নৃত্যাঙ্গনাৰ অধ্যক্ষা তৰালী দাসক সম্বৰ্ধনা জনায় । কৰ্মশালাত সমলব্যক্তি হিচাপে নৃত্যশিল্পী মণিকংকনা দাস, সুচিত্ৰা ৰাভা, লীনাক্ষী পাটগিৰী, টিনামণি দাস, কৃষ্ণাঙ্গী দাস আৰু কাবেৰী দাসে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে শেষৰ দিনা প্ৰশিক্ষাৰ্থীসকলোক প্ৰমাণ পত্ৰ প্ৰদান কৰিব।

# ছৈখোৱাত দেওঁৰেকৰ দাৰ ঘাপত বৌ'য়েকৰ মৃত্যু

**অসম বাৰ্তা, ছৈখোৱা, ১৪ জুলাইঃ** তিনিচুকীয়া জিলাৰ তথা শদিয়া আৰক্ষী জিলাৰ অধীনস্থ ধলা আৰক্ষী থানাৰ অন্তৰ্গত ধলা মিৰি পথাৰ গাঁৱত কালি দিনৰ ভাগত দেওৰেকৰ দা'ৰ ঘাপত বৌ'য়েকৰ মৃত্যু হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্য বিৰাজ কৰিছে । প্ৰাপ্ত তথ্য অনুসৰি , ধলা মিৰি পথাৰ গাঁৱৰ নিবাসী , ৰজনী দত্ত (৪৭) নামৰ লোক জনে আজি দিনৰ ভাগত নিজা বাসভৱনতে নিজ বৌয়েক অঞ্জনা দত্ত'ৰ (৪২)লগত সামান্য কথাতে তৰ্কাতৰ্কিত লিপ্ত হয়। আৰু পৰৱৰ্তী সময়ত ৰজনী দত্তই বৌয়েকক দা'ৰে ঘপিয়াই দিয়ে। দেওৰেকৰ দা'ৰ ঘাপত দিঙিত গুৰুতৰ ভাবে আঘাতপ্ৰাপ্ত বৌয়েক অঞ্জনা দত্তক ততাতৈয়াকৈ পৰিয়ালৰ লোকে চিকিৎসালয়লৈ নিয়ে যদিওঁ চিকিৎসকে অঞ্জনা দত্ত'ক মৃত বুলি ঘোষণা কৰে। আনহাতে বৌয়েকক হত্যা কৰি ঘাটক ৰজনী দত্তই স্থানীয় ধলা আৰক্ষী থানাত আত্মসমৰ্পণ কৰে। সম্প্ৰতি আৰক্ষীয়ে ঘাটক ৰজনী দত্ত'ক লগত লৈ ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে মৃত অঞ্জনা দত্তৰ মৃতদেহ মৰনোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে বুলি জানিব পৰা গৈছে।

# বকোৰ বন্দাপাৰাত ১৩ বছৰ অনুৰ্ধৰ আন্তঃজিলা ক্লাব ফুটবল প্ৰতিযোগিতা আৰম্ভ

অসম বাৰ্তা বকো ১৪ জুলাই : কামৰূপ জিলাৰ বকোত আজিৰে পৰা দুদিনীয়াকৈ আৰম্ভ হৈছে ১৩ বছৰ অনুৰ্ধৰ আন্ত:জিলা ক্লাব ফুটবল লীগ প্ৰতিযোগিতা । ২৮ নং বকো-ছয়গাঁও বিধান সভাসমষ্টিৰ অন্তৰ্গত বকোৰ বন্দাপাৰাস্থিত জনতা সংঘৰ খেল পথাৰত দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত জনতা সংঘ আৰু কামৰূপা ফুটবল ক্লাবৰ আতিথ্যত ভাৰত চন্দ্ৰ দাস আৰু শোভাৰাম দৈমাৰীৰ সোঁৱৰণত আৰম্ভ হোৱা দ্বিতীয় বাৰ্ষিক ১৩ বছৰ অনুৰ্ধৰ আন্ত: জিলা ফুটবল লীগ প্ৰতিযোগিতাত ৮ টা ফুটবল দলে অংশগ্ৰহণ কৰিছে । আজি ৰাতিপুৱা প্ৰায় ৮ বজাত দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থা , জনতা সংঘ আৰু কামৰূপা ফুটবল ক্লাবৰ পতাকা উত্তোলন কৰে ক্ৰমে - জনতা সংঘৰ সভাপতি ৰঞ্জিত দাস, উপ-সভানেত্ৰী নিৰোদা ৰাভা আৰু কামৰূপা ফুটবল ক্লাবৰ উপ-সভাপতি ডঞ্জ আব্দুল হকে । ইয়াৰ পিছতে ভাৰত চন্দ্ৰ দাস আৰু শোভাৰাম দৈমাৰীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ভাৰত চন্দ্ৰ দাসৰ সহধৰ্মিনী সোণেশ্বৰী দাসে । ফুটবল খেল প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে।

# ঢেকীয়ালত শিশু শিল্পী প্ৰতিভা প্ৰদৰ্শনী মঞ্চৰ প্ৰতিভা প্ৰদৰ্শন অনুষ্ঠানৰ সম্পন্ন

**অসম বাৰ্তা, খুমটাই,১৪ জুলাই ঃ** গোলাঘাট জিলাৰ অন্তৰ্গত ঢেকীয়ালৰ মুক্তিযোদ্ধা দ্বাৰিকা নাথ গোস্বামী তোৰণ ক্ষেত্ৰৰ মঞ্চত বিগত বৰ্ষ সমূহৰ দৰে এইবাৰো শিশুসকলৰ গ্ৰীষ্মকালীন শিবিৰ আৰু গীত-নৃত্যৰ প্ৰতিযোগিতাৰে একবিংশতিতম প্ৰদৰ্শন অনুষ্ঠানটি অনুষ্ঠিত হয় স্থানীয় "শিশু শিল্পী প্ৰতিভা প্ৰদৰ্শনী মঞ্চ" ৰ উদ্যোগত প্ৰতি বৰ্ষতে ছাত্ৰ ছাত্ৰী সকলৰ গ্ৰীষ্ম বন্ধৰ সময়ত ৰূপায়িত এই অনুষ্ঠানে প্ৰাক প্ৰাথমিকৰ পৰা মাধ্যমিক পৰ্যায়ৰ শিশু সকলৰ মাজত কবিতা আবৃত্তি, ভুপেন হাজৰিকা, জয়ন্ত হাজৰিকা, জ্যোতি-বিষ্ণু আৰু পাৰ্বতী প্ৰসাদ বৰুৱা আদি শিল্পীৰ গীত তথা এনে গীতৰ আধাৰত নৃত্য প্ৰদৰ্শন আদিৰ প্ৰশিক্ষণ দিয়াৰ শেষত প্ৰতিযোগিতা সম্পন্ন কৰাৰ উপৰি সমাজসেৱী জ্যেষ্ঠ নাগৰিক সকলক সম্বৰ্দ্ধনা জনাই আহিছে। এই বৰ্ষতো এনেবোৰ কাৰ্যসূচী অনুসৰি পুৱা মঞ্চৰ সভাপতি অপূৰ্ব হাজৰিকাই পতাকা উত্তোলন কৰাৰ পিচত স্মৃতি তৰ্পণ আৰু গছপুলি ৰোপণ কৰা হয়। ইয়াৰ পিচতে ছাত্ৰ ছাত্ৰী সকলৰ মাজত দুটা শাখাত অনুষ্ঠিত হয় চিত্ৰাংকন,কবিতা আবৃত্তি, গীত - আৰু নৃত্য প্ৰতিযোগিতা। ইয়াৰ পিচত মুকলি সভাত শিক্ষাব্ৰতী লখিমী দত্ত,কল্যাণী নেওগ তথা লোক শিল্পী,বায়ন- ঘনশ্যাম দত্ত আদি বৰেণ্য ব্যক্তিক সম্বৰ্ধনা জনোৱাৰ উপৰি বিজয়ী সকলক মানপত্ৰ,স্মাৰক আৰু নগদ ধন প্ৰদান কৰা হয়। দুইশতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটি পৰিচালনা কৰে ৰক্তিম ৰঞ্জন দত্তই। বিচাৰকৰ আসন অলংকৃত কৰে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ সহঃ অধ্যাপক ৰঞ্জন বৰা, বেতিয়নি উঃমাঃ বিদ্যালয়ৰ শিক্ষক বুবুল দাস আৰু ঢেকীয়াল উঃমাঃ বালিকা বিদ্যালয়ৰ ক্ৰীড়া আৰু শাৰীৰিক নিৰ্দেশক উদয় শংকৰ শৰ্মাই ।সাংস্কৃতিক সন্ধ্যা উদ্বোধন কৰি প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈয়ে কয় যে শিশুৰ সৰ্বাংগীণ উত্তৰণৰ ওপৰতহে এখন সমাজৰ ভৱিষ্যত নিৰ্ভৰ কৰে। অনুষ্ঠানটিত অধ্যাপিকা ডঞ্জানশ্ৰী বৰা,শিক্ষাবিদ ভাস্কৰ জ্যোতি বৰা, দুৰ্গাধৰ নাথ, প্ৰমুখ্যে বহু কেইজন গণ্যমান্য লোক উপস্থিত আছিল ।ৰাতিলৈ গীতে মাতে গধূলি অনুষ্ঠানটিত শিল্পী গুণপ্ৰসাদ দত্ত, বিতোপন বৰাৰ উপৰি স্থানীয় শিল্পী সকলে পৰিৱেশন কৰে এক বৰ্ণিল অনুষ্ঠান।



# ধুবুৰীৰ জিলাৰ প্ৰতাপগঞ্জত সদৌ দেশী-জাতীয় পৰিষদৰ ধুবুৰী জিলা সমিতি গঠন কৰা হয়

**অসম বাৰ্তা, গৌৰীপুৰ, ১৪ জুলাই ঃ** সভাপতি হিচাপে নিৰ্বাচিত কৰা হয় "আশৰাফুল আলমক, সাধাৰণ সম্পাদক হিচাপে ওমৰ ফাৰুক সেখ কাৰ্য্যকৰী সভাপতি,আযুৱ আলী কে আদি কৰি ৪১জনীয়া এখন শক্তিশালী জিলা সমিতি গঠন কৰা "হয় ।শেহতীয়াকৈ ধুবুৰী জিলা সমিতিৰ অধীনত বৰণডাঙ্গা আঞ্চলিক সমিতি এখন গঠন কৰা হয়। আঞ্চলিক সমিতি খনৰ সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়'জহিৰুল হক সাধাৰণ সম্পাদক আমিনুৰ ইছলাম"কে আদি কৰি ৩১জনীয়া এখন শক্তিশালী কমিটি গঠন কৰা হয়। সভা খনত উপস্থিত থাকে সদৌ দেশী-জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ছফিউল হক, কেন্দ্ৰীয় সাধাৰণ সম্পাদক হাৰুন আব্দুৰ ৰশিদ, উপদেষ্টা ড,মজাম্মে হক,(আক্ৰাছুৰ) সভাপতি অমিত্য ৰায়, আৰু UG আক্ৰাছুৰ কাৰ্য্যকৰী সভাপতি চন্দন ৰায়,শিক্ষক সমাজ মুৰব্বী সমাজ"আৰু ৰাইজ সকল। দেশী লোক সকলোৰ দেশী উন্নয়ন পৰিষদ, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদতত দেশী লোক সকলোৰ আসন সংৰক্ষণ কে আদি কৰি বিভিন্ন সমস্যা সমাধানৰ দাবী জনায় ।ইপিনে UG আক্ৰাছুৰ কাৰ্য্যকৰী সভাপতি চন্দন ৰায়ে মন্তব্য দি কয় যে দেশী সকলৰ যি সমস্যা এই সমস্যা বোৰ চৰকাৰে সমাধান কৰিব লাগে আৰু অতীত ইতিহাস সম্পৰ্কে অজ্ঞ, সেই জাতিৰ উন্নতি অসম্ভৱ অসমৰ খিলঞ্জীয়া অথবা ভূমিপুত্ৰ দেশী লোক সকল আৰু কোঁচ ৰাজবংশী সমাজত প্ৰচলিত ভাষা ৰীতি নীতি হৈ আছিল আৰু আজিওঁ বহু পৰিমানে বিদ্যামান বুলি মত প্ৰকাশ কৰে।

# হৰগৌৰী মন্দিৰ প্ৰাংগনত দমদমা সাহিত্য সভাৰ সাহিত্য সন্মিলন সম্পন

**অসম বাৰ্তা, হাজো, ১৪ জুলাইঃ** অসম সাহিত্য সভাৰ অন্যতম শাখা দমদমা সাহিত্য সভাৰ এখন সাহিত্য সন্মিলন সভা কালি আবেলিৰ ভাগত হাজো-তেতেলীয়াস্থিত ঐতিহাসিক হৰগৌৰী মন্দিৰ প্ৰাংগনত অনুস্থিত হৈ যায় ।দমদমা সাহিত্য সভাৰ সভাপতি বাবুল চন্দ্ৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত এই সাহিত্য সন্মিলনত অসম সাহিত্য সভাৰ জিলা (কামৰূপ) প্ৰতিনিধি অজিত প্ৰসাদ শৰ্মাই অতিথি হিচাপে অংশ গ্ৰহণ কৰি দমদমা সাহিত্য সভাৰ এনে প্ৰয়াসৰ শলাগ লয় আৰু নতুন প্ৰজন্মক অসমীয়া ভাষা- সাহিত্য চৰ্চাৰ প্ৰতি আকৃষ্ট কৰিবলৈ উদ্যোগ গ্ৰহণৰ বাবে শাখা সভা সমূহক আহ্বান জনায় ।সাহিত্য সন্মিলনত স্ব-ৰচিত কবিতা পাঠেৰে নৱীন-প্ৰবীণ কবি-লেখক ক্ৰমে গজেন দাস,যাদৱ চন্দ্ৰ দাস,ফায়েজুৰ ৰহমান, হৰেশ্বৰ ডেকা,কবিতা দেৱী, কনক শৰ্মা,বাবুল চন্দ্ৰ দাস আৰু অজিত প্ৰসাদ শৰ্মাই ঐতিহাসিক হৰগৌৰী মন্দিৰ প্ৰাঙ্গন জীপাল কৰি তোলাৰ সমান্তৰাল ভাৱে কৃষ্ণ কান্ত কলিতাৰ-কথা গল্প আৰু মাধৱ চন্দ্ৰ দাসে ঐতিহাসিক হৰগৌৰী মন্দিৰৰ ওপৰত যুগুতোৱা প্ৰবন্ধ পাঠে অনুষ্ঠানটোত এক অন্য মাত্ৰা প্ৰদান কৰে ।ইয়াৰ পিছতে মন্দিৰৰ পুৰোহিত গৰাকীয়ে নীতি কথাৰে যুগোতোৱা এটা মৌখিক কাহিনী সভাত উপস্থাপন কৰে।পঠিত লেখা সমূহৰ ওপৰত পৰ্যালোচনা আগবঢ়ায় বিশিষ্ট লেখক তথা দমদমা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনক শৰ্মাই ।সমজুৱাৰ ফালৰ পৰা অৱসৰী শিক্ষকদ্বয় ক্ৰমে চন্দ্ৰ কান্ত ডেকা,অকণ চন্দ্ৰ কলিতা আৰু জ্ঞানজ্যোতি হাইস্কুলৰ প্ৰধান শিক্ষক অতুল চন্দ্ৰ কলিতাই সাংগঠনিক দিশৰ ওপৰত বক্তব্য আগবঢ়ায় ।দমদমা সাহিত্য সভাৰ সম্পাদক বিনোদ চন্দ্ৰ মালাকাৰে আতধৰা আৰু শলাগ যচা সাহিত্য সন্মিলনৰ অন্তত অসম সংগীত পৰিবেশনৰে অনুষ্ঠানৰ সামৰণি মাৰে।

# গেলেকীত সামগ্ৰী বিতৰণ অ'এনজিচিৰ

**অসম বাৰ্তা, গেলেকী, ১৪ জুলাইঃ** তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ অ',এন,জি,চিৰ সামাজিক দায়বদ্ধতা বিভাগৰ উদ্যোগত আৰু নাৰী উন্নতি নাজিৰাৰ সহযোগত গেলেকীত সামগ্ৰী বিতৰণৰ এক কাৰ্যসূচী হাতত লোৱা হয় । য'ত চাহ অধ্যুষিত আৰু গ্ৰাম্যাঞ্চলৰ প্ৰায় ২০০ শ মহিলাক একোখনকৈ ছাটি আৰু একোটাকৈ কণী ধানৰ চাউলৰ পেকেট প্ৰদান কৰা হয় । উল্লেখযোগ্য যে ১ জুলাইৰ পৰা ১৪ জুলাইৰলৈকে নাৰী উন্নতি নাজিৰাৰ উদ্যোগত স্বচ্ছতা পযেকৰ এক অভিযান চলি আছে । এই অভিযানৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে পৰিৱেশ নিকাকৰণৰ ওপৰত বিশেষভাৱে সজাগতা প্ৰদান কৰা । সেই কাৰ্যসূচীৰে অংশস্বৰূপে গেলেকীৰ মজদুৰ ক্লাবত চাহ শ্ৰমিক আৰু গাওঁৰ দৰিদ্ৰ লোকৰ মাজত বিনামূলীয়াকৈ একোটাকৈ ছাটি আৰু একোটাকৈ খাদ্যৰ পেকেট প্ৰদান কৰা হয় । এই অনুষ্ঠানত উপস্থিত আছিল অ',এন,জি,চিৰ মানৱ সম্পদ (HR) বিভাগৰ বিষয়া পুনম দত্ , নাৰী উন্নতি নাজিৰাৰ সভানেত্ৰী আমিনা বেগম , সদস্যা দিপশিখা চেতিয়া, ফৰিদা আলী । অনুষ্ঠানটিত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে গেলেকী প্ৰেছ ক্লাবৰ সভাপতি ৰাহিদ আলী , সমাজকৰ্মী যুৱক হেমন্ত গগৈ, পৰেশ কুৰ্মী।

## বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থী সুপ্ৰিয়া বৈষ্ণৱ ৰায় সভানেত্ৰী হিচাপে নিৰ্বাচিত

# ৰহা সমষ্টিৰ কমাৰগাওঁ গাওঁ পঞ্চায়ত গঠন



**অসম বাৰ্তা,কচুৱা, ১৪ জুলাইঃ** ৰহা সমষ্টিৰ কমাৰগাওঁ গাওঁ পঞ্চায়ত বিজেপি মিত্ৰজোঁটৰ সমৰ্থিত প্ৰাৰ্থীৰ দখললৈ অহাত দলীয় কৰ্মীৰ মাজত আনন্দ উল্লাহ দেখিবলৈ পৰিলক্ষিত হয়। সৰ্বসম্মতি ক্ৰমে ১০ গৰাকী নৱনিৰ্বাচিত সদস্য সদস্যাই সুপ্ৰিয়া বৈষ্ণৱ ৰায়ক পঞ্চায়ত খনৰ সভানেত্ৰী আৰু জুবাইদুল ৰহমানক উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰে। যোৱা ৪ জুলাই তাৰিখে কমাৰগাওঁ গাওঁ পঞ্চায়ত গঠন হোৱাৰ পিছত এগৰাকী কংগ্ৰেছৰ দলীয় কৰ্মীয়ে পঞ্চায়তৰ খন কংগ্ৰেছৰ সমৰ্থিত প্ৰাৰ্থীয়ে সভানেত্ৰী নিৰ্বাচিত কৰা বুলি সংবাদ মাধ্যমত ভুৱা প্ৰচাৰ চলাই। এই ক্ষেত্ৰত পঞ্চায়তৰ নৱনিৰ্বাচিত সভানেত্ৰী সুপ্ৰিয়া বৈষ্ণৱ ৰায় , উপ-সভাপতি জুবাইদুৰ ৰহমানৰ লগতে আন সদস্য সদস্যাই এক সংবাদ মেলৰ আয়োজন কৰি ৱাৰ্ড সদস্য জনৰ ই এক ভুৱা প্ৰচাৰ বুলি উল্লেখ কৰে। সংবাদ মেলৰ জৰিয়তে কয় যে কমাৰগাওঁ গাওঁ পঞ্চায়তৰ নৱনিৰ্বাচিত সদস্য সদস্যাই কোনেও কংগ্ৰেছৰ সমৰ্থিত প্ৰাৰ্থী নহয়,বৰং বিজেপি দলৰ সমৰ্থিত প্ৰাৰ্থীয়ে সুপ্ৰিয়া বৈষ্ণৱ ৰায়ক সভানেত্ৰী হিচাপে লৈ শান্তিপূৰ্ণ ভাৱে পঞ্চায়ত গঠন কৰে । লগতে উক্ত পঞ্চায়তত কংগ্ৰেছ দলৰ কোনো অস্তিত্ব নাই বুলি মন্তব্য কৰে। ইপিনে নিৰ্বাচনৰ পূৰ্বে ৰাইজৰ হকে দিয়া বিভিন্ন প্ৰতিশ্ৰুতি আৰু ৰাইজৰ সমস্যা সমূহ পূৰ কৰিব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে।

# অসমত ভয়ংকৰ খৰাং, চৰকাৰৰ নিৰৱতা ঃ অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈৰ তীব্ৰ সমালোচনা ঃ ২১ জিলাত খৰাং সদৃশ পৰিস্থিতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৪ জুলাই ঃ** অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈয়ে দেওবাৰে (১৪-৭-২০২৫)ডিব্ৰুগড়ত অনুষ্ঠিত এক সংবাদমেলত ৰাজ্যখনত উদ্ভৱ হোৱা কৃষিভিত্তিক ভয়ংকৰ খৰাং সংকটক লৈ ৰাজ্য চৰকাৰক তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, এই বৰ্ষাকালত অসমৰ প্ৰায় তিনি ভাগ জিলাই স্বাভাৱিকতকৈ বহু কম বৃষ্টিপাত লাভ কৰিছে আৰু ইতিমধ্যে ২১ খন জিলাত খৰাং সদৃশ পৰিস্থিতিৰ সৃষ্টি হৈছে ।গগৈয়ে চৰকাৰক কৃষক আৰু গ্ৰাম্য অৰ্থনীতিৰ সমস্যাৰ পৰা সম্পূৰ্ণভাৱে আঁতৰা বুলি অভিহিত কৰে। তেওঁ উল্লেখ কৰে যে অসম এখন কৃষিনিৰ্ভৰ ৰাজ্য, য'ত প্ৰায় ৮০ শতাংশ জনসংখ্যাই কৃষিৰ ওপৰত নিৰ্ভৰ কৰে ।তেওঁ কয় যে ধান আৰু চাহ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল, আৰু এই দুয়োটা শস্যয়ে বৰ্ষাকালত হোৱা বৃষ্টিপাতত অধিকভাগত নিৰ্ভৰ কৰে। অসমত সুদৃঢ় কৃষি ব্যৱস্থা নথকাৰ বাবে ধান খেতি সম্পূৰ্ণৰূপে বৰ্ষাৰ ওপৰত নিৰ্ভৰশীল ।এই বছৰ অসমত তীব্ৰ উষ্ণতা আৰু বৃষ্টিপাতৰ গভীৰ ঘাটিৰ বাবে বহু অঞ্চল খৰাংত ভুগিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগ আই এম ডিৰ তথ্য অনুসৰি যোৰহাট, গোলাঘাট, তিনিচুকীয়া, শোণিতপুৰ, নগাঁও, মৰিগাঁও, শিৱসাগৰ, লক্ষীমপুৰ, কামৰূপ (গ্ৰামীণ আৰু মহানগৰ), নলবাৰী, তামুলপুৰ, বা'ং, কোকৰাঝাৰ, বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা, কাছাৰ, হাইলাকান্দি আৰু কাৰ্বি আংলঙত জুন আৰু জুলাই মাহত ৬০ ৰ পৰা ৯০ শতাংশ কম বৃষ্টিপাত হৈছে ।গগৈয়ে কয় যে অসমীয়া মাহ আহাৰ আৰু শাৱণক বৰষুণৰ শীতকাল বুলি ধৰা হয়। কিন্তু আহাৰ মাহৰ মাত্ৰ তিনি দিন বাকী থাকোঁতেই উল্লেখযোগ্য বৰষুণ নোহোৱাৰ ফলত কৃষকৰ মাজত গভীৰ উদ্বেগ সৃষ্টি হৈছে। অহা ১৫-২০ দিনৰ ভিতৰত যদি ভাল বৰষুণ নহয়, তেন্তে ধানৰ পথাৰ ৰোপণ কৰিব নোৱাৰিব। এই বিলম্বই অসমত ব্যাপকভাৱে চাষ কৰা ৰঞ্জিত, বাহাদুৰ, আইজুং আদি জাতসমূহত উৎপাদনত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব। তেওঁ য়ে কয় যে, "এই খৰাং কেৱল এখন মৌচুমী সমস্যাই নহয়, বৰঞ্চ দীৰ্ঘকালীন পৰিৱেশ ধ্বংসৰ এটা ফল। বন উচ্ছেদ আৰু প্ৰাকৃতিক বাসস্থান ধ্বংসৰ ফলত গেবেল ৱাৰ্মিংৰ প্ৰভাৱ বৃদ্ধি পোৱাৰ ফলত বৰ্ষাৰ ধাৰণাত্মকতা হ্ৰাস পাইছে।" তেওঁ কয় যে বৰ্ষা হ্ৰাস হোৱাৰ লগতে বিগত কেইবাবছৰ ধৰি অসমত ধান আৰু চাহ উৎপাদনত প্ৰতি বছৰে প্ৰায় ১০ক্ষ হ্ৰাস দেখা গৈছে, তথাপিও চৰকাৰে বিশেষ কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। গগৈয়ে অসম চৰকাৰৰ কৃষি বিভাগক "সম্পূৰ্ণ ব্যৰ্থ" বুলি অভিহিত কৰে। ১৯৭৪ চনত প্ৰতিষ্ঠা হোৱা কৃষি বিভাগৰ উদ্দেশ্য আছিল অসমত সকলো খেতি যোগ্য ভূমিত



পানী যোগান ধৰা। কিন্তু ৫০ বছৰৰ পাছতো এই বিভাগে মাত্ৰ ১০ক্ষ খেতি ভূমিও সেচৰ আওতাৰ ভিতৰত আনিব পৰা নাই। বিভাগৰ অধীনত ৩,৯১৯টা সেচ আঁচনি থাকিলেও, তাৰ ভিতৰত ১,৫০০ৰো অধিক অচল হৈ পৰিছে। অসমত ৩৪.৯৪ লাখ হে"ৰ খেতি যোগ্য ভূমি থাকিলেও, তাৰ ভিতৰত ২৮.৬২ লাখ হে"ৰ বছৰে চাষ হয়। চৰকাৰে নিজেই কিমান ভূমি সেচৰ অধীনত আছে তাত বিভ্ৰান্তি দেখা গৈছে। ২০২৪ চনৰ ৯ ফেব্ৰুৱাৰীত বিধানসভাত মন্ত্ৰী অশোক সিংহলে মাত্ৰ ১১.০৩ লাখ হে"ৰ, অৰ্থাৎ মাত্ৰ ১৪ক্ষ ভূমি সেচৰ অধীনত বুলি কয়। আনহাতে, বিভাগৰ নিজৰ "State ৰাজ্যিক জলসিঞ্চন আচঁনি ২০২২-২০২৭ ত ২১.৫৪ক্ষ ভূমি খেতিৰ অধীনত বুলি উল্লেখ আছে ।বি জে পি ৰ ২০১৬-২০২৫ৰ মিচন ডকুমেন্টত ৯৬ক্ষ খেতি ভূমিত সেচ সুবিধা নথকাৰ কথা স্বীকাৰ কৰি, ১০ বছৰৰ ভিতৰত ১০০ক্ষ সেচৰ আওতা প্ৰদানৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল ।ৰাষ্ট্ৰীয় পৰিসৰত পিছপৰা অসম: ৰাষ্ট্ৰীয়ভাৱে, কৃষি ব্যৱস্থাৰ ক্ষেত্ৰত অসম ২২তম স্থানত আছে। আন ৰাজ্যসমূহত পাঞ্জাবে ৯৮.১ক্ষ, হাৰিয়ানাই ৮৭.৬ক্ষ, আৰু আন্ধ্ৰ প্ৰদেশে ৬৩.৯ক্ষ খেতি ভূমি সেচৰ আওতাত আনিছে ।আৰ্থিক গগৈয়ে চৰকাৰৰ অৰ্থনৈতিক জবাবদিহিতাৰ সন্দৰ্ভত গভীৰ প্ৰশ্ন তুলি কয় যে, বিগত ৫০ বছৰত সেচ আঁচনিৰ ওপৰত কিমান ব্যয় হৈছে তাক সঠিকভাৱে জানিবই নোৱাৰি। কেৱল ২০২৪-২৫ বৰ্ষতহে অসম চৰকাৰে সেচ বিভাগৰ বাবে ঞ্জ১,২৮৬ কোটি ব্যয় কৰিছে। ২০২২ চনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২০২৭ৰ ভিতৰত অসমত ১০০ক্ষ খেতি ভূমিত সেচ সুবিধা যোগান ধৰাৰ ঞ্জ৩৬,৪০৬ কোটিৰ এক মহা পৰিকল্পনা ঘোষণা কৰিছিল। কিন্তু এতিয়ালৈকে এই আঁচনিৰ প্ৰয়োগৰ অৱস্থা অজানাই আছে। বহুতে সন্দেহ প্ৰকাশ কৰিছে যে এই আঁচনিখনো হয়তো জল জীৱন মিছনৰ দৰে ব্যৰ্থ হ'ব। গগৈয়ে মুখ্যমন্ত্ৰীক কটাক্ষ কৰি কয় যে, "এই সংকটকালত চৰকাৰে খৰাংৰ বিপৰীতে কোনো পদক্ষেপ লোৱাৰ পৰিৱৰ্তে সাম্প্ৰদায়িক মতবাদ, গৰু ৰক্ষা, উচ্ছেদ অভিযান, আৰু ভূমি পুঁজিপতিলৈ হস্তান্তৰ কৰা আদিত ব্যস্ত হৈ পৰিছে। এইটো দু:খজনক।"তেওঁ শেষত কয়, "অসমৰ কৃষি সংকট কেৱল অৱকাঠামোগত ব্যৰ্থতা নহয়, ই হৈছে ৰাজনৈতিক অগ্ৰাধিকাৰহীনতাৰ প্ৰতিকৃতি। আন ৰাজ্যবোৰ যেতিয়া কৃষি খণ্ডত আগবাঢ়ি গৈছে, অসম এতিয়াও নীতিগত দৃষ্টিভংগী আৰু কৃষকৰ প্ৰতি প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত বহু পিছত আছে।"

## বিটিচি নিৰ্বাচনত ইউপিপিএল

হয় বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰী। উক্ত বৈঠকৰ অন্তত সাংবাদিকৰ আগত হাগ্ৰামা মহিলাৰীয়ে কয় যে বিজনীৰ তিনিটা পৰিষদীয় সমষ্টিত বিপিএফৰ সাংগঠনিক স্থিতি বহুত ভাল। বিটিচি নিৰ্বাচনত বিজনী জিলা হিচাপে ইউপিপিএল দল শূন্য হ'ব। বিটিচি নিৰ্বাচনত থুৰিবাৰী, সুভাইঝাৰ আৰু মানাহ চেৰফাং তিনিওটা সমষ্টিতে বিজেপিৰ লগত বিপিএফৰ যুদ্ধ হ'ব। ইয়াত ইউপিপিএল দলৰ কাম নাই। হাগ্ৰামাই আৰু কয় যে বিটিচি নিৰ্বাচনত মিত্ৰতাৰ ক্ষেত্ৰত জি এছ পিৰ লগত আলোচনা চলি আছে যদিও এতিয়াও ঠিক হোৱা নাই। ইফালে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োই হাগ্ৰামা মহিলাৰীয়ে দলীয় কৰ্মীক সন্মান কৰিব নাজানে বুলি কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি হাগ্ৰামা মহিলাৰীয়ে কয় যে আমাৰ দল খুউব ডিচিপ্লিন, ইউপিপিএল দলৰ নিচিনা নহয়। প্ৰমোদ বড়োই নিজে খায়, বেলেগক খাব নিদিয়ে। প্ৰমোদ বড়োই কাকো চিনি নাপায়, সি হ'ল এবছুৰ প্ৰেছিডেণ্ড, আমি নাজানো নেকি বুলি মন্তব্য কৰে হাগ্ৰামাই। আনহাতে বিজনীৰ মানাহ চেৰফাং সমষ্টিৰ ভাংনামাৰীত আজি সমষ্টিটোৰ বিশিষ্ট ব্যক্তিৰ লগত হোৱা আলোচনা সভাত অংশগ্ৰহণ কৰে যুৱ বিপিএফৰ সভাপতি ৰিঞ্জয় বড়ো। উক্ত সভাত অংশগ্ৰহণ কৰি সভাপতি ৰিঞ্জয় বড়োই সংবাদ মাধ্যমৰ আগত কোকৰাঝাৰ চাইগুঞ কলেজৰ অধ্যক্ষ আৰ এন সিংহাই বিটিআৰৰ অন্তৰ্গত ১৬ খনকৈ অপ্ৰাদেশিকৃত কলেজ চৰকাৰীকৰণ কৰিব ওলাইছে বুলি সংবাদমেলত কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অধ্যক্ষ আৰ এন সিংহা ইউপিপিএলৰ মুখপাত্ৰ নেকি বুলি প্ৰশ্ন কৰে। তেওঁ আৰু কয় যে ১৬খন অপ্ৰাদেশিকৃত কলেজৰ এটাও ফাইল গুৱাহাটীত অগ্ৰগতিৰ প্ৰক্ৰিয়া হোৱা নাই। বিটিচি কাউঞ্চিলৰ পৰাও ফাইল সমূহ প্ৰছেছ কৰিব লাগে বুলি প্ৰ'পজেল যোৱা নাই। আনহাতে ১০খন কলেজ চৰকাৰীকৰণ কৰিম বুলি কৈছিল যদিও এখনো হোৱা নাই। কলেজ সমূহ প্ৰাদেশিকৰণ হওক, সেইটো আমি বিচাৰোঁ, কিন্তু মিছা কথা কিয় কৈ আছে। মিছা কথা আৰু ভুৱা তথ্য দিয়াৰ পৰা বিৰত থাকক বুলি অধ্যক্ষ আৰ এন সিংহাক সকীয়াই দি সভাপতি ৰিঞ্জয় বড়োই কয় যে অধ্যক্ষ আৰ এন সিংহা এগৰাকী চৰকাৰী চাকৰিয়াল হয়। ৰাজনীতি কৰিব বিচাৰিছে যদি চিধা-চিধিকৈ ইউপিপিএল দলত যোগদান কৰক। এজন অধ্যক্ষ হৈ ৰাজনীতিৰ কথা আপোনাৰ মুখত কেনেকৈ ওলাব পালে বুলি প্ৰশ্ন কৰে যুৱ ৰিঞ্জয় বড়োই। অধ্যক্ষ আৰ এন সিংহাক ইউপিপিএলৰ দালালৰ দৰে কাম কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাই শিক্ষক হৈ ৰাজনীতি কৰিব নালাগে বুলি কয় ৰিঞ্জয় বড়োই। আগন্তুক বিটিআৰ নিৰ্বাচনত বিপিএফে পৰ্যাপ্ত আসন পাবলৈ সক্ষম হ'ব বুলি মন্তব্য কৰি ৰিঞ্জয় বড়োই কয় যে বিটিআৰত হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত বিপিএফ চৰকাৰ হ'বলৈ গৈ আছে। মানাহ চেৰফাং সমষ্টিত বিপিএফৰ সম্ভাব্য প্ৰাৰ্থী জাংগিলা হাজোৱাৰী জয়ী হৈ এমচিএলএ হ'বলৈ গৈ আছে বুলিও মন্তব্য কৰে যুৱ বিপিএফৰ সভাপতি ৰিঞ্জয় বড়োই।

## দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰীৰ

গীতা কলনীৰ ওচৰৰ যমুনা নদীৰ উৰণসেতুৰ সমীপত উদ্ধাৰ হৈছে। ত্ৰিপুৰাৰ স্থায়ী বাসিন্দা স্নেহা দক্ষিণ দিল্লীৰ পৰ্যাৱৰণ কমপে'ত বাস কৰি আছিল। তেওঁ ৭ জুলাইৰ পৰা নিৰুদ্দেশ হৈছিল। আৰক্ষীয়ে তেওঁৰ কোঠাত এখন হাতে লিখা টোকা উদ্ধাৰ কৰিছে, য'ত তেওঁ জীৱন শেষ কৰাৰ ইংগিত দিছিল। এই ঘটনাৰ তদন্তৰ বাবে মেহৰৌলী আৰক্ষী থানাত এটা গোচৰ ৰুজু কৰা হৈছে। দক্ষিণ দিল্লীৰ আৰক্ষী উপ-আয়ুক্ত অংকিত চৌহানে জানিবলৈ দিছে যে তদন্তৰ কাম আৰম্ভ হৈছে। তেওঁ কয়, "কেব চালকে নিশ্চিত কৰিছে যে তেওঁ স্নেহাক ছিগনেচাৰ ব্ৰীজত নমাই দিছিল। কাৰিকৰী নিৰীক্ষণৰ জৰিয়তে জানিব পৰা গৈছে যে তেওঁৰ শেষ অৱস্থান ছিগনেচাৰ ব্ৰীজত আছিল।" কিছু প্ৰত্যক্ষদৰ্শীয়ে দাবী কৰিছে যে তেওঁলোকে উৰণসেতুৰ ওপৰত এগৰাকী যুৱতীক থিয় হৈ থকা দেখিছিল। তাৎক্ষণিকভাৱে এন ডি আৰ এফ আৰু স্থানীয় আৰক্ষীৰ সহায়ত নিগমবোধ ঘাটৰ পৰা নয়ডালৈ তালাচী অভিযান চলোৱা হয়। স্নেহাৰ ঘনিষ্ঠ বন্ধুসকলে জানিবলৈ দিছে যে গত কেইমাহমান ধৰি তেওঁ মানসিকভাৱে অস্থিৰ আছিল। সেইদিনা পুৱা তেওঁ কেইটামান ই-মেইল আৰু মেছেজ পঠিয়াইছিল। আৰক্ষীৰ মতে, গীতা কলনীৰ উৰণসেতুৰ তলত যমুনা নদীত স্নেহাৰ মৃতদেহ ওপঙি থকা দেখা গৈছিল। পৰিয়ালৰ সদস্যসকলে পিছত মৃতদেহটো চিনাক্ত কৰে। স্নেহাৰ সন্ধানৰ সময়ত তেওঁৰ পৰিয়াল আৰু বন্ধু-বান্ধৱীয়ে ছিগনেচাৰ ব্ৰীজৰ আশে-পাশে বিচাৰি ফুৰিছিল। স্নেহাৰ এগৰাকী বন্ধুৱে অভিযোগ কৰি কয় যে ছিগনেচাৰ ব্ৰীজত বা ওচৰৰ অঞ্চলত কোনো চিচি টিভি কেমেৰা সেই সময়ত কাৰ্যক্ষম নাছিল। তেওঁ কয়, "ছিগনেচাৰ ব্ৰীজ জীৱন শেষ কৰাৰ প্ৰৱণতা থকা অঞ্চল হোৱাৰ পিছতো তাত কোনো নিৰাপত্তা কেমেৰা নাই।" স্নেহা দিল্লী বিশ্ববিদ্যালয়ৰ আত্মাৰাম সনাতন ধৰ্ম মহাবিদ্যালয়ত বি.এ. গণিত বিষয়ত অধ্যয়ন কৰি আছিল। পৰিয়ালৰ এজন ঘনিষ্ঠ বন্ধুৱে জানিবলৈ দিছে, "গত চাৰিমাহ ধৰি স্নেহাই তেওঁৰ বেংক একাউণ্টৰ পৰা কোনো ধন উলিয়াই নাছিল। ৭ জুলাইত তেওঁ পৰিয়ালৰ সদস্যক ফোন কৰি কোনো বয়-বস্তু নোলোৱাকৈ ঘৰৰ পৰা ওলাই গৈছিল।" ৭ জুলাইৰ পুৱা ৫: ৫৬ বজাত স্নেহাই পৰিয়ালক ফোন কৰি জনাইছিল যে তেওঁ ৰোহিল্লা ৰেলৱে ষ্টেচনলৈ গৈ বন্ধু পিটুনিয়াক লগ কৰিব। কিন্তু তিনি ঘণ্টাৰো অধিক সময় তেওঁৰ ফোন বন্ধ হৈ থকাত পৰিয়ালৰ সন্দেহ হয়। পৰিয়ালে পিটুনিয়াক ফোন কৰি জানিবলৈ পায় যে তেওঁ স্নেহাক লগ পোৱা নাছিল। এই ঘটনাই দিল্লীৰ নিৰাপত্তা ব্যৱস্থা আৰু মানসিক স্বাস্থ্যৰ প্ৰতি সচেতনতাৰ প্ৰয়োজনীয়তাৰ প্ৰশ্ন উত্থাপন কৰিছে। আৰক্ষীয়ে ঘটনাৰ সবিশেষ তদন্ত কৰি আছে আৰু পৰিয়ালৰ সৈতে যোগাযোগ ৰাখিছে।

## মৃত্যুক আঁকোৱালি ল'লে

থকা তেওঁৰ চৰকাৰী আবাসৰ চতুৰ্থ মহলাৰ পৰা জঁপ দি আত্মহত্যাৰ চেষ্টা কৰিছিল। সংকটজনক অৱস্থাত নেমকেয়াৰ হাস্পতালত চিকিৎসাধীন হৈ থকা কোঁৱৰৰ ১৪ জুলাইত মৃত্যুক আঁকোৱালি লয়। প্ৰাপ্ত তথ্য অনুসৰি, ত্ৰিদীপ কুমাৰ কোঁৱৰে তেওঁৰ এই চৰম সিদ্ধান্ত গ্ৰহণৰ পূৰ্বে এখন চিঠি লিখি থৈ গৈছিল। চিঠিখনত তেওঁ উল্লেখ কৰিছিল যে তেওঁৰ এই কাৰ্যৰ বাবে তেওঁ নিজেই দায়ী আৰু তেওঁৰ পত্নী আৰু সন্তানক তেওঁৰ এই সিদ্ধান্তৰ পৰিণাম ভুগিবলৈ নিদিব। চিঠিত তেওঁ লিখিছিল, "মোৰ কাৰ্যৰ বাবে মই নিজেই দায়ী। মোৰ সন্তান আৰু পত্নীয়ে মোৰ কাৰণে কষ্ট পোৱাটো মই নিবিচাৰো। মোৰ ভুলৰ পৰিণাম মোৰ পৰিয়ালে ভুগিব নালাগে। মই দুঃখিত।" জানিব পৰা মতে, ত্ৰিদীপ কোঁৱৰ বিগত এবছৰৰ পৰা ষ্ট্ৰোকৰ ফলত সৃষ্টি হোৱা এটা নিউৰ'লজিকেল সমস্যাত ভুগি আছিল আৰু তাৰ বাবে তেওঁ চিকিৎসা গ্ৰহণ কৰি আছিল। চিকিৎসাৰ উচ্চ ব্যয়ৰ ফলত তেওঁ মানসিক চাপত আছিল বুলি জানিব পৰা গৈছে। ঘটনাৰ দিনা তেওঁ এটা চিকিৎসাৰ সাক্ষাৎকাৰৰ পৰা ঘৰলৈ ঘূৰি আহিছিল আৰু পৰিয়ালৰ সদস্যসকলক তেওঁৰ অবিহনে ৰাতিৰ আহাৰ গ্ৰহণৰ বাবে বাহিৰলৈ যাবলৈ কৈছিল। অকলশৰীয়া হৈ থকাৰ সময়তে তেওঁ এই দুৰ্ভাগ্যজনক সিদ্ধান্ত গ্ৰহণ কৰে। ত্ৰিদীপ কোঁৱৰৰ অসম চিভিল চাৰ্ভিচৰ এগৰাকী বিষয়া আছিল আৰু তেওঁৰ কেৰিয়াৰৰ বিভিন্ন পৰ্যায়ত গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছিল। এই ঘটনাই প্ৰশাসনিক মহলৰ লগতে জন্মস্থান শিৱসাগৰতো শোকৰ ছাঁ পৰিছে। ত্ৰিদীপ কোঁৱৰৰ মৃত্যুৰ পিছত পুলিচে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। তেওঁৰ এই সিদ্ধান্তৰ পিছত থকা মানসিক আৰু আৰ্থিক চাপৰ বিষয়ে অধিক তথ্য সংগ্ৰহৰ বাবে তদন্ত অব্যাহত আছে। এই ঘটনাই প্ৰশাসনিক বিষয়াসকলৰ মানসিক স্বাস্থ্যৰ প্ৰতি গুৰুত্ব প্ৰদানৰ প্ৰয়োজনীয়তাৰ বিষয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে।

## হিংসাৰ জৰিয়তে কোনো

সেনাই যদিও স্পষ্ট কৰা নাই অভিযান সন্দৰ্ভত আলফা (স্বাধীন)ৰ বিবৃতিত সেনাই আক্ৰমণ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। এই অভিযানৰ পিছতে আলফাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা আলোচনাপন্থী গোটৰ নেতা অনুপ চেতিয়াই ইটিভি ভাৰতৰ জ্যেষ্ঠ সাংবাদিক প্ৰণৱ কুমাৰ দাসৰ সৈতে হোৱা এক টেলিফোনিক সাক্ষাৎকাৰত কয়, "হিংসাৰে কোনো সমস্যাৰ সমাধান কৰিব নোৱাৰি। মৃত্যু কাৰো বাবেই ভাল নহয়, মৃত্যু সদায় দুখজনক।" অনুপ চেতিয়াই কয়, "হিংসাৰে আলফা স্বাধীনৰ সমস্যাৰ বা আন কোনো সমস্যাৰ সমাধান হ'ব নোৱাৰে। ই এটা অসমৰ ৰাজনৈতিক সমস্যা আৰু ৰাজনৈতিক হিচাপে সমাধান কৰিব লাগিব। ড্ৰোণেৰে আক্ৰমণ কৰিলে। কিন্তু নল মৰিলেও গজালি ওলোৱাৰ দৰে আলফা কেতিয়াও শেষ হ'ব নোৱাৰে।" অসম চৰকাৰৰ সৈতে শান্তি আলোচনা সন্দৰ্ভত আলোচনাপন্থী আলফা নেতাজনে কয়, "অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এক শান্তিৰ বাবে আলোচনা চলি আছে। কিন্তু সি কিমানদূৰ আগবাঢ়িছে সেই বিষয়ে মই নাজানো। অসমত বৰ্তমান শান্তি ঘূৰি আহিছে আৰু আলোচনাৰ মাধ্যমেৰে শান্তিৰ প্ৰচেষ্টা অব্যাহত আছে। বৰ্তমান অসমত মুখ্যমন্ত্ৰীৰ নেতৃত্বত উদ্যোগ খণ্ডত এক বিশাল অৰ্থনৈতিক পদক্ষেপ গ্ৰহণ কৰিছে।"

## ৰাষ্ট্ৰপতি মুৰ্মুৰ ৫খন ৰাজ্যৰ উচ্চ

ঝাৰখণ্ড, কৰ্ণাটক, গুৱাহাটী আৰু পাটনা উচ্চ ন্যায়ালয়ত নতুনকৈ মুখ্য ন্যায়াধীশ নিযুক্তি দিয়া হৈছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছে আশুতোষ কুমাৰক। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি লাভ কৰা আশুতোষ কুমাৰে পাটনা উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। ইয়াৰ সমান্তৰালকৈ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ (মধ্যপ্ৰদেশ) সঞ্জীৱ সচদেৱক মধ্যপ্ৰদেশ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে, ন্যায়াধীশ (দিল্লী) বিভু বাখ্ৰুক কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে, পাটনাৰ ন্যায়াধীশ বিপুল মনুভাই পাঞ্চোলিক পাটনা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে আৰু তাৰলক সিং চৌহান, ন্যায়াধীশ (হিমাচল প্ৰদেশ)ক ঝাৰখণ্ড উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বি আৰ গাভাইৰ নেতৃত্বত গঠিত কলেজিয়ামে বিভিন্ন উচ্চ ন্যায়ালয়ৰ সেই ন্যায়াধীশসকলক পদোন্নতি আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তি দিয়াৰ পৰামৰ্শ দিছিল। তাৰ পাছতে আজি ৰাষ্ট্ৰপতিগৰাকীয়ে আটাইকেইগৰাকী মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়ে। ইয়াৰ লগতে একাংশ ন্যায়াধীশক বদলি কৰা হৈছে। মনিন্দ্ৰ মোহন শ্ৰীবাস্তৱক ৰাজস্থান উচ্চ ন্যায়ালয়ৰ পৰা মাদ্ৰাজ উচ্চ ন্যায়ালয়লৈ মুখ্য ন্যায়াধীশ, অপৰেশ কুমাৰ সিঙক ত্ৰিপুৰা উচ্চ ন্যায়ালয়ৰ পৰা তেলেংগানা উচ্চ ন্যায়ালয়লৈ মুখ্য ন্যায়াধীশ হিচাপে বদলি, এম এছ ৰামচন্দ্ৰ ৰাওক ঝাৰখণ্ড উচ্চ ন্যায়ালয়ৰ পৰা ত্ৰিপুৰা উচ্চ ন্যায়ালয়লৈ মুখ্য ন্যায়াধীশ হিচাপে বদলি কৰাৰ লগতে কে আৰ শ্ৰীৰামক মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ পৰা ৰাজস্থান উচ্চ ন্যায়ালয়লৈ মুখ্য ন্যায়াধীশ হিচাপে বদলি কৰা হৈছে।

## বিশাখাপট্টনম বন্দৰত ২৭৬ কোটি

আৰু আম্বেদকাৰ শতবাৰ্ষিকী ফ্লাইঅ'ভাৰৰ পৰা এল-১৭ কৰিড'ৰলৈ সংযোগকাৰী এটা অতিৰিক্ত ৰেম্প (৮.৩১ কোটি টকা) নিৰ্মাণ কৰা হ'ব। ক্ৰুজ পৰ্যটন আৰু সংযোগ বৃদ্ধিৰ বাবে ক্ৰুজ টাৰ্মিনেলৰ ওচৰত এটা পাব্লিক প্ৰমেনেড (১৫.৯০ কোটি টকা) বিকশিত কৰা হ'ব, লগতে বন্দৰ এলেকাৰ ১৫টা স্থানত শৌচাগাৰ ব্লক নিৰ্মাণ (৫.৫০ কোটি টকা) কৰা হ'ব, যিয়ে সুবিধা আৰু অনাময় ব্যৱস্থা উন্নত কৰিব। এই প্ৰকল্পসমূহে একেলগে বিশাখাপট্টনম বন্দৰক আধুনিক আৰু বিশ্বব্যাপী প্ৰতিযোগিতামূলক সামুদ্ৰিক কেন্দ্ৰ হিচাপে গঢ়ি তুলিব। এই উপলক্ষে কেন্দ্ৰীয়মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, "প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ দূৰদৰ্শী দৃষ্টিভংগীৰ দ্বাৰা ত্বৰান্বিত হৈ বিশাখাপট্টনম বন্দৰত ২৭৬ কোটি টকাৰো অধিক মূল্যৰ প্ৰকল্পৰ জৰিয়তে উল্লেখযোগ্য সামৰ্থ্য্য বৃদ্ধিৰ কাম ৰূপায়ণ হ'ব। এই প্ৰচেষ্টাসমূহে বন্দৰৰ আন্তঃগাঁথনি আধুনিকীকৰণ, মালবাহী সঞ্চালন দক্ষতা উন্নত কৰা আৰু বন্দৰটোক বিশ্বৰ শীৰ্ষ সামুদ্ৰিক কেন্দ্ৰ হিচাপে উন্নীত কৰাৰ লক্ষ্য ৰাখিছে। এই নতুন প্ৰকল্পসমূহে মোদী চৰকাৰৰ বিশ্বমানৰ বন্দৰ আন্তঃগাঁথনি গঢ়ি তোলাৰ অটল প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰে, যিয়ে অৰ্থনৈতিক বৃদ্ধিৰ সুযোগ সৃষ্টি কৰিব আৰু ভাৰতৰ সামুদ্ৰিক সামৰ্থ্য্যক অধিক শক্তিশালী কৰিব। আধুনিক, দক্ষ আৰু জনকেন্দ্ৰিক সুবিধাৰ ভেটি স্থাপন কৰি আমি বিশ্বব্যাপী প্ৰতিযোগিতামূলক আৰু বহনক্ষম বন্দৰ খণ্ডৰ আমাৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ দিশত আগুৱাই গৈছোঁ, যিয়ে ভাৰতৰ বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা সামুদ্ৰিক খণ্ডক এক নতুন গতি দিব।" আধুনিকীকৰণ আৰু দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিশাখাপট্টনম বন্দৰত মুঠ ১৫৯.৯৬ কোটি টকাৰ প্ৰকল্পৰ শুভ উদ্বোধন কৰে। এই মুখ্য কামবোৰৰ ভিতৰত আছে নতুন অইল ৰিফাইনাৰী বাৰ্থ-২ (৪২ কোটি টকা)ৰ আৰম্ভণি আৰু ও এছ টি টি বাৰ্থত উন্নত অগ্নিনিৰ্বাপক সুবিধাৰ স্থাপন (২৭ কোটি টকা), যিয়ে তৰল মালৰ সুৰক্ষা আৰু সামৰ্থ্য বৃদ্ধি কৰিব। আন্তঃগাঁথনি উন্নয়নৰ ভিতৰত আছে আৰ-১০ এলেকাত এটা আচ্ছাদিত সংৰক্ষণ শ্বেড (২২.৫০ কোটি টকা), ডব্লিউ কিউ-৫ জংচনৰ পৰা ইছাৰ জংচনলৈ পথৰ উন্নতি (১৯.৬৯ কোটি টকা), আৰু কাষ্টমছৰ সীমাৰ দেৱালৰ সম্প্ৰসাৰণ (৭.১৭ কোটি টকা)। ডিজিটেল ব্যৱস্থা শক্তিশালী কৰাৰ বাবে, বন্দৰত নতুন আৰ এফ আই ডি গেট ব্যৱস্থাপনা ব্যৱস্থা (১৫ কোটি টকা), আধুনিক প'ৰ্ট অপাৰেটিং ছিষ্টেম (১০.৭৭ কোটি টকা), আৰু অত্যাধুনিক ভেচেল ট্ৰেফিক মেনেজমেণ্ট ছিষ্টেম (১৫.৮৩ কোটি টকা) প্ৰৱৰ্তন কৰা হ'ব, যিয়ে বিশাখাপট্টনম বন্দৰৰ স্মাৰ্ট, সুৰক্ষিত আৰু অধিক দক্ষ সামুদ্ৰিক কাৰ্যকলাপৰ প্ৰতিশ্ৰুতি ত্বৰান্বিত কৰিব। এইবোৰে কেৱল বিশাখাপট্টনম বন্দৰৰ প্ৰতিযোগিতামূলক ক্ষমতা শক্তিশালী কৰাই নহয়, ইয়াৰ লগতে কৰ্মসংস্থাপন সৃষ্টি কৰিব, বাণিজ্যৰ সুবিধা বৃদ্ধি কৰিব আৰু বিশ্বৰ জাহাজ আৰু লজিষ্টিক নেটৱৰ্কত ভাৰতক অধিক গুৰুত্বপূৰ্ণ স্থানত প্ৰতিষ্ঠিত কৰিব বুলি সৰ্বানন্দ সোণোৱালে কয়। এই অনুষ্ঠানত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী (বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়) শান্তনু ঠাকুৰ, বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰণালয়ৰ সচিব টি. কে. ৰাম চন্দ্ৰন; বিশাখাপট্টনমৰ সাংসদ এম. শ্ৰীভৰত; বিমষ্টেকৰ সচিব প্ৰধান ইন্দ্ৰমণি পাণ্ডে আৰু বিশাখাপট্টনম বন্দৰ প্ৰাধিকৰণৰ অধ্যক্ষ ডঃএম. অংগমুথুৰ লগতে চৰকাৰৰ অন্যান্য বিষয়াসকল উপস্থিত আছিল।

## নগাঁও পৌৰসভাৰ জাৱৰ

বৃদ্ধি কৰা, পৰিবেশৰ প্ৰভাৱ কম কৰা আৰু সম্পদ উদ্ধাৰ সৰ্বাধিক কৰা। আজিৰ এই উদ্বোধনী অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে নগাঁও পৌৰসভাৰ পৌৰপতি অম্বিকা মজুমদাৰে। প্ৰকল্পটি উদ্বোধন কৰি মন্ত্ৰী গৰাকীয়ে তেওঁৰ ভাষণত প্ৰথমেই নগাঁও পৌৰসভাই জাৱৰ নিষ্কাষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা সুন্দৰ পদক্ষেপৰ বাবে নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু পৌৰসভাৰ সকলো কৰ্মকৰ্তাক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেখেতে নগাঁও জিলাখনক জাৱৰমুক্ত এখন সুন্দৰ জিলা হিচাপে গঢ়ি তুলি দেশৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ স্বচ্ছ ভাৰত অভিযানৰ এটি অংশ হিচাপে স্বচ্ছ ভাৰত নিৰ্মাণ কৰাত অৱদান আগবঢ়াবলৈ সকলোকে আহ্বান জনায়। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকি নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই তেওঁৰ ভাষণত কয় যে, নগাঁও পৌৰসভাই চহৰখনৰ উন্নয়নৰ বাবে যথেষ্ট কাম কৰিছে। তাৰে এটা উল্লেখযোগ্য নিদৰ্শন হ'ল জাৱৰ নিষ্কাষণৰ বাবে লোৱা এই পদক্ষেপ। তেখেতে এই ৪০ বিঘা মাটিৰে আবৃত ড্ৰামপিং গ্ৰাউণ্ডখনত পিছলৈ এখন উদ্যান খোলাৰ কথাও সভাত উল্লেখ কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই নগাঁও পৌৰসভাৰ উপ পৌৰপতি সীমান্ত বৰাই। আজিৰ এই প্ৰকল্প উদ্বোধনী অনুষ্ঠানত নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, অতিৰিক্ত আয়ুক্ত দেবাহুতি বৰা, নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষধ্ৰুৱ শৰ্মা, সমাজকৰ্মী মণিমাধৱ মহন্ত, সমাজকৰ্মী ৰঞ্জিত বৰদলৈ, নগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া পংকজ ভূএগ্ৰা, কাৰ্যবাহী অভিযন্তা ৰাজেশ দাস, পৌৰসভাৰ বাৰ্ড কমিছনাৰ সকলকে প্ৰমুখ্য কৰি সংশ্লিষ্ট বিভাগৰ বিষয়া কৰ্মচাৰী আৰু বহুসংখ্যক স্থানীয় ৰাইজ উপস্থিত থাকে।

## টীম ৰুদ্ৰ'ৰ সৈতে মাজুলীত

লগত নিমাতী ঘাটৰ পৰা মাজুলীৰ অফলামুখ ঘাটত ৰ'পে'ৰে উপস্থিত হৈ অভিনেতা গৰাকী পোনেই নতুন চামগুৰি সত্ৰত উপস্থিত হয়। অভিনেতা গৰাকী সহ 'টীম ৰুদ্ৰ' সত্ৰখনত উপস্থিত হৈ সত্ৰ খনৰ সত্ৰীয়া তথা বিশিষ্ট মুখা শিল্পী পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীৰ সৈতে বাৰ্তালাপ কৰে। অভিনেতা ৰবি শৰ্মাই বিশিষ্ট মুখাশিল্পী হেমচন্দ্ৰ গোস্বামীক 'ৰুদ্ৰ'ত মুখা সংস্কৃতিক কিদৰে তুলি ধৰা হৈছে সেই সন্দৰ্ভতো অৱগত কৰে। ইফালে সাংবাদিকৰে হোৱা এক আছুতীয়া সাক্ষাৎকালত ৰবি শৰ্মাই বিশেষকৈ ৰাজ্যৰ চলচ্চিত্ৰ উদ্যোগক লৈ বহুকেইটা মন্তব্য কৰে। তেওঁ কয় আজি মাজুলীত উপস্থিত হৈ ৰুদ্ৰৰ প্ৰচাৰ আৰু চিনেমা খন চোৱা দৰ্শকক কৃতজ্ঞতা দিয়াৰ উদ্দেশ্যেৰেই মাজুলীত উপস্থিত হৈছোঁ যদিও আমিও ইয়াৰ পৰা বহুত বস্তু আচলতে লৈ যাম। কলা সংস্কৃতিৰ প্ৰতি আমাৰ যি শ্ৰদ্ধা আছিল সেয়া মাজুলীলৈ আহি সেই শ্ৰদ্ধা দুগুণে বৃদ্ধি পালে বুলি উল্লেখ কৰে। ইফালে অভিনেতা গৰাকীয়ে মাজুলীৰ গৌৰৱ মুখা শিল্প, ইয়াৰ কৃষ্টি-সংস্কৃতিক লৈ ভৱিষ্যতৰ দিনত ঐতিহ্য ৰক্ষা কৰি, শিপাক গুৰুত্ব দি আধুনিক কাহিনীৰ সৃষ্টিৰে চিনেমা নিৰ্মাণ কৰিম বুলিও তাৎপৰ্যপূৰ্ণ ঘোষণা কৰে। ইফালে মাজুলীত এটা ছবিগৃহৰ প্ৰয়োজনীয়তাৰ সন্দৰ্ভত অভিনেতা গৰাকীয়ে কয় মাজুলীত এটা ছবিঘৰৰ প্ৰয়োজন আছে। যিহেতু চলচ্চিত্ৰ হৈছে সমাজ এখনৰ চানেকি। বাহিৰৰ পৃথিৱী খনৰ লগত সংযোজিত হৈ থাকিবলৈ হলেও ছবি একমাত্ৰ মাধ্যম। গতিকে চৰকাৰে মাজুলীত এটা ছবিঘৰৰ ব্যৱস্থা কৰিব বুলি তেওঁ আশা ব্যক্ত কৰে। অভিনেতা গৰাকীয়ে সমগ্ৰ অসমতেই যি সমূহ ঐতিহাসিক ছবিগৃহ আছে সেই সমূহ পুনৰোজ্জীৱিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কলা-সংস্কৃতিয়ে ৰজাঘৰীয়াৰ পৃষ্ঠপোষকতা নাপালে আগুৱাই যোৱাটো অসম্ভৱ বুলি তেওঁ তাৎপৰ্যপূৰ্ণভাৱে উল্লেখ কৰে। অভিনেতা গৰাকীয়ে মাজুলীবাসীক ৰুদ্ৰ চিনেমাখন কাষৰীয়া জিলাৰ ছবিঘৰত হলেও গৈ চাবলৈ আহ্বান জনায়।

## গণৰোষৰ বল বিধায়ক

হব লগা হ'ল লাহৰীঘাটত কোনো কালে সংঘটিত নোহোৱা এক পৰিস্থিতিৰ। কংগ্ৰেছৰ দুৰ্গ লাহৰীঘাটত কংগ্ৰেছী বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ একাংশ দলীয় কৰ্মীৰ ৰোষৰ বলি হ'ব লগা হ'ল নিজা সমষ্টিত। কেবা শতাধিক ক্ষুব্ধ দলীয় কৰ্মীয়ে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰি একপ্ৰকাৰ বিধায়ক গৰাকীৰ বাহনৰ পাছে পাছে পঘু খেদা দিয়ে। হঠাতে ক্ষুব্ধ দল টোৰ সৈতে চামিল হয় কেবাশতাধিক দলীয় কৰ্মী। বিধায়ক গৰাকীয়ে দলীয় কৰ্মীৰ ৰুদ্ৰ মুৰ্তী দেখি লাহৰীঘাট উন্নয়ন খণ্ড কাৰ্যালয়ৰ পৰা নিজা গাড়ীৰে নিৰাপদ স্থানলৈ যাবৰ বাবে চেষ্টা কৰে যদিও তীব্ৰ প্ৰত্যাহ্বান নেওচি নিৰাপদ স্থানলৈ যাবলৈ অপাৰগ হয়। অৱশেষত আৰক্ষীৰ দৃঢ় পদক্ষেপত উন্নয়ন খণ্ড কাৰ্যালয়ৰ পৰা কোনোমতে ওলাই যাবলৈ সক্ষম হয়। ফলত ক্ষুব্ধ ৰাইজৰ ৰোষৰ পৰা কোনোমতেহে ৰক্ষা পৰে বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰ। ঘটনাৰ বিবৰণী মতে আজি লাহৰীঘাট উন্নয়ন খণ্ড কাৰ্যালয়ত লাহৰীঘাট আঞ্চলিক পঞ্চায়ত গঠনৰ বাবে সভা অনুষ্ঠিত কৰা হৈছিল। উক্ত সভাত সভাত উপস্থিত আছিল বিধায়ক নাজাৰ। লাহৰীঘাট কংগ্ৰেছত লবী কেন্দ্ৰীক ৰাজনীতিৰ বাবে কংগ্ৰেছৰ নিৰ্বাচিত প্ৰাৰ্থীসকল দুটা শিবিৰত বিভক্ত হৈ পৰিছিল যদিও অৱশেষত ডাঃ আছিফ মহম্মদ নাজাৰৰ শিবিৰেই আঞ্চলিক পঞ্চায়ত গঠন কৰাতো নিশ্চিত হৈছিল। কিন্তু তৎসত্ত্বেও ৰহস্যজনক ভাৱে সভাপতি বাছনিত কেন্দ্ৰ কৰি এটা পক্ষৰ সমৰ্থকে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। একাংশ ক্ষুব্ধ লোকে কৰা অভিযোগ মতে আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী হিচাপে পূৰ্ণিমা বেগমক বাছনি কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰে। কিন্তু সেই প্ৰতিশ্ৰুতি ভংগ কৰি নাজাৰে অৱশেষত পূৰ্ণিমা বেগমক উপ সভানেত্ৰী হিচাপে বাছনি কৰাত উন্নয়ন খণ্ড কাৰ্যালয়ত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে হয় পূৰ্ণিমা বেগমৰ সমৰ্থকে। তেনে পৰিস্থিতিত লাহৰীঘাট সমজিলাৰ আৰক্ষী অধীক্ষক দিগন্ত বৰুৱাৰ নেতৃত্বত আৰক্ষী বাহিনী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে। আৰক্ষীয়ে পৰিস্থিতি নিৰন্ত্ৰণ কৰিবলৈ সক্ষম হয়। পৰিস্থিতি শান্ত হোৱা বুলি অনুমান কৰি বিধায়ক নাজাৰ আঞ্চলিক পঞ্চায়ত গঠনৰ পিছত সভা কক্ষৰ পৰা ওলাই অহা মাত্ৰকে ক্ষুব্ধ দলীয় কৰ্মীয়ে কুৰুক্ষেত্ৰ সদৃশ পৰিবেশৰ সৃষ্টি কৰি বিধায়ক গৰাকীৰ গাড়ীৰ পাছে পাছে খেদা লয়। অৱশেষত বিধায়ক নাজাৰৰ গাড়ী আগুচি ধৰি জবাবদিহি কৰে ৰাইজে। ক্ষুব্ধ দলীয় কৰ্মীৰ বেষ্টনি ফালি নাজাৰৰ গাড়ী আগবাঢ়িব ধৰে যদিও বিধায়ক জনৰ গাড়ী সন্মুখত গৈ গাড়ী আগছি ধৰি যোৱাত বাধা প্ৰদান কৰে। পিছত আৰক্ষীৰ সহযোগত বিধায়ক নাজাৰে কোনোমতে গণৰোষৰ বলি নোহোৱাকৈ আঁতৰি যাবলৈ সক্ষম হয়। পৰৱৰ্তী সময়ত ক্ষুব্ধ একাংশ দলীয় কৰ্মীয়ে লাহৰীঘাট স্থিত বিধায়ক আছিফ মহম্মদ নাজাৰৰ বাসগৃহৰ সন্মুখত গৈ বিভিন্ন শ'গানেৰে উত্তপ্ত পৰিবেশৰ সৃষ্টি কৰে। গৃহ সমষ্টিতেই বিধায়ক আছিফ মহম্মদ নাজাৰক ক্ষুব্ধ দলীয় কৰ্মীৰ দ্বাৰা এনে পৰিবেশৰ সন্মুখীন হোৱাৰ পাছত ৰাজনৈতিক মহলত সৰৱ চৰ্চা চলিছে। কংগ্ৰেছৰ দুৰ্গ হিচাপে খ্যাত লাহৰীঘাট সমষ্টিত লবী কেন্দ্ৰিক ৰাজনীতিয়ে কংগ্ৰেছ দলক দুভাগত বিভক্ত কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ টিকট কেন্দ্ৰীক সংঘাতৰ পৰাই উমি উমি জ্বলা লবি কেন্দ্ৰীক ৰাজনীতিয়েই আজি যেন খাণ্ডৱ দাহনত পৰিণত হ'ল। এনে পৰিস্থিতিত ২০২৬ চনৰ বিধান সভা নিৰ্বাচনত এই লবিকেন্দ্ৰীক ৰাজনীতিক প্ৰতিহত কৰিবলৈ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰে কি কৌশল অৱলম্বন কৰে সেয়া লক্ষণীয় হ'ব।

## ধেমাজিৰ ৰাজ্যিক গ্ৰামীণ জীৱিকা

ভাৰতীয় ষ্টেট বেংকৰ ধেমাজি শাখাত ২৪টা ভুৱা একাউণ্ট খোলা হৈছিল, যাৰ জৰিয়তে ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জ্ঞাতিৰ বাহিৰে ১৩টা আত্মসহায়ক গোটৰ নামত ৬০ লাখ টকা উলিয়াই নিয়া হৈছে। ইয়াৰ উপৰিও আৰু ১১টা গোটৰ নামত ধন উলিয়াবলৈ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ সময়তে এই কেলেংকাৰীৰ বিষয়টো পোহৰলৈ আহে। পৰিচালকদ্বয়ে জানিবলৈ দিছে যে এই ঘটনাত ৪৮টা আত্মসহায়ক গোটৰ ৪৮০ গৰাকী মহিলাৰ নাম জড়িত হৈছে। তথাপি বেংকে ইতিমধ্যে বহুতো গোটক আপত্তিবিহীন পত্ৰ প্ৰদান কৰিছে। এই কোটি টকাৰ কেলেংকাৰীৰ মূল অভিযুক্ত হিচাপে বেংক মিত্ৰ কল্পনা চেতিয়া বৰ্মনৰ নাম উঠি আহিছে। তদুপৰি, এই ঘটনাত কাৰ্যালয়ৰ কিছু কৰ্মচাৰী আৰু বেংকৰ এটা চক্ৰৰ জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। মূল অপৰাধী কল্পনা চেতিয়া বৰ্মনক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। পৰিচালকসকলে কয় যে তদন্তৰ জৰিয়তে এই কোটি টকাৰ কেলেংকাৰীৰ সম্পূৰ্ণ তথ্য পোহৰলৈ অহাটো নিশ্চিত। তেওঁলোকে আশা প্ৰকাশ কৰিছে যে এই তদন্তৰ ফলাফলে ঘটনাৰ সকলো দিশ স্পষ্ট কৰিব আৰু জড়িত সকলোৰে বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## ৰইঙত অসমৰ শ্ৰমিকক হত্যা

দেওবাৰৰ সন্ধিয়া ৰইঙত সংঘটিত হয়। মৃত শ্ৰমিকজন বিশ্বনাথ জিলাৰ বৰজুলি গাঁৱৰ বাসিন্দা শংকৰ পেগু। আৰক্ষীৰ তথ্য অনুসৰি, অৰুণাচল প্ৰদেশৰ পাপুম পাৰে জিলাৰ ছাগালীৰ বাসিন্দা তদৰ ভাই নামৰ এজন ব্যক্তিয়ে ৰবিবাৰৰ সন্ধিয়া প্ৰায় ৪ বজাত শংকৰ পেগুক গুলীয়াই হত্যা কৰে। অভিযুক্ত তদৰ ভায়ে আহত শংকৰ পেগুক ওচৰৰ চিকিৎসালয়লৈ নিনিয়াৰ পৰিৱৰ্তে প্ৰায় ৪০০ কিলোমিটাৰ দূৰৰ নাহৰলাগুনৰ টোমো ৰিবা ইনষ্টিটিউট অৱ হেল্থ এণ্ড মেডিকেল ছায়েন্সেচ (TRIHMS)লৈ লৈ যায়। ৰাতি প্ৰায় ১১ বজাত শংকৰ পেগুক হাস্পতালত ভৰ্তি কৰা হয়, কিন্তু সোমবাৰৰ পুৱা তেওঁৰ মৃত্যু হয়। আই জি পি (আইন আৰু শৃংখলা) চুখু আপাই জানিবলৈ দিয়া মতে, "ওচৰৰ চিকিৎসালয় যেনে ডিব্ৰুগড় বা ৰইঙত তৎক্ষণাৎ চিকিৎসা নোহোৱাৰ কাৰণৰ তদন্ত চলি আছে।" আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে আৰু অপৰাধত ব্যৱহৃত পিষ্টলটোও জব্দ কৰিছে। ৰইং থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১০৩(১) ধাৰা (হত্যাৰ অভিযোগ) আৰু আৰ্মছ এক্টৰ ২৭(১) ধাৰাৰ অধীনত এখন গোচৰ ৰুজু কৰা হৈছে। মৃত শংকৰ পেগুৰ পিতৃ-মাতৃ, পত্নী আৰু দুগৰাকী কন্যা সন্তান জীয়াই আছে। উল্লেখযোগ্য যে, এই ঘটনা লোৱাৰ দিবাং ভেলীত এসপ্তাহৰ ভিতৰত প্ৰব্ৰজনকাৰী শ্ৰমিকৰ সৈতে জড়িত দ্বিতীয় গুৰুতৰ ঘটনা। ১১ জুলাইত ৰইংত এজন প্ৰব্ৰজনকাৰী শ্ৰমিকক নাবালিকাৰ যৌন নিৰ্যাতনৰ অভিযোগত উত্তেজিত জনতাই হত্যা কৰিছিল। এই ঘটনাৰ পিছত জিলা প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰি অঞ্চলটোত চলাচলৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছে, যি এতিয়াও বলৱৎ আছে।

## হাজোৰ খাৰুৱা তেল চুৰি

অঞ্চলটোৰ একাংশ পুৰুষ মহিলাই তেল নিবলৈ খেতিপথাৰত হেতা-ওপৰা লগাই। জানিব পৰা মতে, দেওবাৰে পুৱাৰ ভাগত স্থানীয় কৃষক এজনে পথাৰত গৰু এৰাল দিবলৈ গৈ খাৰুৱা তেলৰ উৎকট গোন্ধ পায়। তেলৰ গোন্ধ অনুকৰণ কৰি কৃষকজনে কিছু দুৰ গৈ প্ৰত্যক্ষ কৰে যে পথাৰৰ একাংশত ঘাহ-বন কলা পৰি গৈছে আৰু পথাৰখনত খাৰুৱা তেলৰ ডোঙা বান্ধি আছে। ততালিকে কৃষকজনে ঘটনাৰ বিষয়ে গাঁৱত সদৰি কৰাত অঞ্চলটোৰ অগণন লোক আহি ঘটনাস্থলীত উপস্থিত হয়। পিছত গেৰুৱা অভয়পুৰ, দধি, বড়গাঁৱৰ একাংশ পুৰুষ-মহিলাই হাতে হাতে বাল্টি, গেলান, বটল, ড্ৰাম যিয়ে যেনেকৈ যি পাৰে হাতত লৈ নিৰ্গত খাৰুৱা তেল ভৰাবলৈ হেতা-ওপৰা লগায়। অৱশ্যে ঘটনাৰ খবৰ পোৱা মাত্ৰকে হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ৰাইজক চত্ৰভঙ্গ দিয়াবলৈ চেষ্টা কৰে। ইফালে তেল পৰিবাহী পাইপ ফুটা হোৱা খবৰৰ ভিত্তিত ভাৰতীয় তেল নিগমৰ এটি বিশেষজ্ঞৰ দল ঘটনাস্থলিত উপস্থিত হৈ পথাৰত তন্ন- তন্নকৈ পৰীক্ষা চলাই পথাৰত প্ৰত্যক্ষ কৰে এটি গাত আৰু এখন লোৰ সঁজুলি। কোনো দুষ্ট চক্ৰই নিশা পথাৰত গাত খান্দি মাটিৰ তলেদি যোৱা খাৰুৱা তেল পৰিবাহী পাইপ ফুটা কৰি তেল চুৰি কৰিবলৈ অপচেষ্টা চলোৱা বুলি জানিবলৈ দিয়ে বিভাগীয় লোকসকলে। যাৰ পৰিণতিত পাইপয় পৰা অহৰহ গতিত তেল নিৰ্গত হবলৈ লৈছিল বুলিও জনায় বিশেষজ্ঞৰ দলটোৱে। অৱশ্যে বিশেষজ্ঞৰ দলটিয়ে পাইপৰে খাৰুৱা তেলৰ চলাচল বন্ধ কৰি বিশেষ কৌশলেৰে নিৰ্গত হোৱা কিছু পৰিমাণৰ খাৰুৱা তেল উদ্ধাৰ কৰি লৈ যায় বুলিও জানিব পৰা গৈছে।

## পাকিস্তানী হেকাৰৰ কবলত

জিন্দাবাদ" আৰু "ইণ্ডিপেণ্ডেণ্ট কাশ্মীৰ"ৰ দৰে শ্ল'গান পোষ্ট কৰিছিল। গ্ৰন্থাগাৰৰ লাইব্ৰেৰীয়ান প্ৰশান্ত কুমাৰ ডেকাই জনোৱা মতে, এই চাইবাৰ আক্ৰমণৰ বিষয়ে সোমবাৰে পুৱা প্ৰথমে জানিব পৰা গৈছিল আৰু তৎক্ষণাত প্ৰতিৰোধৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। বৰ্তমান ৰিম'ট লগইন ছিষ্টেমটো হেকাৰৰ হাতৰ পৰা উদ্ধাৰ কৰা হৈছে আৰু ইয়াৰ সুৰক্ষা আৰু সম্পূৰ্ণ কাৰ্যক্ষমতা নিশ্চিত কৰাৰ বাবে প্ৰচেষ্টা চলি আছে। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই এই বিষয়ে আহমেদাবাদৰ ইণ্ডিয়ান এ'ছে মেনেজমেণ্ট ফেডাৰেশ্যনৰ সৈতে যোগাযোগ কৰি ছিষ্টেমটো সুৰক্ষিত কৰাৰ কাম আৰম্ভ কৰিছে। ইফালে এই ঘটনাই ছাত্ৰ-ছাত্ৰীৰ মাজত তীব্ৰ উদ্বেগৰ সৃষ্টি কৰিছে। তেওঁলোকে বিশ্ববিদ্যালয় প্ৰশাসন আৰু চৰকাৰী চাইবাৰ সুৰক্ষা সংস্থাৰ পৰা এই বিষয়ত তৎকালীন পদক্ষেপ গ্ৰহণৰ দাবী জনাইছে। যদিও ছিষ্টেমটো পুনৰুদ্ধাৰ কৰা হৈছে, বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এতিয়াও এই বিষয়ে আনুষ্ঠানিক বিবৃতি প্ৰকাশ কৰা নাই। এই ঘটনাই ডিজিটেল সুৰক্ষাৰ গুৰুত্বৰ বিষয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত চাইবাৰ সুৰক্ষাৰ প্ৰতি সজাগতা বৃদ্ধিৰ প্ৰয়োজনীয়তা পুনৰ প্ৰতিপন্ন কৰিছে।

## চৰাইদেউত আলফা স্বাধীনৰ

লিংকমেনৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে এই অভিযান চলায়। সমাগত স্বাধীনতা দিৱসত সম্ভাব্য কূটাঘাত ৰোধৰ লক্ষ্যৰে আৰক্ষীয়ে এই অভিযান তীব্ৰতৰ কৰি তুলিছে। গ্ৰেপ্তাৰ হোৱা লিংকমেনসকল হৈছে চৰাইদেউ জিলাৰ সোণাৰিৰ হেক্সাটুপৰ শংকু দাস, চিৰাজউদ্দিন আলী, ইমৰাণ আলী, সুৰজিত দে, কামৰূপ জিলাৰ জালুকবাৰীৰ অসীম অধিকাৰী, দৰং জিলাৰ ছিপাঝাৰৰ ধৰ্মেন্দ্ৰ ডেকা, ওদালগুৰিৰ ধ্ৰুৱজ্যোতি বৈশ্য আৰু বলেন ডেকা আৰু নাগালেণ্ডৰ আহম কন্যাক আৰু য়েটৰাং কন্যাক। আটক কৰা লিংকমেনসকলৰ পৰা তথ্য সংগ্ৰহৰ বাবে আৰক্ষীয়ে সোধাপোচা অব্যাহত ৰাখিছে। নিষিদ্ধ ঘোষিত সংগঠনটোৰ কাৰ্যকলাপ নিষ্ক্ৰীয় কৰি ৰাজ্যখনৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ভৱিষ্যতেও এই অভিযান চলি থাকিব বুলি চৰাইদেউ জিলাৰ উপ-আৰক্ষী অধীক্ষক গজানন্দ শৰ্মাই প্ৰকাশ কৰিছে।

## বৃক্ষৰোপণৰ বিকল্প চিন্তা

অথবা অক্সিজেন গেছ লাগে আৰু সেউজ উদ্ভিদ জীৱন্ত হৈ থাকিবলৈ এঙাৰ গেছ বা কাৰ্বন ডাই-অ'ইড গেছৰ নিতান্তই প্ৰয়োজন। জীৱ প্ৰকৃতিয়ে উশাহত অম্লজান আহৰণ কৰে আৰু নিশাহত এঙাৰ গেছ এৰি দিয়ে। অন্যহাতে গছ-গছনি বা উদ্ভিদ জীয়াই থাকিবলৈ এঙাৰ গেছৰ প্ৰয়োজন হয় আৰু উদ্ভিদে এঙাৰ গেছ বিশুদ্ধিকৰণ কৰি অম্লজান বা অক্সিজেন গেছ বায়ুমণ্ডলত এৰি দিয়ে।

গছ-গছনি, মানুহকে মুখ্য কৰি অন্যান্য জীৱ প্ৰকৃতি জীয়াই থকাৰ বা জীয়াই ৰখাৰ আশাৰ সঞ্জীৱনী সুধা। গছে জীৱজগতৰ আহাৰ, পানী আৰু বায়ু-বতাহৰ যোগান ধৰাৰ উপৰিও ছাঁ দিয়ে, ফল-ফুল আদি দিয়ে আৰু ই জীৱন-জীৱিকা ৰক্ষাৰ অফুৰন্ত সমল, সম্বল। সেয়ে স্বৰূপতে গছ-বিৰিখ আমাৰ বৰ উপকাৰী সম্পদ। গছ-বিৰিখৰ পৰা আমি খৰি, কাঠ, কাগজ তৈয়াৰ কৰা মণ্ড আদি পাওঁ। মূল্যবান গছৰ কাঠেৰে মানুহে মানুহৰ দৈনন্দিন ব্যৱহাৰত অহা ঘৰ-দুৱাৰ নিৰ্মাণ কাৰ্যত, কাঠৰ চকী-মেজ, বিছনা, আলমাৰিকে মুখ্য কৰি বিধে বিধে দেখনিয়াৰ তথা অতি প্ৰয়োজনীয় আচবাব-পত্ৰাদি তৈয়াৰ কৰি লয় আৰু ল'ব পাৰে। পাহাৰ-পৰ্বতৰ গৰ্ভত বহুকাল পূৰ্বৰে পৰা বহু বুঢ়া হৈ মৰি-জহি যোৱা অলেখ ধৰণৰ কাঠ যুগ যুগ ধৰি জাহ গৈ আছে। , যিবোৰক আমি খনিজ সম্পদ কয়লা বুলি কওঁ। এনেবোৰ কাঠ কয়লা আমাৰ অতি মূল্যবান প্ৰাকৃতিক সম্পদ হিচাপে পৰিগণিত হৈ আহিছে। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জৰিয়তে বহুবোৰ কল-কাৰখানাত নানান তৰহৰ উপকৰণ উৎপাদন কৰাৰ ক্ষেত্ৰত ইন্ধন হিচাপে ব্যৱহাৰ কৰে এই কয়লা। এইখিনিলৈকে আমি গছ-বিৰিখৰ পৰা ৰক্ষিত হোৱা প্ৰাকৃতিক পৰিৱেশৰ বায়বীয় ভাৰসাম্য, খৰি-কাঠৰ ব্যৱহাৰ্যতা আৰু মূল্যবান কাঠৰ পৰা উদ্‌গীৰিত কয়লা ইন্ধনৰ ব্যৱহাৰ প্ৰণালী আদিৰ কথা থাউকতে উল্লেখ কৰিলোঁ।

এতিয়া আমি আৰু অলপ বহলাই আলোচনা কৰিব বিচাৰোঁ। গছ-গছনি নহলে পৃথিৱীৰ উপৰিভাগত কেনে সমস্যাৰ উদ্ভৱ হ'ব পাৰে। হয়, গছ-গছনি আমাৰ প্ৰাণীজগতৰ বাবে একঅপৰিহাৰ্য অঙ্গবিশেষ। গছ-গছনি নাথাকিলে বা গছ-গছনি কাটি পৃথিৱী পৃষ্ঠৰ বুকু উদং কৰিলে পৃথিৱীখন মৰুভূমি সদৃশ হ'ব আৰু অন্যান্য শইচ-ফচল আদি কেতিয়াও উৎপাদিত নহ'ব আৰু তপতপ্ৰায় মৰুময় পৰিৱেশত সেউজী প্ৰকৃতি মৰহি যোৱাৰ লগতে শস্যবিহীন বাতাবৰণত প্ৰাণীজগতৰ মাজত দুৰ্ভিক্ষ সৃষ্টি হৈ পৰিব। গতিকে আমাক লাগে প্ৰকৃতি ৰাজ্যখন সমৃদ্ধিকৰণ আৰু সৌন্দৰ্য বৰ্ধনৰ নিমিত্তেও গছ-গছনি অতীৱ প্ৰয়োজন।

তেনেহেন উদ্দেশ্য একোটা সমুখত আগত ৰাখিয়েই হয়তো আজিৰ চৰকাৰ বা চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষসমূহে বিশ্বৰ বুকুত গছ-গছনি ৰোপণৰ পোষকতা কৰিছে। বিদ্যালয়ৰ শিক্ষাৰ্থীসকলকো এনে আঁচনিৰ ভিতৰত সন্নিৰিষ্ট কৰিবলৈ প্ৰচেষ্টা চলাইছে। এয়া হওঁতে যথাৰ্থতেই বেচ ভাল কথা, সজ চিন্তা-পৰিকল্পনা। কাকতে-পত্ৰে, ইলেক্ট্ৰনিক মাধ্যমৰ জৰিয়তে আৰু চৰকাৰী কাৰ্যালয় আদিৰ যোগেদি ভূমিকা লোৱা হৈছে যে প্ৰতিখন বিদ্যালয়ৰ চৌহদত অতি কমেও সত্তৰটাকৈ গছ পুলি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ যোগেদি ৰোপণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

এইখিনিলৈকে বাৰু ঠিকেই আছে। কিন্তু চৰকাৰী আঁচনিমতে একে-তিলে ভুকুতে কল পকাব লাগে। ছাত্ৰ-ছাত্ৰীয়ে গছপুলি ৰুব, ডাঙৰ হ'ব, সেউজী প্ৰকৃতিয়ে শোভা বৰ্ধন কৰিব। ব্যৱহাৰিকতাত আমি বহুতো খুঁট দেখিবলৈ পাইছোঁ। স্কুল চৌহদৰ পৰিৱেশ সুৰক্ষিত নহ'লে গছপুলিবোৰ ৰোপণ কৰাৰ পাছত যথাযথভাৱে আদৰ-যতন নেপালে গছপুলিবোৰ বাৰু বাছি থাকিবনে? থিতাতে মৰহি যাবলৈ ধৰিব। গৰু-ছাগলীৰ পেটৰ আহাৰহে হ'ব। ঠিক আছে চৰকাৰে যদিহে ইবোৰৰ সুৰক্ষা আৰু প্ৰতিপালনৰ বাবে প্ৰয়োজন হোৱা টকা-পইচাদি আৱণ্টন নিদিয়ে তেতিয়াহলে বাৰু ক্ষন্তেকীয়া আৱেগত মাথোন এনে কাৰ্যসূচী ল'লে যথাযথ ফল লাভ কৰিব পাৰিবনে? তাতে বহুবোৰ স্কুল চৌহদত আহল-বহল মাটি-বাৰীয়েই নাই। তেনেস্থলত পুলিবোৰ বাৰু ৰুব ক'ত? গতিকে অসুবিধা এইক্ষেত্ৰত বহুতেই আছে। গতিকে এনে আঁচনি ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা যথাৰ্থতেই কম। গতিকে এনেহেন কামৰ বাবে চৰকাৰে বিদ্যালয় পৰিচালনা সমিতিক চৰকাৰে খা-খৰচৰ যোগান ধৰি সাম্প্ৰতিক সমাজৰ 'জব কাৰ্ড' ৰ আঁচনিত কাম কৰা কৰ্মীসকলৰ যোগেদি কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰিলেহে ফলপ্ৰসূ হ'ব পাৰে বুলি আমি ভাৱোঁ।

## মানকাচৰত নৈশবাছৰ পৰা

দাসৰ তত্ত্বাৱধান আৰু মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দ্বীপক বৰগোহাঁৰীৰ নেতৃত্বত আৰক্ষীৰ দল এটাই সোনাপুৰত নৈশ বাছত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। এএছ ০১ টিচি ০৩৭৫ নম্বৰৰ আশীৰ্বাদ নামৰ নৈশ বাছখনৰ পৰা আৰক্ষীয়ে কুচনিমাৰা জোৰডাঙা গঁৱৰ প্ৰয়াত ময়নাল হকৰ পুত্ৰ আশিক বাবুক (২৬) কৰায়ত্ব কৰি তেওঁৰ পৰা ৫০ হেজাৰ নিচাজাতীয় টেবলেট জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা নিচাজাতীয় টেবলেটখিনিৰ বজাৰমূল্য ১০ কোটি টকা হ'ব বুলি জিলা আৰক্ষীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হৰেন টকবী এক সংবাদমেলযোগে প্ৰকাশ কৰিছে। দিনৰ প্ৰায় ১১.৩০ বজাত জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে মানকাচৰ থানাত এক সংবাদমেল অনুষ্ঠিত কৰি কয় যে, কালিৰে পৰা অতিৰিক্ত আৰক্ষী অধীক্ষকৰ তত্ত্বাৱধানত মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকী ড্ৰাগছখিনি জব্দ কৰাৰ বাবে সৰবৰাহকাৰী আশিকক ট্ৰেক কৰি আছিল। গুৱাহাটীৰ আইএছবিটিৰ পৰা নৈশবাছখন মানকাচৰলৈ আহি থকা অৱস্থাত হাটশিঙিমাৰী-মানকাচৰ পথৰ সোনাপুৰত বাছখন ৰখাই আৰক্ষীয়ে তালাচী চলায়। প্ৰথমে আশিক বাবুক কৰায়ত্ব কৰাৰ পাচত তেওঁৰ পৰা নিচাজাতীয় টেবলেটখিনি জব্দ কৰা হয়। আৰক্ষীয়ে নিচাজাতীয় টেবলেটখিনি জব্দ কৰাৰ সময়ত জিলা কাৰ্যবাহী দণ্ডাধীশ পাপু গগৈ উপস্থিত আছিল। জব্দ কৰা টেবলেটখিনি মনিপুৰৰ পৰা গুৱাহাটীলৈ অনাৰ পাচত গুৱাহাটীৰ পৰা মানকাচৰলৈ অনা হৈছিল। ইফালে, সৰবৰাহকাৰী আশিক মানকাচৰৰ বিভিন্ন ড্ৰাগছ ব্যৱসায়ীৰ লগতে মেঘালয় আৰু চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশতো সৰবৰাহ কৰাৰ কথা আছিল বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ইতিমধ্যে আশিক বাবুৰ পৰা বহু তথ্য লাভ কৰিছে। কম সময়ৰ ভিতৰত এই ড্ৰাগছকাণ্ডৰ সৈতে জড়িত ড্ৰাগছ মাফিয়াৰ নেটৱাৰ্ক গ্ৰেপ্তাৰ হোৱাৰ সম্ভাৱনা আছে বুলি জিলা আৰক্ষীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকজনে দাবী কৰি কয় যে, এই ড্ৰাগছ কাণ্ডৰ লগত জড়িত কাকো আৰক্ষীয়ে এৰি নিদিয়ে।

## নিৰ্বাচন আয়োগক শাসকীয় দলৰ

ষড়যন্ত্ৰ ৰচনা কৰা বুলি অভিযোগ উত্থাপন কৰিছে কংগ্ৰেছ দলে। নিৰ্বাচন আয়োগ (ইচি)ৰ নিৰপেক্ষতাক লৈও প্ৰশ্ন উত্থাপন কৰি শাসকীয় দলৰ হাতত "পুতলা" হৈ পৰা বুলি দাবী কৰে কংগ্ৰেছে। সংবাদমেল সম্বোধন কৰি কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ চৰণ সিং চপ্ৰাই অভিযোগ কৰে যে, ইচিয়ে কোনো ৰাজহুৱা ব্ৰিফিং বা স্বচ্ছতা অবিহনে বিহাৰত নিৰ্বাচনী তালিকাৰ ব্যাপক সংশোধনৰ কাম আৰম্ভ কৰিছে। লগতে তেওঁ অভিযোগ উত্থাপন কৰে যে, "নাগৰিকসকলৰ ওপৰত অতিৰিক্তভাৱে হেঁচা জাপি দি" তেনে কৰিছে। তেওঁ প্ৰশ্ন কৰে যে, "নিৰ্বাচন আয়োগে ইমান বৃহৎ অভিযান আৰম্ভ কৰাৰ পূৰ্বে বিভিন্ন অংশীদাৰৰ সৈতে কিয় আলোচনা নকৰিলে?" তেওঁ কয় যে, "আয়োগক নিৰপেক্ষ আম্পায়াৰ হিচাপে গণ্য কৰা হৈছিল, কিন্তু এতিয়া তেওঁলোক নিজেই এজন খেলুৱৈ হৈ পৰিছে — শাসকীয় দলৰ হৈ খেলিছে।" সংবাদ সভাত উপস্থিত থকা প্ৰাক্তন সাংসদ তথা ৰাজ্যিক দলৰ নেতা ৰিপুণ বৰাইও দাবী কৰে যে, মহাৰাষ্ট্ৰ আৰু বিহাৰৰ দৰেই বিজেপিয়ে অসমত ইচি ব্যৱহাৰ কৰি কংগ্ৰেছ সমৰ্থকৰ নাম শুদ্ধিকৰণ বা পুনৰীক্ষণৰ নামত ভোটাৰ তালিকাৰ পৰা বাদ দিছে।" আগন্তুক বিহাৰ নিৰ্বাচনৰ কথা উল্লেখ কৰি বৰাই কয় যে, "প্ৰত্যাশিত পৰাজয়ৰ পৰা হাত সাৰিবলৈ বিজেপিয়ে তথাকথিত পুনৰীক্ষণ প্ৰক্ৰিয়াৰ অধীনত কংগ্ৰেছ আৰু আৰজেডিক সমৰ্থন কৰা লোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়াৰ ষড়যন্ত্ৰ কৰিছে।" বৰাই মহাৰাষ্ট্ৰৰ উদাহৰণ দাঙি ধৰি কয় যে, ২০২৪ চনৰ এপ্ৰিল-মে'ৰ লোকসভা নিৰ্বাচনৰ পৰা নৱেম্বৰ বিধানসভা নিৰ্বাচনৰ ভিতৰত মাত্ৰ ছমাহৰ ভিতৰতে ৪৭ লাখ নতুন ভোটাৰ সংযোজন হৈছিল। তেওঁ দাবী কৰে যে, "৫০টা সমষ্টিত প্ৰতিটোতে ৫০ হাজাৰৰো অধিক ভোটাৰ সংযোজন কৰা হৈছিল। তদন্তত প্ৰকাশ পাইছে যে চুবুৰীয়া ৰাজ্যৰ বিজেপি সমৰ্থকক সংগঠিতভাৱে অন্তৰ্ভুক্ত কৰি এই সংযোজন কৰা হৈছিল।" অসমতো একেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে বুলি তেওঁ উদ্বেগ প্ৰকাশ কৰে। তেওঁ অভিযোগ কৰে যে, বিজেপিয়ে "ডি ভোটাৰ" বা বিদেশী বুলি সন্দেহ কৰা ভোটাৰক জাননী জাৰি কৰিবলৈ আৰম্ভ কৰিছে, যাৰ বহুতেই পৰম্পৰাগত কংগ্ৰেছ সমৰ্থক, যাৰ ফলত তেওঁলোকৰ ভোটাধিকাৰ কাঢ়ি লোৱাৰ চেষ্টা কৰিছে।

## ইনভাৰ্টাৰৰ অফ কৰিবলৈ গৈ

নিজ আমগুৰিৰ ঘৰত থকা ইনভাৰ্টাৰ অফ কৰিবলৈ যায়। তেনে সময়তে তেওঁ বিদ্যুতৰ সংস্পৰ্শলৈ আহে আৰু ঢলি পৰে। লগে লগে পৰিয়ালৰ লোকে উদ্ধাৰ কৰি চিকিৎসালয়ত নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত অভয়াপুৰী আৰু আমগুৰিত শোঁকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ এজনী কন্যা সন্তান, স্বামী আৰু আত্মীয়স্বজনক এৰি যায়।

# সোণতলীত চৰ-চাপৰি যুৱ ঐক্য মঞ্চৰ সজাগতা সভা সম্পন্ন




**অসম বাৰ্তা, সোণতলী, ১৪ জুলাইঃ** কামৰূপ জিৰাৰ সোণতলীত সোমবাৰে ড্ৰাগছ,মদ আৰু জুৱাৰ ওপৰত এখনি সজাগতা সভা অনুষ্ঠিত কৰে। চৰ-চাপৰি যুৱ ঐক্য মঞ্চৰ উদ্যোগত আৰু সোণতলী আৰক্ষী চকীৰ সহযোগত পানী খাইতি বজাৰ প্ৰাঙ্গনত এই সজাগতা সভাখন অনুষ্ঠিত কৰে। পানী খাইতি বজাৰ সমিতিৰ সভাপতি আব্দুছ ছামাদ আহমেদৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সোণতলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অপূৰ্ব কলিতাই। সভাত কলিতাই ড্ৰাগছৰ ভয়াবহতা আৰু ৰাইজৰ কৰণীয় বিষয়সমূহৰ বিষয়ে বহল ভাবে আলোচনা কৰে। এই সভাত কে.ডি.এম.হাইস্কুলৰ সহকাৰী শিক্ষক আব্দুৰ ৰেজ্জাক, চৰ-চাপৰি যুৱ ঐক্য মঞ্চৰ কৰ্ণধাৰ কমিটীৰ অধ্যক্ষ ইউনুছ আলী মোল্লাহ আৰু ইয়াৰ উপদেষ্টা মিৰ্জা লুতফৰ ৰহমানে শিক্ষা তথা ড্ৰাগছৰ ভয়াৱহতা বিষয়েও বক্তব্য আগবঢ়াই। উক্ত সভাত মাহতলী গাঁও পঞ্চায়তৰ সভাপতি আক্তাৰ হুছেইন, চৰ-চাপৰি যুৱ ঐক্য মঞ্চৰ উপ-সভাপতি খোশনুৰ আলম, ৰফিকুল ইছলাম, কাৰ্য্যকৰী সভাপতি আবু লাইচ মস্তাক, সহকাৰী সাধাৰণ সম্পাদক বিশা আলম, সম্পাদক ৰফিকুল ইছলাম, মনছেৰ আলী মেম'ৰিয়াল একাডেমীৰ অধ্যক্ষ আব্দুছ ছালাম, ছফিকুল ইছলাম, হাছেন আলী সৰদাৰ, ইছমাইল সৰকাৰ আৰু কুদ্দুচ আলীৰ লগতে ঐক্য মঞ্চৰ বিষয়ববীয়া সকলে উপস্থিত থাকে। সভাই ৰাইজৰ উপস্থিতিত ড্ৰাগছ আৰু অন্যান্য অসামাজিক কাম কাজৰ বিৰুদ্ধেও ঐক্যবদ্ধ সংগ্ৰাম কৰাৰ সিদ্ধান্ত লয়।

## ভেৰগাওঁ হাইস্কুল খেলপথাৰত কোকৰাঝাৰত হ'বলগীয়া এচিয়া মহাদেশৰ ঐতিহাসিক খেল ডুৰাণ্ড কাপ ভ্ৰমণ অনুষ্ঠিত

**অসম বাৰ্তা, খৈৰাবাৰী, ১৪ জুলাইঃ** ওদালগুৰি জিলা ভেৰগাওঁ হাইস্কুল খেলপথাৰত ভাৰতীয় সহস্ৰ বাহিনীৰ সহযোগত আইকনিক ভ্ৰমণ ২০২৫ ট্ৰফি অনুষ্ঠিত হয়। এই উপলক্ষে চাৰি শতাধিক সেনাবাহিনী সুসজ্জিত বাহনত আঠেৰিঘাটৰ পৰা চাৰিচকীয়া বাহন আৰু বাইকেৰে বৰঙ্গাজুলি টুটুলাপাৰেৰে ভেৰগাওঁ হাইস্কুল খেলপথাৰত পদাৰ্পণ কৰে। ভাৰতীয় সেনাবাহিনীৰ ঘাৰ্গ্ৰাৰ ৰেড হৰ্ন ডিভিজন আৰ্টাৰি সেনাবাহিনীৰ দলে সন্মান প্ৰদৰ্শন কৰি পেৰেট বজাই ভেৰগাওঁ হাইস্কুল খেলপথাৰত এপাক ঘূৰাই ৰাজহুৱা প্ৰদৰ্শনৰ বাবে ট্ৰফি সমূহ সজাই থয়। অন্যহাতে আবেলি ছানৰৰাইজ স্প'ৰ্ট ক্লাব আৰু খেলো ইণ্ডিয়া ওদালগুৰি মাজত এখন ফুটবল খেল অনুস্থিত কৰে। বিটিচিৰ ক্ৰীড়া বিভাগৰ কাৰ্যবাহী সদস্য দাওবাইচা বড়োই উদ্বোধনী ভাষন প্ৰদান কৰে উক্ত অনুষ্ঠানৰ। অনুষ্ঠানত বিটিচিৰ উপ মুখ্য কাৰ্য্যবাহী গোবিন্দ বসুমাটাৰী আৰু কামা'ৰ ব্ৰিগেডিয়াৰ ডি এছ গ্ৰাৱালে এচিয়াৰ ডুৰাণ্ড ২০২৫ ভ্ৰমণৰ কাপ ফুটবল খেলৰ জৰিয়তে সমন্বয়, ভাতৃত্ব বোধ বিভিন্ন জনজাতিৰ মাজত এনাজৰি বান্ধোনত বান্ধ খাই আৰু শৰীৰৰ চৰ্চাৰ বিভিন্ন ধৰণৰ বেমাৰৰ পৰা হাত সাৰি থকাৰ বিষয়ে ভাষন প্ৰদান কৰে। ভেৰগাওঁ হাইস্কুল খেলপথাৰত প্ৰায় তিনি হাজাৰৰো অধিক ক্ৰীড়া প্ৰেমিৰ উপস্থিতিত খাগ্ৰাবাৰী হাৰিমু আঞ্চলিক আফাদৰ বাগুৰুম্বা নৃত্যই দৰ্শকৰ মন মন্তমুগ্ধ কৰে। প্ৰথম বাৰৰ বাবে ভেৰগাওঁ মহকুমা খেলপথাৰত এচিয়া মহাদেশৰ ঐতিহাসিক ডুৰাণ্ড কাপ ফুটবল ভ্ৰমণ অনুষ্ঠিত হোৱাত ৰাইজে এচিয়া ডুৰাণ্ড ট্ৰফিত চেল্‌ফী তুলি ভিৰ কৰে। অন্যহাতে অনুষ্ঠানত ওদালগুৰি জিলা আয়ুক্ত পুলক পাটগীৰি, সেনাৰ ব্ৰিগেডিয়াৰ ডি এছ গ্ৰেৱাল, জিলা আৰক্ষী অধ্যক্ষ, ভেৰগাওঁ মহকুমা মহকুমা ধিপতিৰ ৰীংখাং মোচাহাৰী উপস্থিত থাকে। ফুটবল খেলৰ অন্তত ছানৰৰাইজ স্প'ৰ্ট ক্লাবে খেলো ইন্দীয়া চেন্টাৰক ২ -০ গ'লত পৰাস্ত কৰে।

## চেঙাৰ ৮৭ নং আলোপতি-মাজৰচৰ গাঁও পঞ্চায়ত গঠন

**অসম বাৰ্তা, নগৰবেৰা, ১৪ জুলাইঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ৮৭ নং আলোপতি মাজৰচৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিৰ্বাচনৰ বাবে বিগত প্ৰায় ডেৰমাহ দুটা গোটৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বী চলি আছিল।যদিও বহু জল্পনা কল্পনাৰ অন্তত অৱশেষত আজি গঠন হল বহুচৰ্চিত ৮৭ নং আলোপতি মাজৰচৰ গাঁও পঞ্চায়ত। পঞ্চায়তটোৰ সভানেত্ৰী নিৰ্বাচনৰ বাবে যোৱা ৭ জুলাইত চেঙা খণ্ড উন্নয়ণ বিষয়াৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত এটা পক্ষৰ চাৰিজন সদস্য অনুপস্থিত থকাত থূলৰ অভাৱত সভানেত্ৰী নিৰ্বাচিত কৰিব পৰা নাছিল নিৰ্বাচিত ৱাৰ্ড সদস্য সকলে।বিভাগীয়ভাৱে আজি পুনৰ সভানেত্ৰী বাচনিৰ বাবে অনুষ্ঠিত সভাত গাঁও পঞ্চায়তটোৰ ৮ নং ৱাৰ্ডৰ সদস্যা মাছুমা আকতাৰ সভানেত্ৰী হিচাপে নিৰ্বাচিত হয়।জানিব পৰা মতে,গোপন ভোটাৰদ্বাৰা মাছুমা আকতাৰে ছয়জন নিৰ্বাচিত সদস্যৰ সমৰ্থন লাভ কৰি পঞ্চায়তটোৰ নতুন সভানেত্ৰী হিচাপে নিৰ্বাচিত হয়।ইপিনে উপ-সভাপতি হিচাপে পঞ্চায়তটোৰ ৫ নং ৱাৰ্ডৰ সদস্য বাছেৰ আলীক নিৰ্বাচিত কৰে সদস্য সকলে।সভানেত্ৰী নিৰ্বাচিত হোৱাৰ পাছতে মাছুমা আকতাৰে কয় যে,চৰকাৰী নীতি নিৰ্দশনাক সম্পূৰ্ণভাৱে অনুসৰণ কৰি পঞ্চায়তৰ সকলো উন্নয়ণমূলক কামকাজ বিকেন্দ্ৰীকৰণ কৰাৰ চেষ্টা কৰা হ'ব।আনহাতে পঞ্চায়তটোৰ কোনো উন্নয়ণমূলক আঁচনিতে যাতে দুৰ্নীতি,স্বজনপ্ৰীতি নহয় তাৰ ওপৰত বিশেষ গুৰুত্বাৰোপ কৰা হ'ব।এই ক্ষেত্ৰত নৱনিৰ্বাচিত সভানেত্ৰী মাছুমা আকতাৰে পঞ্চায়তটোৰ অন্তৰ্গত প্ৰতিটো ৱাৰ্ডৰ সদস্য আৰু সচেতন নাগৰিকৰ সহায়-সহযোগিতা আৰু সু-পৰামৰ্শ আন্তৰিকতাৰে কামনা কৰিছে।

## মেৰাপানীৰ চাউদাং পথাৰত ডকাইটি কাণ্ড, লুটি নিলে ধন, সোণ

**অসম বাৰ্তা, মেৰাপানী, ১৪ জুলাইঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত চাউদাং পথাৰৰ নাওজান চুক গাৱত যোৱা নিশা সংঘটিত হোৱা এক ডকাইটি ঘটনাক লৈ সমগ্ৰ অঞ্চলটোত চাঞ্চলঞ্চ্য সৃষ্টি হৈছে । ঘৰত মতা মানুহ নথকাৰ সুযোগ লৈ ডকাইটে লুটি নিলে নগদ ধন আৰু আ অলংকাৰ। উল্লেখযোগ্য যে চাউদাং পথাৰ নাওজান চুকৰ শ্যামল ঠেঙ্গাল নামৰ ব্যক্তি গৰাকী অসম পুলিচত কৰ্মৰত আছিল। ঘৰত মাতৃ সহ পত্নী থকা অৱস্থাত নিশা প্ৰায় এঘাৰ মান বজাত দুজন যুৱকে ঘৰৰ ভিতৰত প্ৰবেশ কৰি মহিলা দুইগৰাকীকে এটা কোঠাত আৱদ্ধ কৰি গডৰেজৰ পৰা প্ৰায় ১৯ হাজাৰ টকা,এটা ম'বাইল ফোন আৰু সোণ-ৰূপৰ আ-অলংকাৰ লৈ উধাও হয়। ইয়াৰ পাছতেই নিশাই পত্নীয়ে স্বামীলৈ ফোন কৰি সমগ্ৰ ঘটনা জানিবলৈ দিয়ে। লগে লগে শ্যামল ঠেঙ্গালে মেৰাপানী থানাত যোগাযোগ কৰাত নিশাই মেৰাপানী আৰক্ষী উপস্থিত হৈ সমগ্ৰ ঘটনা বুজ লয়। আনহাতে মেৰাপানী আৰক্ষীয়ে ঘটনাক লৈ বৰ্তমানে কোনো লোকক আটক কৰিবলৈ সক্ষম হোৱা নাই যদিও তদন্ত অব্যাহত ৰাখিছে।

## সদৌ অসম ছাত্ৰ সন্থাৰ নগাঁৱৰ প্ৰাক্তন নেতা হেমেন বৰাৰ অকাল বিয়োগ

**অসম বাৰ্তা, নগাঁও, ১৪ জুলাই ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ দক্ষিণ জাজৰিৰ নিজা বাসগৃহত আজি পুৱতি নিশা হৃদৰোগত আক্ৰান্ত হৈ হাতীচোঙ আঞ্চলিক ছাত্ৰ সন্থাৰ পঞ্ৰাক্তন সভাপতি , নগাঁও জিলা আছুৰ প্ৰাক্তন কাৰ্যবাহী সদস্য আৰু জাজৰি অঞ্চলৰ অগ্ৰণী সামাজিক ব্যক্তি দক্ষিণ জাজৰিৰ ভোগৰাম বৰাৰ পুত্ৰ হেমেন বৰাৰ মাথো ৪৬ বছৰ বয়সত অকাল বিয়োগ ঘটে। অ গ প দলৰ এজন নিষ্ঠাৱান কৰ্মী হেমেন বৰা দক্ষিণ জাজৰি শঙ্কৰ মন্দিৰ পৰিচালনা সমিতি, দক্ষিণ জাজৰি সাংস্কৃতিক গোষ্ঠী আৰু জান-জুৰি অঞ্চলৰ বহু সামাজিক অনুষ্ঠানত নেতৃত্ব বহন কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পিতৃ, মাতৃ, দুগৰাকী ভাতৃ, এগৰাকী জ্যেষ্ঠ ভগ্নী , নিজ পত্নী আৰু একমাত্ৰ ১৪ বছৰীয়া পুত্ৰ সন্তানক ইহ সংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত জাজৰিৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগতে হাতীচোঙ আৰু ৰহা আঞ্চলিক ছাত্ৰ সন্থা আদি সংগঠনে হেমেন বৰাৰ অকাল বিয়োগত গভীৰ শোক ব্যক্ত কৰাৰ লগতে পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। সৰবৰহী নেতা গৰাকীক সৎকাৰৰ পূৰ্বে বিভিন্ন দল সংগঠনে তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। তেওঁৰ মৃত্যুত বৃহত্তৰ জাজৰি অঞ্চল শোকত ভাগি পৰে।



## ভানু কৰ্মকাৰক সভাপতি আকাশ নায়কক সম্পাদক হিচাপে নিৰ্বাচিত বিহালীৰ বৰভীল চাহ বাগিছাত আছাৰগোট গঠন

**অসম বাৰ্তা, বৰগাং, ১৪ জুলাই ঃ** আজি বিহালীৰ সমষ্টিৰ অন্তৰ্গত বৰভীল চাহ বাগিছাৰ ৪ নং লাইনত আদিবাসী ছাত্ৰ সন্থাৰ শক্তিশালী প্ৰাথমিক গোট গঠন কৰা হয়।আদিবাসী ছাত্ৰ সন্থাৰ বিহালী আঞ্চলিক সমিতিৰ সভাপতি কাৰ্ত্তিক ঘাটোৱাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক বুলেন গোৱালায়ে।সভাৰ সৰ্বসন্মতিক্ৰমে বৰভীল চাহ বাগিচাৰ ৪ নং লাইনৰ প্ৰাথমিক গোটৰ ভানু কৰ্মকাৰক সভাপতি আৰু আকাশ নায়কক সম্পাদক,জ্যোতিষ তচাক উপ-সভাপতি,চিবা নায়কক সহ সম্পাদক হিচাপে লৈ ৩১ জনীয়া এখন শক্তিশালী প্ৰাথমিক গোট গঠন কৰা হয়।এই প্ৰাথমিক গোট গঠনৰ সভাত আঞ্চলিকৰ উপদেষ্টা পিটাৰ কেৰ্কেটা,কাৰ্যকৰী সভাপতি দ্বীপজ্যোতি বাউৰী,কুনাল ভূঞাৰ লগতে বৰভীল চাহ বাগিছাৰ ৪ নং লাইনৰ গণ্য-মান্য ব্যক্তিসকল আৰু স্হানীয় ৰাইজৰ উপস্হিতি শক্তিশালী প্ৰাথমিক গোট গঠন কৰা হয়।

## দুধনৈত ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত তথ্যচিত্ৰ "যোগী"ৰ গ্ৰেণ্ড প্ৰিমিয়াৰ শ্ব'

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৪ জুলাই ঃ** নাথ-যোগী সমাজৰ পৰম্পৰা, কৃষ্টি-সংস্কৃতি জীৱন্তে দাঙি ধৰাৰ প্ৰয়াসেৰে দুধনৈ ফফল ছাদ্ৰাপাৰা গাঁওৰ যুৱক সঞ্জীৱ নাথৰ প্ৰযোজনা আৰু পৰিচালনাৰে নিৰ্মাণ কৰি উলিওৱা তথ্যচিত্ৰ "যোগী" দেওঁবাৰে দুধনৈস্থিত অম্বিকা চিনে পেলেচত গ্ৰেণ্ড প্ৰিমিয়াৰ শ্বো অনুষ্ঠিত হয়। তথ্যচিত্ৰখন প্ৰদৰ্শনৰ আগ মুহূৰ্তত অসম প্ৰাদেশিক নাথ-যোগী সন্মিলনীৰ সভাপতি ধীৰেণ নাথে বন্তি প্ৰজ্বলন কৰে। তেওঁক সহযোগিতা আগবঢ়ায় ক্ৰমে দুধনৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডং হৰকুমাৰ নাথ আৰু প্ৰাক্তন অধ্যাপক তৰুণ চাংমাই য়ে। তথ্যচিত্ৰ খনৰ প্ৰযোজক সঞ্জীব নাথে সংবাদ মাধ্যমক জানিবলৈ দিয়া অনুসৰি "যোগী" তথ্যচিত্ৰ খনে ইতিমধ্যে মুঠ ১৪ খন ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেলত বঁটা লাভ কৰাৰ লগতে প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত হৈছে। তথ্যচিত্ৰ খনত নাথ-যোগী সকলৰ নিজস্ব ৰীতি-নীতি, ধৰ্মীয় পৰম্পৰা, জাতিৰ ইতিবৃত্ত, নাথ জাতিৰ মৃতকক যোগধ্যান আসনত সমাধি দিয়া প্ৰথা, কৃষিজীবি সকলৰ ঋতুকেন্দ্ৰিক উৎসৱ সমূহ, জন্মৰ পৰা মৃত্যুলৈ পালন কৰিব লগীয়া নীতি নিয়ম সমূহ গ্ৰাম্য জীৱনৰ পৰা বুটলি আনি লগতে নাথ-যোগীৰ গুৰু গোৰক্ষ নাথৰ নামেৰে থকা ৰংজুলিৰ ওচৰৰ গোৰক্ষ পাহাৰ ইত্যাদিৰ চিত্ৰায়ন কৰি প্ৰদৰ্শন কৰাৰ প্ৰয়াস কৰা হৈছে। তথ্যচিত্ৰ খনে ৰেড ইনকাৰণেচন ফিল্ম ফেষ্টিভেল ২০২৫ (কলিকতা)ত শ্ৰেষ্ঠ তথ্যচিত্ৰ, কলিউড ইন্টানেচনেল ফিল্ম ফেষ্টিভেল ইণ্ডিয়া (চেন্নাই)ত বেষ্ট ডকুমেন্টৰী চৰ্ট ফিল্ম, চেন্নাইত অনুষ্ঠিত কোডাই কানাল ইন্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত বিশেষ জুৰি এৱাৰ্ড,মুম্বাইত অনুষ্ঠিত বিনোদনধৰ্মী আন্তৰাষ্ট্ৰীয় চুটিছবি উৎসৱত বিজয়ী, অষ্ট্ৰেলিয়া চিদনী গ্ল'বেল চিনে কাৰনিভেলত ক্ৰিটিক চইছ এৱাৰ্ড, ডুবাই ইন্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত বিজয়ী, চিংগাপুৰত অনুষ্ঠিত ওৱাৰ্ল্ড ফিল্ম কাৰ্নিভেলত আউটষ্টেনডিং এচিভমেন্ট এৱাৰ্ড, হংকং ইন্টাৰনেচনেল ফিল্ম ফেষ্টিভেলত ক্ৰিটিক চইছ এৱাৰ্ড লাভ কৰাৰ উপৰিও শ্ৰীলংকা আৰু ইউএছএ চেইলন ইন্টানেচনেল ফ্লিম ফেষ্টিভেলত প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত হৈছে। ইয়াৰ উপৰিও তথ্যচিত্ৰখনে ম্যানমাৰ বাৰ্মা ফিল্ম ফেষ্টিভেলত কেবাটাও শিতানত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাৰ সমান্তৰালকৈ ইণ্ডিয়ান স্ক্ৰীন প্ৰজে"ত বঁটা লাভ, চিংগাপুৰ ইণ্ডিপেণ্টে ফিল্ম ফেয়াৰত বঁটা লাভ কৰা উপৰিও চেন্নাই, মালদ্বীপ, ক'লকাতা, দিল্লী, গোৱা আৰু টকিয়ত হবলগা ছবি উৎসৱত প্ৰদৰ্শনৰ অনুমতি লাভ কৰিছে। আজি প্ৰিমিয়াৰ শ্বো প্ৰদৰ্শনত বহু সংখ্যক দৰ্শকে তথ্যচিত্ৰ খনৰ উচ্চ প্ৰশংসা কৰে। এই ছবিখনে নাথ-যোগী সমাজৰ ভৱিষ্যত প্ৰজন্মক নিজৰ জাতিটোৰ বিষয়ে জানিবলৈ সুবিধা দিব। তথ্যচিত্ৰ খনৰ এডিটৰ তথা প্ৰাগ নিউজৰ সাংবাদিক চন্দন মজুমদাৰে আঁত ধৰা অনুষ্ঠানত নাথ-যোগী পৰিষদৰ অধ্যক্ষ বেনুধৰ ৰাভা, তথ্যচিত্ৰ খনৰ লগত জৰিত কেবাগৰাকী ব্যক্তি আৰু বহুসংখ্যক চলচিত্ৰপ্ৰেমী ৰাইজ উপস্থিত থাকে।উল্লেখ্য যে "যোগী" তথ্যচিত্ৰখন নাথ-যোগী জনগোষ্ঠীৰ তথ্যভিত্তিক প্ৰথম প্ৰচেষ্টা।

### নৱকান্ত বৰুৱা, অনুভৱ তুলসী আৰু পৰাণ কুমাৰ বৰুৱাক স্মৰণ

## নগাঁও জিলা কবি সন্মিলনৰ প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, নগাঁও, ১৪ জুলাই ঃ** ২০১৬ চনতে প্ৰতিষ্ঠা লাভ কৰা নগাঁও জিলা কবি সন্মিলনৰ নৱম বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি ১৪ জুলাই, ২০২৫ তাৰিখে নগাঁও প্ৰেছ ক্লাৱ প্ৰেক্ষাগৃহত দিনৰ এঘাৰ বজাৰ পৰা অনুষ্ঠিত হয়। নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দুৰ্গেশ্বৰ বৰকটকীয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটোত নগঞা কবি ক্ৰমে নৱকান্ত বৰুৱা আৰু সদ্যপ্ৰয়াত অনুভৱ তুলসী আৰু পৰাণ কুমাৰ বৰুৱাক স্মৰণ কৰা হয়। ইয়াৰ পিছতেই ক্ষুদ্ৰ গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে জিলা সন্মিলনৰ প্ৰাক্তন সম্পাদক পৱন শৰ্মাই । ইয়াৰ পাছত দুৰ্গেশ্বৰ বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সন্মিলনৰ সম্পাদক দীপজ্যোতি কাকতিয়ে। উক্ত সভাতেই মৰণোত্তৰভাৱে বিশিষ্ট কবি অনুভৱ তুলসীলৈ আগবঢ়োৱা 'খাগৰিজান কাব্য সন্মান-২০২৫ গ্ৰহণ কৰে তেওঁৰ ভাতৃ আৰু বোৱাৰী ক্ৰমে প্ৰদীপ কুমাৰ শইকীয়া আৰু দীপ্তি বৰাই। ইয়াৰ পাছতেই প্ৰদান কৰা 'সেৱা আৰু সাহিত্য সন্মান-২০২৫' প্ৰাপকসকল ক্ৰমে মৰণোত্তৰভাৱে পৰাণ কুমাৰ বৰুৱা, নূপুৰ মোমাইদেউখ্যাত সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য্য, কৰবী লিগিৰা, গুণ কাকতী, মোলান লস্কৰ, এল. প্ৰদীপ কুমাৰ সিংহ, পুতুলী মুদৈ, পৰাণ চন্দ্ৰ দাস, খৰ্গেশ্বৰ বৰা, অশোক ৰাম ভট্টাচাৰ্য্য, মিনতি দেৱী কাকতি, শশী কেওঁট, নিৰলা শইকীয়া। ইয়াৰ পাছতেই আৰম্ভ হোৱা কবিতা পাঠৰ অনুষ্ঠানত সঞ্জীৱ সাগৰ চৌধুৰী, হাচিনা মমতাজ, লক্ষী মেধি, জিনু বৰা, ইন্দিৰা গোস্বামী ভট্টাচাৰ্য্য, প্ৰণতি বৰা, জুনুমণি বৰা, জয়ন্তী বৰা, পল্লৱী শৰ্মা, পবিত্ৰী ভড়ালী, নিৰুপ্ৰভা দেৱী, গোলাপ ৰাজখোৱা, মিনাৰাম বৰা, লক্ষেশ্বৰ বৰুৱা, অনুপমা বৰা, দিলীপ শইকীয়া, অনুৰম বৰা, চন্দ্ৰ শইকীয়া, কিশোৰ দাস, স্বপ্না দেৱী, ভৰেন বৰা, চন্দ্ৰ মুদৈ, প্ৰণতি বৰা, অনুপমা বৰা, মাধুৰ্য ডেকা, মিনা বৰা, অৰূপ কুমাৰ গোস্বামী, প্ৰদীপ কুমাৰ শইকীয়া, সূৰজ নায়ক, কল্লোল দত্তই মনোজ্ঞ কবিতা পাঠেৰে মুখৰিত কৰে।

## গীতে-মাতে জীপাল হ'ল পুৰণিগুদামৰ ভবেন্দ্ৰনাথ শইকীয়া প্ৰেক্ষাগৃহ

# পুৰণিগুদাম ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমীৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠান



**অসম বাৰ্তা, পুৰণিগুদাম, ১৪ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদামস্থিত "ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমী"ৰ ৰূপালী জয়ন্তী বৰ্ষৰ শুভাৰম্ভ অনুষ্ঠানটি যোৱা ১২ জুলাইত পুৰণিগুদাম ডং ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী ৰাজহুৱা প্ৰেক্ষাগৃহত দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা ৯.৩০ বজাত ৰূপালী জয়ন্তী উৎসৱৰ লগতে সঙ্গীত একাডেমীখনৰ পৃষ্ঠপোষক তথা তত্ত্বাৱধায়ক সংগঠন অবিনশ্বৰ গোষ্ঠীৰ পতাকা উত্তোলনেৰে দিনযোৱা কাৰ্যসূচী আৰম্ভ কৰা হয়।পতাকা উত্তোলন কৰে ক্ৰমে, ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমীৰ সভাপতি প্ৰিয়ঙ্কু শইকীয়াই আৰু অবিনশ্বৰ গোষ্ঠীৰ সভাপতি প্ৰণৱ বৰঠাকুৰে।পুৱা ৯-৫০ বজাত ছহিদ স্মৃতিচাৰণ অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে নিশিকান্ত বৰুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ভাস্কৰ ভূঞাই । আনহাতে,ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমিৰ অধ্যক্ষ অনিল দাসে লুইতকোঁৱৰ ৰুদ্ৰ বৰুৱাৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰাৰ লগতে প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত হীৰা দাস আৰু দ্বিতীয় গৰাকী অধ্যক্ষ মঃ আব্দুল হাইৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পনেৰে শ্ৰদ্ধা তৰ্পন কৰে ক্ৰমে প্ৰয়াত হীৰা দাসৰ সহধৰ্ম্মিণী পাৰুল মুক্তিয়াৰ দাস আৰু বিশিষ্ট সমাজসেৱী, কৃতি শিক্ষক পুষ্প বৰুৱাৰ লগতে উপস্থিত শুভাকাংক্ষীসকলে।পুৱা ১০-৩০ বজাত অন্তৰঙ্গ অনুষ্ঠান তথা ৰাজহুৱা সভাত চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা সমাজসেৱী ৰবীন কলিতা, প্ৰাক্তন শিক্ষাৰ্থীৰ অভিভাৱক দেৱানন্দ বৰা, পুষ্প বৰুৱা, হিৰণ্য কুমাৰ শৰ্মা, নিৰ্মল ভূঞা, প্ৰশান্ত ভূঞা, প্ৰফুল্ল কলিতা, দেৱপ্ৰসাদ ভূঞা, উৎপল গোহাঞি বৰুৱাকে প্ৰমুখ্যে কৰি ভালেসংখ্যক গণ্যমান্য লোক উপস্থিত থাকে।সন্ধ্যা ৬ বজাৰ পৰা সম্বৰ্ধনা আৰু সাংস্কৃতিক অনুষ্ঠানত ৰুদ্ৰ বৰুৱা গীত, ৰুদ্ৰ বৰুৱা গীতত নৃত্য আদিৰ লগতে অন্যান্য আপুৰুগীয়া গীতত নৃত্য প্ৰদৰ্শন হয়। উক্ত অনুষ্ঠানতে নগাঁও মৰিকলং নিবাসী বিশিষ্ট তবলাবাদক ৯৫ বৰ্ষীয় টংকেশ্বৰ বৈদ্য আৰু নগাঁৱৰ পানীগাঁও নিবাসী ৮৬ বৰ্ষীয় বিশিষ্ট বেহেলাবাদক তাৰিণীমোহন শৰ্মাক সম্বৰ্ধনা জনোৱা হয়।উক্ত অনুষ্ঠান আৰম্ভ কৰে সুসাহিত্যিক,ৰুদ্ৰ বৰুৱা সঙ্গীত একাডেমিৰ গীটাৰৰ প্ৰাক্তন প্ৰশিক্ষক কৃষ্ণদুলাল বৰুৱাই।অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা, বিশিষ্ট সমাজ-সাংস্কৃতিক কৰ্মী মৌচুমী কাকতি, লুইতকোঁৱৰৰ মাজু পুত্ৰ নভনীল বৰুৱা, মাজু বোৱাৰী শৰ্মিষ্ঠা বৰুৱা, মহী বৰুৱা, দুৰ্লভ পৱন বৰুৱা আদিয়ে।জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই সমজুৱাৰ সৈতে একেলগে মিলি ৰুদ্ৰ বৰুৱা গীত পৰিৱেশন কৰাৰ লগতে সুকণ্ঠৰ অধিকাৰী সন্তোষ কলিতা,প্ৰণামী কলিতাকে প্ৰমুখ্য কৰি একাডেমিৰ বৰ্তমান আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলে নৃত্য- গীতেৰে জীপাল কৰি এক আনন্দমুখৰ পৰিৱেশ সৃষ্টি কৰে। আয়োজক সমিতিয়ে জানিবলৈ দিয়া মতে, ৰূপালী জয়ন্তী উদ্‌যাপন বাবে এখন সমিতি গঠন কৰাৰ লগতে পৰৱৰ্তী পদক্ষেপ সম্পৰ্কে ৰাইজক অৱগত কৰিব।

## অৱশেষত উদ্ধাৰ হ'ল সৰুপথাৰৰ ৰাজু গগৈৰ মৃতদেহ

**অসম বাৰ্তা, ধনশিৰি, ১৪ জুলাইঃ** অৱশেষত উদ্ধাৰ হল সৰুপথাৰ নগৰৰ পদুমনি অঞ্চলৰ ২নং ৱাৰ্ডৰ বাসিন্দা ৰাজু গগৈৰ মৃতদেহ। দেওবাৰৰ পৰা সন্ধানহীন হৈ আছিল ব্যক্তিজন। দেওবাৰে পুৱা প্ৰাতঃভ্ৰমণ কৰিবলৈ গৈ নিৰুদ্দেশ হৈছিল ৰাজু গগৈ। দেওবাৰে গোটেই দিনটো বিচৰাৰ পিছতো কোনো সম্ভেদ পোৱা নাছিল। আনহাতে ওচৰৰে কোনো অচিনাকি মহিলা এগৰাকীয়ে দেওবাৰে পুৱা পদুমনিৰ পাৰঘাট স্থিত ধনশিৰি নদীৰ ওপৰত থকা দলঙত বহি থকা দেখিছিল বুলি জানিব পৰাত সৰুপথাৰ আৰক্ষীয়ে এচ ডি আৰ এফ বাহিনীৰ সহযোগত সন্দেহজনকভাৱে ধনশিৰি নদীত অনুসন্ধান চলাইছিল যদিও ৰাজু গগৈৰ কোনো শুংসূত্ৰ পাবলৈ সক্ষম হোৱা নাছিল। সোমবাৰে পুৱা ৬:৩০বজাত ছেৰাগুৰিস্থিত ধনশিৰি নদীত ৰাজু গগৈৰ মৃতদেহটো আত্মীয় লোকে উটি অহা দেখা পাই গাঁও প্ৰধানক খবৰ দিয়ে। পিছত ঘটনাস্থলীত সৰুপথাৰ আৰক্ষী আৰু এচ ডি আৰ এফ বাহিনী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰোণোত্তৰ পৰীক্ষাৰ বাবে আৰক্ষীয়ে গোলাঘাটলৈ প্ৰেৰণ কৰে। ৰাজু গগৈ সৰুপথাৰ সমজিলাৰ জন্মঞ্চমৃত্যু পঞ্জীয়ন কাৰ্যালয়ৰ জেষ্ঠ সহায়ক হিচাপে কৰ্মৰত আছিল। লগতে তেওঁ ধনশিৰি জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আছিল। তথ্য মতে ৰাজু গগৈ দীৰ্ঘদিন ধৰি শাৰীৰিক আৰু মানসিকভাৱে অসুস্থ হৈ আছিল। মৃত্যুৰ সময়ত তেখেতে পৰিয়ালত পত্নী, এগৰাকী কন্যা আৰু এটি পুত্ৰ সন্তান এৰি থৈ গৈছে। ৰাজু গগৈৰ মৃত্যুত পৰিয়ালৰ মাজত এক শোকাকোল পৰিৱেশৰ সৃষ্টি হোৱাৰ লগতে সমগ্ৰ সৰুপথাৰ অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰে।

### গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল মহাবিদ্যালয়ৰ ছাত্ৰী ইলিমা চিদ্দিকাৰ

# কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়, লংকাত বিশেষ সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, লংকা, ১৪ জুলাইঃ** হোজাই জিলাৰ লংকাস্থিত অগ্ৰণী শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান "কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়" ত ১২ জুলাই, শনিবাৰে এক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত ২০২৪-২৫ শিক্ষাবৰ্ষত বিভিন্ন ক্ষেত্ৰত কৃতিত্ব অৰ্জন কৰা শিক্ষাৰ্থী আৰু প্ৰশিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী সকলে পৰিৱেশন কৰা মহাবিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমানে। লগতে সভাত উপস্থিত থাকে মহাবিদ্যালয়ৰ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক তাৰাশংকৰ দত্ত, ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক সুব্ৰত দেবনাথ আৰু অন্যান্য অধ্যাপক সকল। সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° জোনমণি গগৈয়ে। তেখেতে সভাৰ উদ্দেশ্যৰ লগতে মহাবিদ্যালয়ৰ খনৰ বিগত বৰ্ষসমূহৰ ১০০ শতাংশ ফলাফলৰ ধাৰাবাহিকতাৰ কথা উল্লেখ কৰে। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক সুস্মিতা সোম, শিক্ষা বিভাগৰ সহকাৰী অধ্যাপক গীতিকা ফুকন আৰু ৰাহিদা বেগম বৰভূএওাই প্ৰশিক্ষাৰ্থীসকলক অনুপ্ৰাণিত কৰি বক্তব্য আগবঢ়ায়। ইয়াৰ পাছতেই আৰম্ভ হয় সম্বৰ্ধনা অনুষ্ঠানৰ। মহাবিদ্যালয়ক দৰ্শন বিভাগৰ সহকাৰী অধ্যাপক পৰিস্মৃতা মহন্তই পৰিচালনা কৰা এই অনুষ্ঠানটোত প্ৰথমেই সম্বৰ্ধনা জনোৱা হয় ২০২৪ বৰ্ষৰ বি.এড. আৰু ডি.এল.এড. চূড়ান্ত পৰীক্ষাৰ



ফলাফলত মহাবিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা ক্ৰমে পল্লৱী ফুকন আৰু চাজিদা বেগমক। তেখেতসকলক ফুলাম গামোচা, অভিনন্দন পত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতেই বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় ২০২৫ বৰ্ষৰ কলা শাখাৰ স্নাতক চূড়ান্ত পৰীক্ষাৰ ফলাফলত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখল কৰি মহাবিদ্যালয় তথা সমগ্ৰ লংকা অঞ্চললৈ গৌৰৱ তথা সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হোৱা ইলিমা চিদ্দিকাক। ৯.২২ CGPA লাভ কৰি এই স্থান দখল কৰিবলৈ সক্ষম হোৱা ইলিমা চিদ্দিকাক ফুলাম গামোচা, অভিনন্দন পত্ৰ, স্মাৰক আদিৰে সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত থকা তেখেতৰ পিতৃকো ফুলাম গামোচাৰে সন্মান জনোৱা হয়। ইয়াৰ পিছতেই সম্বৰ্ধনা জনোৱা হয় সদ্যঘোষিত ২০২৫ বৰ্ষৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক নিযুক্তিৰ বাছনি পৰীক্ষাত উত্তীৰ্ণ হোৱা মহাবিদ্যালয়ৰ অৰ্ধশতাধিক প্ৰাক্তন প্ৰশিক্ষাৰ্থীক। তেখেতসকলকো ফুলাম গামোচা, অভিনন্দন পত্ৰ আদিৰে সম্বৰ্ধনা জনাই মহাবিদ্যালয় পৰিয়ালে ভৱিষ্যত কৰ্মজীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানটোত নিজৰ মত প্ৰকাশ কৰি ছাত্ৰী ইলিমা চিদ্দিকাই এই মহাবিদ্যালয়ৰ পৰা লাভ কৰা সুবিধা, অনুপ্ৰেৰণাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰি তেখেতক এই স্থান লাভৰ সপোন দেখুওৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমানক এই কৃতিত্ব প্ৰদান কৰে। আন এগৰাকী প্ৰশিক্ষাৰ্থী পল্লৱী ফুকনেও নিজৰ বক্তব্যত মহাবিদ্যালয়খনৰ পৰা লাভ কৰা শিক্ষা, আদৰ্শ আৰু সুযোগ-সুবিধাৰ বাবে গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰি কয় যে এই মহাবিদ্যালয়ে তেখেতক কেৱল এখন প্ৰশংসাপত্ৰ দিয়া নাই; এজন সঁচা শিক্ষক হ'বলৈ অনুপ্ৰেৰণাও দিছে। অন্যান্য প্ৰশিক্ষাৰ্থীসকলেও মহাবিদ্যালয়ৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। প্ৰাক্তন প্ৰশিক্ষাৰ্থী ড° প্ৰদীপ কুমাৰ চাহু, শানিলাল শৰ্মা আৰু অংকিত ৰঞ্জন গগৈয়ে গীত পৰিৱেশন কৰি অনুষ্ঠানটো আৰু অধিক সজীৱ কৰি তোলে। সভাপতিৰ বক্তব্যত অধ্যক্ষ ড° মুস্তাফিজুৰ ৰহমানে প্ৰশিক্ষাৰ্থীসকলক শুভেচ্ছা আৰু অভিনন্দন জনোৱাৰ লগতে তেখেতসকলক নিজৰ দায়িত্বৰ কথাও উনুকিয়াই দিয়ে। তেখেতসকল আজিৰ স্থানত উপনীত হোৱাৰ ক্ষেত্ৰত পিতৃ-মাতৃৰ নিঃস্বাৰ্থ ত্যাগ, শিক্ষকৰ আত্মনিৱেদন জড়িত হৈ আছে। গতিকে সকলোকে নিজ-নিজ ক্ষেত্ৰত দায়িত্বশীল, আদৰ্শবান আৰু সমাজমনস্ক ব্যক্তি হিচাপে গঢ়ি উঠিবলৈ আহ্বান জনায়। তেখেতৰ এই আন্তৰিক বক্তব্যই সভাৰ মাজত এক দায়িত্ববোধৰ বতৰা সঞ্চাৰ কৰে। সভাত শলাগৰ শৰাই আগবঢ়ায় শিক্ষা বিভাগৰ অধ্যাপক গীতিকা ফুকনে। উল্লেখযোগ্য যে, কৃষ্ণ বৰা বি.এড. মহাবিদ্যালয়ৰ এই বিশেষ উদ্যোগৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত কৃতিত্ব অৰ্জন কৰা শিক্ষাৰ্থীসকলৰ উৎসাহ বৃদ্ধি কৰিছে। এনে অনুষ্ঠানসমূহে শিক্ষাৰ্থীৰ মানসিক উদ্বুদ্ধতাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

## গোলাঘাটত বন্যাৰ্তৰ কাষত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৫ জুলাইঃ** গোলাঘাটত বান পৰিস্থিতি কিছু পৰিমাণে নিয়ন্ত্ৰণলৈ আহিছে যদিও দুখ দুৰ্দশাৰ অন্ত পৰা নাই বন্যাৰ্তৰ। বিগত প্ৰায় পাঁচটা দিন আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰি পুনৰ আপোন ঘৰখনলৈ ঘূৰি আহিছে যদিও দুখ দুৰ্দশাৰ অন্ত পৰা নাই এইসকল লোকৰ। পানী কমি অহাৰ পাছত এক নতুন সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে এইসকল বান পীড়িত লোক। বানপানী হোৱা ঠাইসমূহত বৰ্তমান এক দুৰ্গন্ধময় পৰিবেশে বিৰাজ কৰিছে। এইসকল লোকক কিছু পৰিমাণে সহায়ৰ হাত আগবঢ়াবলৈ ওলাই আহিল গোলাঘাটৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মচাৰীসকল। জনস্বাস্থ্য কাৰিকৰী বিভাগ গোলাঘাটৰ বিষয়া-কৰ্মচাৰীসকলৰ ব্যক্তিগত দান- বৰঙনিৰে বানপীড়িত ৰাইজৰ মাজত আজি চাবোন বিতৰণ কৰে। নগৰৰ গাতে লাগি থকা বেঙেনাখোৱা গাঁও পঞ্চায়তৰ অন্তৰ্গত কাঠকটিয়া গাঁৱত প্ৰায় ৪০ ঘৰ বানপীড়িত শিশুৰ পৰা বৃদ্ধলৈকে প্ৰতিজনক চাবোন প্ৰদান কৰে। অনুষ্ঠানত ৰাটিং জিলা পৰিষদৰ সদস্য ৰাজকুমাৰ বেদান্ত বিকাশ গোঁহাই, বেঙেনাখোৱা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা, ১০নং ৱাৰ্ডৰ সদস্য উপস্থিত থাকি প্ৰত্যেক ব্যক্তিক দুই ডোখৰকৈ ৪০ ডোখৰ চাবোন বিতৰণ কৰে। বিভাগৰ বিষয়া-কৰ্মচাৰীৰ হৈ অনুষ্ঠানটিত বিশ্বজিত গগৈ, ময়ূৰতৃষ্ণা শইকীয়া, পল্লৱ হাজৰিকা, সুব্ৰত দুৱৰা আৰু শ্যামন্ত গগৈ উপস্থিত থাকে।

## বানাক্ৰান্তৰ বাবে যোৰহাটৰ ধনখুলৈত কঠীয়া পাৰিলে কৃষি বিভাগে

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৫ জুলাই ঃ** বানত আক্ৰান্ত লোকসকলক দিব পৰাকৈ কঠীয়া পাৰিলে যোৰহাটৰ কৃষি বিভাগে। উত্তৰ-পশ্চিম যোৰহাটৰ ধনখুলৈত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ ২০২৫-২৬ বৰ্ষৰ অধীনত গোলাঘাট জিলা কৃষি বিভাগে আজি বীনা-১০, নুমলী, বীনা-১১ ধানৰ বীজ সিঁচে। মধ্য পৰ্বতীয়া গাঁও পঞ্চায়তৰ এলেকাৰ ধনখুলৈৰ ৫ হেক্টৰ ভূমিত সিঁচা কাৰ্যত গোলাঘাট জিলা কৃষি বিভাগৰ প্ৰণৱ শইকীয়াৰ লগতে স্থানীয় লোকসকল উপস্থিত থাকে। স্থানীয় লোকসকলে কঠীয়াখিনিৰ ৰক্ষণাবেক্ষণৰ বাবে দায়িত্ব লৈছে। ৰাজ্যত বানত আক্ৰান্ত কৃষকসকলে এই কঠীয়া সংগ্ৰহ কৰিব পাৰিব বুলি বিভাগীয়ভাৱে জনাইছে।

**এটুপি পানীৰ বাবে হাহাকাৰ**

## দিচাংমুখত কেইবা লক্ষাধিক টকা ব্যয়েৰে নিৰ্মিত বিশুদ্ধ খোৱাপানী আঁচনি বিকল

**অসম বাৰ্তা, দিচাংমুখ, ১৪ জুলাইঃ** শিৱসাগৰৰ দিচাংমুখত কেইবা লক্ষাধিক টকা ব্যয়ে নিৰ্মাণ কৰা বিশুদ্ধ খোৱা পানী আঁচনি বৰ্তমান সম্পূৰ্ণ বিকল হৈ পৰিছে। আঁচনিখনে এবছৰো ঠিকাদৰে কাম নকৰাকৈ আজিৰ দিনলৈকে বন্ধ হৈ ৰাইজৰ বাবে মাত্ৰ প্ৰতাৰণাৰ এটা প্ৰকল্প হৈ পৰিছে। উল্লেখযোগ্য যে, কংগ্ৰেছ চৰকাৰৰ দিনতে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত দিচাংমুখ বজাৰৰ সমীপত উক্ত পানী আঁচনিখন নিৰ্মাণ কৰা হৈছিল। উদ্দেশ্য আছিল স্থানীয় ৰাইজ আৰু বজাৰত অহা লোকসকলক বিশুদ্ধ পানী যোগান ধৰাৰ। কিন্তু প্ৰকল্পটো আৰম্ভ হোৱাৰ কিছুদিন পাছতেই বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰৰ অমনোযোগিতা, অৱহেলা আৰু দৃষ্টিভংগীৰ অভাৱত আঁচনিখন বন্ধ হৈ পৰে। স্থানীয় ৰাইজে বাৰম্বাৰ অভিযোগ জনাই আহিছে যদিও কেৱল, আঁচনিখন দিচাংমুখ গাঁও পঞ্চায়তৰ অধীনত কেইবাখনো গাঁও সামৰি লোৱা বুলি কাগজত দেখা গৈছে, কিন্তু বাস্তৱত এটি পৰিয়ালেও এতিয়া এটুপি বিশুদ্ধ পানী সেৱনৰ পৰা বঞ্চিত হৈ আহিছে। গাঁওবাসীয়ে বৰ্তমান দিচাং আৰু ব্ৰহ্মপুত্ৰ নদীৰ দূষিত আইৰণযুক্ত পানী খাই থকা পৰিস্থিতিত আছে, যাৰ ফলত বহু লোক গম্ভীৰ স্বাস্থ্য সমস্যাত আক্ৰান্ত হৈছে। আঁচনিখনত ব্যৱহৃত ফিল্টাৰ, যন্ত্ৰপাতি আদি বিকল হৈ পৰি থকাৰ লগতে হাবি, বননি জমা হৈ জৰাজীৰ্ণ হৈ পৰিছে। যন্ত্ৰপাতিসকল চলাচলৰ অনুপযোগী হৈ পৰিছে। আঁচনি সম্পৰ্কীয় কৰ্মচাৰীসকলৰ অজ্ঞতা, দায়িত্বহীনতা আৰু দুৰ্নীতিপূৰ্ণ মানসিকতাই এই পৰিণতিৰ বাবে দায়ী বুলি স্থানীয় ৰাইজৰ অভিযোগ। অৰ্থনৈতিকভাৱে সক্ষম লোকসকলে নিজৰ ঘৰতে পানী ফিল্টাৰ কৰি বিশুদ্ধ পানী ব্যৱহাৰ কৰাৰ সুবিধা ৰাখিছে, কিন্তু গাঁৱৰ দুখীয়া লোকসকলে বিকল্প পথ বিচাৰি নোপোৱাত দূষিত পানী সেৱন কৰি নানা ৰোগত আক্ৰান্ত হৈছে। স্থানীয় ৰাইজে বহুবাৰ বিভাগীয় বিষয়া, স্থানীয় চৰকাৰী প্ৰতিনিধিসকলক আঁচনিখন পুনৰ সচল কৰাৰ দাবী জনাই আহিছে যদিও এতিয়ালৈকে কোনো কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। একে সময়তে, দিচাংমুখ অঞ্চলত দেশী-বিদেশী পৰ্যটক অহা পৰিপ্ৰেক্ষিতত, তেওঁলোকৰ বাবে বিশুদ্ধ পানী ব্যৱস্থা নিশ্চিত কৰাৰ বাবে আঁচনিখন পুনৰুজ্জীৱিত কৰা অত্যন্ত প্ৰয়োজনীয় বুলি ৰাইজ মত প্ৰকাশ কৰিছে। তদুপৰি, জনস্বাস্থ্য কাৰিকৰী বিভাগক আঁচনি পুনৰ সচল কৰি দিচাংমুখৰ জনসাধাৰণক বিশুদ্ধ পানী যোগান ধৰাৰ বাবে তৎপৰ হ'বলৈ ৰাইজে আহ্বান জনাইছে।

## অভয়াপুৰীত কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ১৪ জুলাই ঃ** আজি অভয়াপুৰীস্থিত চিলাৰায় ভৱনত কমল ৰায়ৰ সভাপতিত্ব পুৰণি সমিতিখন ভংগ কৰি নতুন সমিতিৰ গঠন সম্পৰ্কীয় চমু আলোচনা হয়। উক্ত সভাখনত বিভিন্ন দিশ সামৰি আলোচনা কৰাৰ পাছতেই পুৰণি সমিতিখন ভংগ কৰি বিপুল ৰায়ক সভাপতি, গোপাল ৰায় আৰু মিন্ময় ৰায়ক যুটীয়া সম্পাদক হিচাপে লৈ সৰ্বমুঠ ৩১জন সদস্যৰে এক শক্তিশালী ৰূপত অভয়াপুৰী আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ নতুন সমিতি গঠন কৰা হয়। উক্ত সভাখনত উপস্থিত থাকে বঙাইগাঁও জিলা সমিতিৰ সন্মানীয় সভাপতি ধনঞ্জয় নাৰায়ন দেৱ, যুটীয়া সম্পাদক নন্দেশ্বৰ ৰায় আৰু অন্যান্য বঙাইগাঁও জিলা সমিতিৰ বিষয়ববীয়া সকল। এই নতুন সমিতি খনে কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ এক নতুন দিশ সূচনা কৰিব বুলি আশাবাদী অভয়াপুৰী আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল।

## তামোলপুৰত সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন তামোলপুৰ জিলাৰ নতুন সমিতি গঠন

**অসম বাৰ্তা, তামোলপুৰ, ১৪ জুলাই ঃ** সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচন তামোলপুৰ জিলাৰ নতুন সমিতি শনিবাৰে আনুষ্ঠানিক ভাৱে পুনৰ গঠন কৰা হয়। মহানন্দ দত্ত সৰকাৰ গোটৰ তামোলপুৰ জিলা সমিতিৰ সভাপতি হিচাবে ৰাকেছ বিশ্বাস আৰু সম্পাদক হিচাবে সুজিত দাসক নিৰ্বাচিত কৰি ৩১ জনীয়া পূৰ্ণাংগ সমিতি গঠন কৰা হয়। বিটিচি জোনাল সমিতিৰ উপদেষ্টা বাপপন ধৰে সভাপতিত্ব কৰা উক্ত পুনৰ গঠন সভাত উপস্থিত থাকে জোনাল সমিতিৰ সম্পাদক চন্দ্ৰিপন লাহিৰি, উপদেষ্টা বাপপন বণিক সহ আন লোক সকলো উপস্থিত থাকে। অনুষ্ঠানত জোনালৰ সম্পাদক গৰাকীয়ে জাতিৰ হকে আগন্তুক সময়ত প্ৰতিটো সময়তে প্ৰতি গৰাকী লোকক মাত মাতি যাবলৈ আহ্বান জনাইবাঙালী সকলৰ সৰ্বতোপ্ৰকাৰৰ কণ্ঠ হব বুলি উল্লেখ কৰে। উক্ত সভাতে প্ৰাক্তন এনে এল এফবীৰ মুখ্য সেনাধ্যক্ষ তথা যুৱ সমাজ কৰ্মী কৃষ্ণ পুদ্দাৰে উপস্থিত থাকি আগন্তুক সময়ত সকলোকে জাতিৰ হকে কাম কৰি যাবলৈ উল্লেখ কৰে।

## অভয়াপুৰীৰ ধৰ্মপুৰ বিহু দলৰ উদ্যোগত গ্ৰীষ্মকালীন বিহু কৰ্মশালাৰ সামৰণি

**অসম বাৰ্তা, অভয়াপুৰী, ১৪ জুলাইঃ** অভয়াপুৰী সমজিলাৰ অন্তৰ্গত ধৰ্মপুৰ বিহু দলৰ উদ্যোগত অনুষ্ঠিত পাঁচ দিনীয়া গ্ৰীষ্মকালীন বিহু আখৰা আৰু কৰ্মশালাৰ আজি সামৰণি পৰে। ৯ জুলাইৰ পৰা ১৩ জুলাইলৈ ধৰ্মপুৰৰ সামূহিক ভৱনত চলা এই পাঁচদিনীয়া কৰ্মশালাত বিহু নৃত্য, বিহু নাম আৰু বিহু বাদ্যৰ প্ৰশিক্ষণত ৩৯জন প্ৰশিক্ষাৰ্থী অংশগ্ৰহণ কৰে। এই কৰ্মশালাত প্ৰশিক্ষণ প্ৰদানৰ বাবে বিশেষভাৱে আমন্ত্ৰণ জনোৱা হৈছিল ২০২১ বৰ্ষৰ লতাশিল বিহু সম্ৰাজ্ঞী মৌচুমী বৰা দেৱীক। তেওঁ বিগত সময়ছোৱাত "অসম বিহুৱতী", "বেলতলা-পাট মাদৈ", "বিহুৰাণী", "বিহু কুঁৱৰী", "শৰাইঘাটৰ নাচনী", "মালিগাঁও বিহু সম্ৰাজ্ঞী" আদি বিভিন্ন খিতাপেৰে ভূষিত হৈ পৰিচিতি লাভ কৰা এগৰাকী আগশাৰীৰ শিল্পী। তেওঁ চৰ্চ এই প্ৰশিক্ষণ শিবিৰত উপস্থিত থাকি প্ৰশিক্ষণৰ জৰিয়তে নিজৰ অভিজ্ঞতা অংশগ্ৰহণকাৰীসকলৰ সৈতে বিনিময় কৰে। ইয়াৰ উপৰিও এই গ্ৰীষ্মকালীন বিহু আখৰা তথা কৰ্মশালাৰ সহ-প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰে অসমৰ এগৰাকী সুপৰিচিত লোকশিল্পী তথা বিহুৱা, বিপ্লৱ গগৈ। তেওঁ নিজৰ সৃষ্টিশীলতা আৰু পৰম্পৰাগত লোকসংস্কৃতিৰ অভিজ্ঞতাৰ জৰিয়তে শিক্ষাৰ্থীসকলক যথেষ্ট উৎসাহিত কৰে। আজি অনুষ্ঠিত সামৰণি অনুষ্ঠানত প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীলৈ মানপত্ৰ প্ৰদান কৰা হয়। মুখ্য প্ৰশিক্ষক মৌচুমী বৰা দেৱীয়ে প্ৰতিজন শিক্ষাৰ্থীৰ উজ্জ্বল ভৱিষ্যৎ কামনা জনাই তেওঁলোকৰ নিষ্ঠা, শৃংখলাবদ্ধতা আৰু শিল্পপ্ৰেমৰ ভূয়সী প্ৰশংসা কৰে। আজিৰ সামৰণি অনুষ্ঠানত ধৰ্মপুৰ বিহু দলৰ সভাপতি বুলুৰাম দাস, যুটীয়া সম্পাদক ধৃতিমান বণিক্য, দ্বীপজ্যোতি দাস আৰু প্ৰশিক্ষক বিপ্লৱ গগৈ উপস্থিত থাকে। এই প্ৰশিক্ষণৰ জৰিয়তে অভয়াপুৰীৰ ধৰ্মপুৰ বিহুৱা দলে এতদ অঞ্চলত লোকসংস্কৃতি, বিশেষকৈ বিহুৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লগতে নৱ প্ৰজন্মৰ মাজত নিজ সংস্কৃতিৰ গৌৰৱ জাগ্ৰত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিলে।



## ডুমডুমা প্ৰেছক্লাবৰ মধ্যকালীন অধিৱেশন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৫ জুলাই ঃ** ডুমডুমা প্ৰেছ ক্লাবৰ ২০২৪ - ২০২৬ কাৰ্যকালৰ মধ্যকালীন অধিৱেশনখনি আজি ডুমডুমা প্ৰেছ ক্লাব ভৱনত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা ক্লাবৰ পতাকা উত্তোলন কৰে ক্লাবৰ সভাপতি মনোজ দত্তই আৰু সম্পাদক প্ৰদীপ কুমাৰ মৰাণে স্মৃতি তৰ্পণ কাৰ্যসূচী শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই অসম চৰকাৰে শেহতীয়াকৈ নিযুক্তি দিয়া ডুমডুমা সম-জিলাৰ আৰক্ষী অধীক্ষক দিগন্ত দত্ত আৰু ডুমডুমা আৰক্ষী থানাৰ নৱ-নিযুক্ত ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক প্ৰাঞ্জল চেতিয়াৰ সৈতে ক্লাবৰ সদস্যসকলৰ এক আনুষ্ঠানিক চিনাকি পৰ্ব অনুষ্ঠিত হয়। দুয়োগৰাকী আৰক্ষী বিষয়াক ক্লাবৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচা আৰু এটাকৈ স্মাৰকেৰে আদৰণি জনোৱা হয়। দুয়োগৰাকী আৰক্ষী বিষয়াই ক্লাবৰ সদস্যসকলৰ সৈতে চিনা - পৰিচয় হোৱাৰ লগতে ডুমডুমাৰ বিভিন্ন বিষয়ৰ ওপৰত বাৰ্তালাপ কৰে। ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত এই অনুষ্ঠানটি পৰিচালনা কৰে ক্লাবৰ উপসভাপতি অভিজিৎ খাটনিয়াৰে। দুপৰীয়া ক্লাবৰ সভাপতি মনোজ দত্তৰ পৌৰোহিত্যত ক্লাবৰ মধ্যকালীন সাধাৰণ সভাখনি অনুষ্ঠিত হয়। সভাখন উদ্বোধন কৰে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সভাপতি ডঃ ঋষি দাসে। উদ্বোধনী ভাষণত ডঃ ঋষি দাসে ডুমডুমা প্ৰেছ ক্লাবৰ কাম - কাজক ভূয়সী প্ৰশংসা কৰে আৰু ডুমডুমা প্ৰেছ ক্লাব জিলাখনৰে এটা শক্তিশালী প্ৰেছ ক্লাব বুলি উল্লেখ কৰে। সভাৰ আৰম্ভণিতে বিগত কালছোৱাত মৃত্যু বৰণ কৰা বিভিন্ন ব্যক্তিৰ সোঁৱৰণত এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে এখন্তেক মৌন প্ৰাৰ্থনা জনোৱা হয়। ক্লাবৰ সম্পাদক প্ৰদীপ কুমাৰ মৰাণে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে বিগত এটা বছৰৰ সম্পাদকীয় প্ৰতিবেদন সভাত দাখিল কৰে আৰু সভাই বিতং আলোচনাৰ অন্তত কিছু সংশোধনী সাপেক্ষে প্ৰতিবেদনখন গ্ৰহণ কৰে। ইয়াৰ পাছতেই ক্লাবৰ কোষাধ্যক্ষ দীনেশ গোয়েলে বিগত এটা বৰ্ষৰ ক্লাবৰ আয় - ব্যয়ৰ এটা আভাস সভাত দাঙি ধৰে। সভাত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰাৰ লগতে ৰাজহুৱা স্বাৰ্থ জড়িত কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপসভাপতি ৰাতুল কলিতা আৰু ভাৰপ্ৰাপ্ত সম্পাদক মনোজ বৰুৱা পৰ্যবেক্ষক হিচাপে উপস্থিত আছিল। তদুপৰি ক্লাবৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, ধীৰেন ডেকা, অনুজ কলিতা, কাকপথাৰ প্ৰেছ ক্লাবৰ কোষাধ্যক্ষ মনীষ সিঙো সভাত উপস্থিত থাকে।




## প্ৰাক্তন বিধায়ক ৰছুল হক বাহাদুৰৰ বিৰুদ্ধে সৰৱ অসম সংখ্যালঘু সংগ্ৰাম পৰিষদ

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ১৪ জুলাই ঃ** যোৱা কিছু দিনৰ পৰা ছচিয়াল মিডিয়াত প্ৰাক্তন বিধায়ক ৰচুল হক বাহাদুৰৰ বিৰুদ্ধে নানা বাতৰি সম্প্ৰচাৰ কৰা পৰিলক্ষিত হৈছে। চেণ্ডিকেটৰ সৈতে জড়িত আৰু চাকুৰি দিয়াৰ নামত ধন লোৱা বাতৰি ভাইৰেল হোৱাৰ পিছত আৰক্ষী প্ৰশাসনৰ উচিত তদন্তৰ দাবি উত্থাপন কৰিছে বিভিন্ন দল সংগঠনে। তদন্ত কৰি চেণ্ডিকেটৰ মুল নায়ক ৰচুল হক বাহাদুৰক শাস্তি প্ৰদানৰ দাবি দল সংগঠনৰ। কিয়নো প্ৰাক্তন বিধায়ক ৰছুল হক বাহাদুৰৰ বিৰুদ্ধে কেইবাটাওঁ ভয়ংকৰ অভিযোগ উত্থাপিত হৈছে। শিল, বালি, কয়লা আৰু গৰুৰ চেণ্ডিকেটত নাম সাঙোৰ খাইছে প্ৰাক্তন বিধায়ক গৰাকীৰ। তাৰ উপৰিও চাকৰি দিয়াৰ নামত ধন লোৱা আৰু ব্লেকমেইলিং কৰাৰ বাতৰি ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। ভাইৰেল হোৱাৰ পিছতে নামনি অসম সংখ্যালঘু সংগ্ৰাম পৰিষদে সংবাদ মাধ্যমৰ সন্মুখত কয় যে ৰছুল হক বাহাদুৰৰ বিৰুদ্ধে প্ৰশাসনে উচিত তদন্ত কৰিব লাগে। কিছু দিন পুৰ্বে প্ৰাক্তন বিধায়ক ৰছুল হক বাহাদুৰে ফোন যোগে ধনৰ দাবি কৰিছিল বুলি দাবি উত্থাপন কৰে। ধন নিদিলে প্ৰাণে মৰাৰ ভাবুকি দিছিল তাৰ পিছতে ভক্ত ভূগী গৌৰীপুৰ আৰক্ষী থানাত প্ৰাক্তন বিধায়ক গৰাকীৰ বিৰুদ্ধে এজেহাৰ দাখিল কৰিছিল বুলি জানিবলৈ দিয়ে। অকল গৌৰীপুৰ থানাতে নহয় জানিব পৰা অনুশৰি ধুবুৰী সদৰ থানাতো কেইবাটাও এজেহাৰ আছে প্ৰাক্তন বিধায়ক গৰাকীৰ বিৰুদ্ধে। সমগ্ৰ ঘটনাৰ তদন্ত বিচাৰিছে উক্ত সংগঠনৰ সভাপতি আব্দুল বাৰেক ফকিৰে। নহলে যি কোনো মুহূৰ্ত্তে উক্ত সংগঠনটো ভয়ংকৰ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে।

## সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত ৰাজআলি চাহ বাগিছাত জাষ্টিন লাক্ৰাৰ দশম বাৰ্ষিক মৃত্যু তিথি পালন

**অসম বাৰ্তা, মাকুম, ১৪ জুলাই ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক প্ৰয়াত জাষ্টিন লাক্ৰাৰ আজি দশম বাৰ্ষিক মৃত্যু তিথি। ২০১৫ চনৰ ১৩ জুলাই তাৰিখে অৰ্থাৎ আজিৰ দিনটোতে আদিবাসী সকলৰ পিতৃস্বৰূপ তথা সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক জাষ্টিন লাক্ৰাৰ মৃত্যু হৈছিল। মাত্ৰ ৪৫ বছৰ বয়সতে জাষ্টিন লাক্ৰাই নিজৰ জাতিটোৰ বাবে কৰি থৈ যোৱা অৱদান সমূহৰ বিষয়ে যথেষ্ট উদাহৰণ আছে। আদিবাসী সকলৰ পিতৃস্বৰূপ জাষ্টিন লাক্ৰাৰ মৃত্যু হোৱা আজি দহ বছৰ হল। প্ৰয়াত জাষ্টিন লাক্ৰাৰ দশম বাৰ্ষিক মৃত্যু তিথি উপলক্ষে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন প্ৰান্তত দশম বাৰ্ষিক মৃত্যু তিথি পালন কৰিছে। তাৰ সমান্তৰালভাৱে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা বজালনী- লাংকাছি আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ৰাজগড় আলি চাহ বাগিছাৰ প্ৰাথমিক গোটৰ সহযোগত মাকুম ৰাজগড় আলি চাহ বাগিছাৰ মজদূৰ ক্লাৱত, আছা'ৰ প্ৰতিষ্ঠাপক জাষ্টিন লাক্ৰাৰ দশম বাৰ্ষিক মৃত্যু তিথি পালন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰাৰ লগতে জাষ্টিন লাক্ৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত মাল্যৰ্পণ কৰা হয়। পৰৱৰ্তী পৰ্যায়ত আছা'ৰ জিলা সমিতিৰ বিষয়ববীয়া সকলে প্ৰয়াত জাষ্টিন লাক্ৰাক স্মৰণ কৰি প্ৰিয় ছাত্ৰ নেতা জনৰ বিষয়ে উপস্থিত থকা ৰাইজৰ সন্মুখত ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক জাৰ্নেল মিঞ্জ, উপ সভাপতি জেকে তাঁতী, ভূমি সম্পাদক বিকি গোৱালা আঞ্চলিক সমিতিৰ উপ সভাপতি সুৰজ মূড়া প্ৰমুখ্যে কৰি অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে। আজিৰ এই অনুষ্ঠানৰ পৰাই সম্পাদক জাৰ্নেল মিঞ্জ আৰু উপ সভাপতি জেকে তাঁতীয়ে অসমত থকা আদিবাসী সকলক অসম চৰকাৰে ২০২৬ চনৰ বিধান সভাৰ নিৰ্বাচনৰ পূৰ্বে ভূমিৰ পট্টা প্ৰদান কৰিবলৈ, বাগিছাৰ শ্ৰমিক সকলক দৈনিক মজুৰি ৫৫১ টকা কৰিবলৈ আৰু লগতে জনজাতিকৰণৰ প্ৰক্ৰিয়াটো গৃহীত কৰিবলৈ দাবী জনায়, অন্যথা কংগ্ৰেছ চৰকাৰক যেনেকৈ খেদা হৈছিল ঠিক তেনেদৰে বিজেপি চৰকাৰকো খেদিম বুলি হুংকাৰ প্ৰদান কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন